www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আনৰ নিন্দা শুনিও শান্ত আৰু নীৰৱ হৈ থাকিব পৰা জনেই জ্ঞানী লোক। — টমাছ এ. কেম্পিছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৭৯ ❑ বুধবাৰ ❑ ২৯ এপ্ৰিল, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 179 ❑ Wednesday ❑ 29th April, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

■ তিনিটা শাখাতহে হ'ব অহা বছৰৰ পৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা ■

# বাতিল কৰা হ'ব ৪৯খন বিদ্যালয়ৰ স্বীকৃতি



❑ নৱম, দশম শ্ৰেণীৰ পাঠ্যক্ৰমৰ লগতে একাদশ, দ্বাদশ শ্ৰেণীৰ মাতৃভাষাৰ পাঠ্যক্ৰমত সন্নিবিষ্ট হ'ব জুবিন গাৰ্গৰ জীৱনপঞ্জী ❑ নৱম, দশম শ্ৰেণীৰ পৰীক্ষাত বাধ্যতামূলকভাৱে থাকিব ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গ সন্দৰ্ভত প্ৰশ্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ এপ্ৰিল ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এটা গুৰুত্বপূৰ্ণ আৰু কঠোৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত সম্পূৰ্ণ শূন্য ফলাফল দেখুওৱা ৪৯খন বিদ্যালয়ৰ স্বীকৃতি বাতিল কৰাৰ বিষয়ে গভীৰ চিন্তা-চৰ্চা চলাইছে পৰিষদে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰ চি জৈনে মঙলবাৰে আয়োজিত সংবাদমেলত এই তথ্য প্ৰকাশ কৰে। তেওঁ জনাইছে যে, এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ০ৰ পৰা ১০ শতাংশলৈকে উত্তীৰ্ণৰ হাৰ থকা চৰকাৰী বিদ্যালয়ৰ সংখ্যা ১০২খন আৰু বেচৰকাৰী বিদ্যালয়ৰ সংখ্যা ২০৭খন। ইয়াৰে ভিতৰত

❑ ৬ পৃষ্ঠাত

❑ ২ মে'ত ঘোষণা হ'ব জামিনৰ ৰায় ❑

## সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি সম্পন্ন; সংৰক্ষিত ৰখা হ'ল ৰায়

দুজন দেহৰক্ষীৰ চাৰ্জ হিয়াৰিং সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, কামৰূপ মহানগৰ, ২৮ এপ্ৰিল ঃ** আজি আদালতত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি সম্পন্ন হৈছে। শুনানিৰ অন্তত আদালতে ৰায় সংৰক্ষিত ৰাখিছে আৰু আগন্তুক ২ মে'ত জামিন আবেদনৰ ৰায় ঘোষণা

❑ ৬ পৃষ্ঠাত

কলা আৰু বিজ্ঞান শাখাত উজলিল বাক্সা আৰু তামুলপুৰ জিলা

## ছাত্ৰক পিছ পেলাই আধিপত্য বিস্তাৰ ছাত্ৰীৰ

শোচনীয় প্ৰদৰ্শনেৰে পুনৰ নজিৰ সৃষ্টি কৰিলে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ গৃহ জিলা ধেমাজিয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ এপ্ৰিল ঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে মঙলবাৰে দিনৰ ১০.৩০ বজাত এক সংবাদমেল যোগে ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। এইবাৰ চাৰিওটা শাখাতে ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ ছাত্ৰসকলতকৈ সৰ্বাধিক হোৱা পৰিলক্ষিত হৈছে। মুঠ ৩, ২২, ৭২৫ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে

❑ ৬ পৃষ্ঠাত



## নিৰ্বাচনৰ অন্তত পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ কোনো পৰিকল্পনা নাই; কেন্দ্ৰীয় চৰকাৰৰ স্পষ্টীকৰণ

আতংকিত ক্ৰয়ৰ ফলত অন্ধ্ৰপ্ৰদেশত চাহিদা ৩৩ শতাংশ বৃদ্ধি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ** চাৰিখন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভা নিৰ্বাচনৰ অন্তিম পৰ্যায় এতিয়া সমাপ্তিৰ দিশে আগবাঢ়ি আছে। বিশেষকৈ পশ্চিমবংগত ভোটগ্ৰহণৰ

❑ ৬ পৃষ্ঠাত

গুপ্তহত্যাৰ অভিযোগত কুশল দুৱৰীৰ বিৰুদ্ধে ৬৮ জনীয়া তালিকা

## ড° হিমন্ত বিশ্ব শৰ্মালৈ অখিল গগৈৰ মুকলি চিঠি

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ বাবে মাত্ৰ কেইটামান দিন বাকী থকাৰ সময়ত নিৰ্বাচনী প্ৰচাৰে উত্তপ্ত ৰূপ লৈছে।

❑ ৬ পৃষ্ঠাত

■ বিগত ১১ মাহে শ্বিলঙৰ জে'লত কাৰাবন্দী হৈ আছে সোনম ■

## দেশ কঁপোৱা ৰাজা ৰঘুবংশীৰ হত্যাকাণ্ডৰ মূল অভিযুক্ত পত্নী সোনম ৰঘুবংশীৰ জামিন লাভ

❑ শ্বিলং আদালতৰ জামিন মঞ্জুৰ ❑



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ** শ্বিলং আদালতে বহুল চৰ্চিত ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ মূল অভিযুক্ত সোণম ৰঘুবংশীক জামিন মঞ্জুৰ কৰিছে। কেইবামাহ ধৰি কাৰাগাৰত বন্দী হৈ থকা সোণমে পূৰ্বে তিনিবাৰ জামিন আৱেদন নাকচ হোৱাৰ পাছত চতুৰ্থ শুনানিত সকাহ লাভ কৰিলে। ২০২৫ চনৰ ২৩ মে'ত স্বামী ৰাজা ৰঘুবংশীৰ সৈতে হানীমুন উদযাপন কৰিবলৈ মেঘালয়লৈ

❑ ৬ পৃষ্ঠাত

❑ ৩.২১ কোটি ভোটাৰে সাব্যস্ত কৰিব ভোটাধিকাৰ ❑

## আজি পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ** পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে সম্পন্ন হৈছে। বুধবাৰে, অৰ্থাৎ ২৯ এপ্ৰিল, ২০২৬ চনত ৰাজ্যখনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ

❑ ৬ পৃষ্ঠাত

## মাজুলীত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফল সন্তোষজনক ১০০ শতাংশ উত্তীৰ্ণৰে বাণিজ্য আৰু বৃত্তিমূলক শাখাত শীৰ্ষত মাজুলী

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ এপ্ৰিল ঃ** নতুন শিক্ষা নীতি অনুসৰি আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত

❑ ৬ পৃষ্ঠাত




## মিচিং স্বায়ত্ত শাসিত পৰিষদ ভংগ কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী

মুখ্য নিৰ্বাচনী বিষয়ালৈ স্মাৰকপত্ৰ; কাৰ্যকাল সমাপ্ত হোৱাৰ পাছতো অবৈধভাৱে কাৰ্যনিৰ্বাহ চলি থকাৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ** অসমৰ মিচিং স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যকাল

❑ ৬ পৃষ্ঠাত

GPS তথ্যই পোহৰলৈ আনিলে ভয়ংকৰ বিৱৰণ

EXORO বাৰত দুপৰ নিশা ৩ বজালৈকে সুৰাপান; ১৯ হাজাৰ টকাৰ বিল

## অত্যাধিক সুৰা সেৱনেই কাল হ'ল তিনি যুৱতীৰ !

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৮ এপ্ৰিল ঃ** মঠঘৰীয়াৰ ভয়ংকৰ দুৰ্ঘটনাৰ আঁৰৰ কাহিনী একে একে পোহৰলৈ আহিছে। ট্ৰেফিক DCP জয়ন্ত সাৰথি বৰাই

❑ ৬ পৃষ্ঠাত



NDAৰ অভূতপূৰ্ব বিজয় সুনিশ্চিত, ভূমিপুত্ৰৰ ভোটেৰে বদলি হ'ব ৰাজনৈতিক সমীকৰণ ঃ দিলীপ শইকীয়া

## বিজেপিত গাড্ডাৰ ! লেকাম লগাবলৈ বাধ্য হ'ল দিলীপ শইকীয়া



**অসম বাৰ্তা, গুৱাহাটী, ২৮ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ক লক্ষ্য কৰি ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই এক যুগান্তকাৰী দাবী উত্থাপন কৰিছে। তেওঁ কয় যে

❑ ৬ পৃষ্ঠাত

ফুটবল খেলি দেখুৱালে দুভৰিৰ যাদু

## ছিকিম ৰাজ্য গঠনৰ ৫০ বৰ্ষ উদ্‌যাপন সমাৰোহত অংশগ্ৰহণ প্ৰধানমন্ত্ৰী মোদীৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ** ছিকিম ৰাজ্যৰ ৰাজ্যিকতা লাভৰ ৫০ বছৰীয়া স্বৰ্ণ জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মঙলবাৰে

❑ ৬ পৃষ্ঠাত



## চীন আৰু ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীৰে ৰাজনাথ সিঙৰ গুৰুত্বপূৰ্ণ বৈঠক

**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ** কিৰ্গিস্তানৰ ৰাজধানী বিস্কেকত অনুষ্ঠিত ছাংহাই সহযোগিতা সংস্থাৰ (SCO) প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকৰ সময়ত ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে চীন আৰু ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতে পৃথকে পৃথকে উচ্চস্তৰীয়

❑ ৬ পৃষ্ঠাত

বিস্কেকত দ্বিপাক্ষিক আলোচনা, নিৰাপত্তা আৰু স্থিতিশীলতা বিষয়ক মতবিনিময়



### বিভিন্ন দশকৰ পুৰণি সম্পদসমূহৰ সঠিক যতন আৰু বৈজ্ঞানিক সংৰক্ষণ পদ্ধতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি

# সৰুপথাৰ মহাবিদ্যালয়ত সংগ্ৰহালয়ৰ (Museum) সম্পদ সংৰক্ষণ বিষয়ক ব্যৱহাৰিক কৰ্মশালা

**অসম বাৰ্তা, সৰুপথাৰ, ২৮ এপ্ৰিল ঃ** সৰুপথাৰ মহাবিদ্যালয়ৰ যাদুঘৰ (Museum)ত সংগ্ৰহালয়ৰ সম্পদ সংৰক্ষণ বিষয়ক এক গুৰুত্বপূৰ্ণ ব্যৱহাৰিক কৰ্মশালা অনুষ্ঠিত হয়। গৌৰৱোজ্জ্বল ইতিহাস বহন কৰা বিভিন্ন দশকৰ পুৰণি সম্পদসমূহৰ সঠিক যতন আৰু বৈজ্ঞানিক সংৰক্ষণ পদ্ধতি সম্পৰ্কে সজাগতা সৃষ্টি কৰাই আছিল এই অনুষ্ঠানৰ মূল লক্ষ্য। উক্ত কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে যোৰহাট জিলা সংগ্ৰহালয় বিষয়া অবন্তিকা পৰাশৰ। তেওঁ নিজৰ সুদীৰ্ঘ অভিজ্ঞতাৰ আধাৰত পুৰণি সামগ্ৰীসমূহ কেনেকৈ দীৰ্ঘকাললৈ সুৰক্ষিত কৰি ৰাখিব পাৰি, সেই বিষয়ে এক সৰল অথচ তথ্যগধুৰ ব্যাখ্যা দাঙি ধৰে। প্ৰশিক্ষণ কালত সংগ্ৰহালয় বিষয়াগৰাকীয়ে প্ৰাচীন সম্পদসমূহ সংৰক্ষণ কৰাৰ বিভিন্ন কাৰিকৰী দিশৰ ওপৰত আলোকপাত কৰে। বিভিন্ন ঐতিহাসিক সম্পদসমূহ কেনে পৰিৱেশত ৰখা উচিত। জলবায়ু বা আৰ্দ্ৰতাৰ পৰা সম্পদসমূহ কেনেকৈ ৰক্ষা কৰিব পাৰি। কি ধৰণৰ ৰাসায়নিক বা প্ৰাকৃতিক উপায় অৱলম্বন কৰিলে সম্পদসমূহ নষ্ট নোহোৱাকৈ থাকে ইত্যাদি দিশৰ জ্ঞান প্ৰদান কৰে। কেৱল তাত্ত্বিক আলোচনাতে সীমাবদ্ধ নাথাকি, কৰ্মশালাখনত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে কেইবাটাও ব্যৱহাৰিক দিশ প্ৰদৰ্শন কৰা হয়। অবন্তিকা পৰাশৰে ছাত্ৰ-ছাত্ৰীসকলক হাতে-কামে সংৰক্ষণৰ প্ৰক্ৰিয়াসমূহ দেখুৱাই দিয়ে। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাসকলৰ লগতে বহুসংখ্যক উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। অবন্তিকা পৰাশৰে মন্তব্য কৰি কয়, "কৰ্মশালাখনত আমি অকণমান শিকিলোঁ, কথা পাতিলোঁ ল'ৰা-ছোৱালীবোৰৰ লগত। তাত কেনেকৈ সাঁচিপাতৰ পুথি বা বিভিন্ন পুৰণি সম্পদ কেনেকৈ চাফা কৰিব লাগে, সেই বিষয়ে আমি কথা পাতিলোঁ। লগতে কেনেকৈ ডিছপ্লেক্স কৰিব লাগে সেই বিষয়ে কথা পতা হ'ল আৰু লেবেলিন কেনেকৈ কৰিব লাগে সেই বিষয়ে শিকোৱা হ'ল।" সংগ্ৰহালয়ৰ এই কৰ্মশালাৰ জৰিয়তে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল ঐতিহাসিক সম্পদৰ গুৰুত্ব আৰু ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে যথেষ্ট উপকৃত হয়। স্থানীয় ইতিহাস আৰু ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ এই পদক্ষেপক প্ৰশংসনীয়।

# মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ মৰিগাঁও জিলাৰ ভোটগণনা কেন্দ্ৰ আৰু ষ্ট্ৰং ৰুম পৰিদৰ্শন



**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৮ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনৰ ভোটগণনালৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত আজি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে মৰিগাঁও জিলা ভ্ৰমণ কৰি জিলাখনত ভোটগণনাৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ মৰিগাঁও মহাবিদ্যালয়ত স্থাপন কৰা ভোটগণনা কেন্দ্ৰ পৰিদৰ্শন কৰে। এই পৰিদৰ্শনকালত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে ষ্ট্ৰং ৰুম আৰু গণনা কক্ষসমূহ পৰ্যবেক্ষণ কৰে। তেওঁ ষ্ট্ৰং ৰুমৰ সুৰক্ষা ব্যৱস্থাৰ বুজ লোৱাৰ লগতে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ভোটগণনা কক্ষৰ সকলো যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। তেওঁ ভোটগণনাৰ প্ৰস্তুতি চলাওতে নিৰ্বাচন আয়োগৰ নিৰ্দেশনাসমূহ যাতে মানি চলা হয় তাৰ প্ৰতি চকু ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁৰ সৈতে এই পৰিদৰ্শনকালত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া অনামিকা তেৱাৰী, জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল, জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত (নিৰ্বাচন), ৰিটাৰ্ণিং বিষয়াসকল, নিৰ্বাচন বিষয়া আৰু সংশ্লিষ্ট বিষয়াসকল উপস্থিত আছিল। ইফালে অহা ৪ মে'ত ভোটগণনা সুচাৰুৰূপে আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা নিৰ্বাচন শাখাই ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। আজিৰে পৰা মৰিগাঁও নগৰৰ পবিতৰা হাট প্ৰেক্ষাগৃহত ভোটগণনাৰ কৰ্তব্যত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। আজি প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণত ৬০ গৰাকী ভোটগণনা ছুপাৰভাইজৰ, ৬০ গৰাকী ভোটগণনা সহায়ক, ৬০ গৰাকী এম টি এছ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী, ৮০ গৰাকী ডাক বেলটৰ ভোটগণনাকাৰী আৰু ৬০ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰৰ প্ৰশিক্ষণ সম্পন্ন হয়। কাইলৈ সংগ্ৰাহক বিষয়া (Compilation Officer), সংগ্ৰাহক সহায়ক (Compilation Assistant), ট্ৰেনজিং অফিচাৰ, ট্ৰেনজিং সহায়ক, চিলিং অফিচাৰ, চিলিং সহায়ক আৰু আটাইকেইটা কামৰ বাবে এম টি এছ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ প্ৰশিক্ষণ সম্পন্ন হ'ব। ৩০ এপ্ৰিলত ভোটগণনাকাৰী বিষয়া-কৰ্মচাৰীৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন হ'ব। উল্লেখ্য যে ৪ মে'ৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হ'ব। ৫২-জাগীৰোড (অঃ জাঃ) সমষ্টি, ৫৩- লাহৰীঘাট সমষ্টি আৰু ৫৪- মৰিগাঁও সমষ্টিৰ বাবে তিনিটা ভোটগণনা কক্ষ থাকিব। প্ৰতিটো ভোটগণনা কক্ষত ১৪ খনকৈ টেবুলত ভোটগণনা কৰা হ'ব। যোৱা ৯ এপ্ৰিলত মৰিগাঁও নিৰ্বাচন জিলাত অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণত ৮৯.৫৮ শতাংশ ভোটদান হয়। মৰিগাঁও নিৰ্বাচন জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে মুঠ ১৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। সেই অনুসৰি ৫২ নং জাগীৰোড (অঃ জাঃ) সমষ্টিৰ বাবে কংগ্ৰেছ দলৰ প্ৰাৰ্থী বুবুল দাস আৰু ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী পীযুষ হাজৰীকাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে ৫৩ নং লাহৰীঘাট সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ডাঃ আচিফ মহম্মদ নাজাৰ, অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী মহম্মদ খলিলুৰ ৰহমান, এ আই ইউ ডি এফ দলৰ মনোনীত প্ৰাৰ্থী চিদ্দিক আহমেদ আৰু নিৰ্দলীয় প্ৰাৰ্থী হিচাপে হাৰেশা খানম আৰু ওমৰ ফাৰুকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইফালে, ৫৪ নং মৰিগাঁও সমষ্টিৰ বাবে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীকেইগৰাকী হ'ল ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী ৰমাকান্ত দেউৰী, অসম জাতীয় পৰিষদ দলৰ প্ৰাৰ্থী বাণীকান্ত দাস আৰু নিৰ্দলীয় প্ৰাৰ্থী অমলেশ মেধি, নিখিল ডেকাৰজা, চেনিৰাম কোঁৱৰ আৰু প্ৰদীপ বৰুৱা।

# ৯৮.০৬ শতাংশ উত্তীৰ্ণৰ হাৰেৰে উজ্জ্বলিল নলবাৰীৰ শংকৰদেৱ একাডেমী



**অসম বাৰ্তা, নলবাৰী, ২৮ এপ্ৰিল ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষ ২০২৬ ৰ ফলাফলত নলবাৰী জিলাৰ অন্যতম ব্যক্তিগত শিক্ষানুষ্ঠান শংকৰদেৱ একাডেমীয়ে এক উল্লেখযোগ্য সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। পুৱা ১০:৩০ বজাত ফলাফল ঘোষণা হোৱাৰ পিছতে ৰাজ্যজুৰি শিক্ষানুষ্ঠানসমূহত দেখা যায় আনন্দৰ পৰিবেশ, তাৰেই মাজতে নলবাৰীৰ হাজো ৰোডৰ চ'কবজাৰস্থিত শংকৰদেৱ একাডেমীত আনন্দৰ জোৱাৰ বোৱা দেখিবলৈ পোৱা যায়। এইবাৰ শিক্ষানুষ্ঠানখনত মুঠ ১৭৭ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈ ৯৮.০৬ শতাংশ উত্তীৰ্ণ হাৰেৰে উজ্জ্বল ফলাফল দাঙি ধৰিবলৈ সক্ষম হয়। বিশেষকৈ কলা আৰু বাণিজ্য শাখাত ১০০ শতাংশ উত্তীৰ্ণ আৰু বিজ্ঞান শাখাত ৯৮.৮ শতাংশ উত্তীৰ্ণ হাৰেৰে একাডেমীয়ে নিজৰ শৈক্ষিক মানদণ্ড পুনৰ প্ৰমাণ কৰে। ৰাজ্যজুৰি এইবাৰৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত মুঠ ৩, ৩০, ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰ ভিতৰত কলা শাখাত ২, ৪৭, ৮৬৫ গৰাকী, বিজ্ঞান শাখাত ৬১, ৫৬৫ গৰাকী আৰু বাণিজ্য শাখাত ১৯, ৮০৬ গৰাকী পৰীক্ষাৰ্থী আছিল। আনহাতে নলবাৰী জিলাত কলা শাখাত ৬৫৫৩ গৰাকী, বিজ্ঞান শাখাত ২১৮৪ গৰাকী আৰু বাণিজ্য শাখাত ৩৩৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। নলবাৰী জিলাৰ সামগ্ৰিক উত্তীৰ্ণৰ হাৰ এইবাৰ ৮৪.৮২ শতাংশ। মুঠ ৬৫৫৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৫৫৫৮ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ১৫৬৭ গৰাকী প্ৰথম বিভাগত, ২২৮৩ গৰাকী দ্বিতীয় বিভাগত আৰু ১৭০৮ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। শংকৰদেৱ একাডেমীৰ এই সফলতাত উৎফুল্ল অধ্যক্ষ বিনয় মজুমদাৰে কয় যে, পূৰ্বৰ দৰে এইবাৰো শিক্ষানুষ্ঠানখনে নিজৰ সুনাম অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। শিক্ষক-শিক্ষয়ত্ৰীসকলেও শিক্ষাৰ্থীসকলৰ অধ্যৱসায় আৰু কঠোৰ পৰিশ্ৰমৰ শলাগ লয়। আনহাতে, সুফল অৰ্জন কৰা শিক্ষাৰ্থীসকলে নিজৰ আনন্দ প্ৰকাশ কৰাৰ লগতে আগন্তুক দিনত নিজ নিজ লক্ষ্য পূৰণৰ সংকল্প গ্ৰহণ কৰে। কোনোবাই অধিবক্তা হোৱাৰ সপোন দেখুৱাইছে, কোনোবাই পুনৰ এপিএছচি পৰীক্ষাৰ বাবে সাজু হোৱাৰ কথা প্ৰকাশ কৰিছে। ফলাফল ঘোষণাৰ পিছতে শিক্ষানুষ্ঠানখনত ছাত্ৰ-ছাত্ৰীসকলে মিঠাই বিতৰণ কৰি আৰু আতচবাজী ফুটাই আনন্দ-উল্লাস কৰে।

# নয়াস্তিৰ একমাত্ৰ উচ্চতৰ মাধ্যমিক শিক্ষানুষ্ঠান বিকাশ একাডেমীৰ সফলতা

**অসম বাৰ্তা, বাগানপাৰা, ২৮ এপ্ৰিল ঃ** আজি ঘোষিত অসম উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত বাক্সা জিলাই প্ৰথম স্থান দখলেৰে কৃতিত্ব অৰ্জন কৰাৰ সমান্তৰাল ভাৱে বা'ৰ নয়াবস্তি অঞ্চলৰ একমাত্ৰ শিক্ষানুষ্ঠান বিকাশ একাডেমীৰ ছাত্ৰীসকলে অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ২০২৪ ইংৰাজী বৰ্ষত প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানখনৰ পৰা এইবাৰ প্ৰথমবাৰৰ বাবে অসম উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ১৮ গৰাকী ছাত্ৰী অৱতীৰ্ণ হৈ আটাইকেইগৰাকী ছাত্ৰীয়ে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। ইয়াৰে ১৫ গৰাকী ছাত্ৰীয়ে প্ৰথম বিভাগ আৰু তিনি গৰাকী ছাত্ৰীয়ে দ্বিতীয় বিভাগ পাবলৈ সক্ষম হৈছে। প্ৰতিগৰাকী ছাত্ৰীয়ে বিভিন্ন বিষয়ত লেটাৰ নম্বৰ পাবলৈ সক্ষম হৈছে। পোন প্ৰথমবাৰৰ বাবে এই অঞ্চলৰ পৰা চূড়ান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণ প্ৰাৰ্থী উত্তীৰ্ণ হোৱাত অঞ্চলটোৰ সচেতন ৰাইজে অনুষ্ঠানৰ কৰ্তৃপক্ষলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

# উচ্চতৰ মাধ্যমিক বিদ্যালয় শেষান্ত পৰীক্ষাৰ ফলাফলত সাফল্য ডবকা একাডেমীৰ; ১০০ শতাংশ

**অসম বাৰ্তা, ডবকা, ২৮ এপ্ৰিল ঃ** হোজাই জিলাৰ অন্তৰ্গত বৃহত্তৰ ডবকা অঞ্চলৰ এখন অগ্ৰণী ব্যক্তিগত শিক্ষানুষ্ঠান ডবকা একাডেমীয়ে পুনৰ এবাৰ শিক্ষা ক্ষেত্ৰত নিজৰ কৃতিত্বৰ স্বাক্ষৰ ৰাখিবলৈ সক্ষম হৈছে। মঙ্গলবাৰে ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় শেষান্ত পৰীক্ষাৰ ফলাফলত প্ৰতিষ্ঠান খনে ১০০ শতাংশ উত্তীৰ্ণৰ হাৰ লাভ কৰি অঞ্চলটোৰ বাবে গৌৰৱৰ বিষয় হিচাপে পৰিগণিত হৈছে। এইবাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ১১৭জন ছাত্ৰ-ছাত্ৰীৰ মাজত ১১৭ জনেই সফলতাৰে উত্তীৰ্ণ হয়। ইয়াৰ ভিতৰত ৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰে। তদুপৰি ২৭ গৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। ফলাফল অনুসৰি প্ৰথম বিভাগত ৬৪ গৰাকী আৰু দ্বিতীয় বিভাগত ৫৩ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ বিদ্যালয় খনৰ সামগ্ৰিক সাফল্য অধিক উজ্জ্বল কৰি তোলে। উল্লেখযোগ্য যে, ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহে বৰ্তমান সময়ত শিক্ষাৰ মান উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ডবকা একাডেমীৰ এই ফলাফল তাৰে এক উজ্জ্বল উদাহৰণ হিচাপে পৰিগণিত হৈছে। নিয়মিত পাঠদান, অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰীৰ নিৰ্দেশনা আৰু শিক্ষাৰ্থীৰ কঠোৰ পৰিশ্ৰমৰ ফলতেই এই সফলতা সম্ভৱ হৈছে বুলি বিদ্যালয় কৰ্তৃপক্ষই মত প্ৰকাশ কৰে। ফলাফল ঘোষণা হোৱাৰ পিছতেই বিদ্যালয়খনত আনন্দময় পৰিৱেশৰ সৃষ্টি হয়। বিদ্যালয়ৰ অধ্যক্ষ ইকৰাম উদ্দিনে সমূহ কৃতী ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীক অভিনন্দন জনায়। লগতে আগন্তুক দিন সমূহতো একেই ধাৰা অব্যাহত ৰাখিবলৈ সকলোৰে সহযোগিতা কামনা কৰে। স্থানীয় ৰাইজেও বিদ্যালয়খনৰ এই সাফল্যত আনন্দ প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰে। শিক্ষাৰ ক্ষেত্ৰত ডবকা একাডেমীৰ এই ধৰণৰ ধাৰাবাহিক সফলতাই অঞ্চলটোৰ শিক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ লগতে নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰতো বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# বনাঞ্চলৰ জৈৱ-বৈচিত্ৰ্য ৰক্ষাত আগভাগ লৈছে 'গোৱালপাৰা ফটোগ্ৰাফিক চ'চাইটি'য়ে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৮ এপ্ৰিল ঃ** প্ৰকৃতিৰ অপৰূপ দান গোৱালপাৰা জিলাৰ বনাঞ্চলসমূহ বৰ্তমান মানৱসৃষ্ট কাৰণত তীব্ৰ সংকটৰ মুখত পৰিছে। বিশেষকৈ ফাগুন-চ'ত মাহত একাংশ লোকে বনাঞ্চলত জুই লগাই দিয়াৰ ফলত জিলাখনৰ প্ৰাকৃতিক ভাৰসাম্য হেৰাই যোৱাৰ উপক্ৰম হৈছে। এই বনজুইৰ ফলত বনাঞ্চলত থকা বহুমূলীয়া মিশ্ৰিত উদ্ভিদসমূহ ধ্বংস হৈ পৰিছে আৰু কেৱল বনজুই সহিব পৰা শাল গছবোৰহে অৱশিষ্ট থাকি গৈছে। যাৰ ফলত বনাঞ্চলসমূহ এক প্ৰকাৰৰ 'জৈৱ-বৈচিত্ৰ্যহীন' অঞ্চললৈ ৰূপান্তৰিত হৈছে। আনহাতে ১৭নং ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত ঘাইপথলৈ সলনি কৰাৰ বাবেও বহু মূল্যবান গছ-গছনি ধ্বংস হৈছে। প্ৰকৃতিবিদ সকলৰ মতে, বনজুইৰ ফলত বনাঞ্চলত থকা সৰু-বৰ লতা, ঔষধি গছ আৰু ফল-মূলৰ গছবোৰ পুৰি ছাই হৈ যায়। ফলত বন্যপ্ৰাণীৰ খাদ্যৰ চৰম নাটনি হয়। কেৱল শালগছেৰে ভৰি থকা এখন বনাঞ্চলত চৰাই-চিৰিকতি বা আন জীৱ-জন্তুৰ বাবে খাদ্য আৰু আশ্ৰয় বিচাৰি পোৱা কঠিন হৈ পৰে। এই খাদ্যৰ অভাৱেই বৰ্তমান জিলাখনত হাতী-মানুহৰ সংঘাত বৃদ্ধিৰ অন্যতম মূল কাৰণ হিচাপে চিহ্নিত হৈছে। আনহাতে বনজুইৰ ফলত মাটিৰ উৰ্বৰা শক্তি হ্ৰাস হোৱাৰ লগতে কাৰ্বন-ডাইঅ'ইডৰ দৰে বিষাক্ত গেছ নিৰ্গত হৈ বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি পাইছে। জিলাখনৰ এনে সংকটপূৰ্ণ সময়ত বনাঞ্চলৰ জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ বাবে আগবাঢ়ি আহিছে ২০১৯ চনত কেইগৰাকীমান উদ্যমী ব্যক্তিৰ প্ৰচেষ্টাত দুধনৈৰ মজিয়াত গঠন হোৱা 'গোৱালপাৰা ফটোগ্ৰাফিক চ'চাইটি' চমুকৈ (জিপিএছ)। কেৱল ফটো তোলাতে সীমাবদ্ধ নাথাকি, চ'চাইটিৰ সদস্যসকলে সজাগতামূলক কাৰ্যসূচীৰে বনাঞ্চল ৰক্ষা আৰু প্ৰকৃতি সুৰক্ষা, বিলুপ্তপ্ৰায় জীৱজন্তুৰ সুৰক্ষাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে। তেওঁলোকে ইতিমধ্যে বিভিন্ন স্থানত গছপুলি ৰোপণ কৰাৰ লগতে বনাঞ্চল সংৰক্ষণৰ বাবে স্থানীয় ৰাইজক সজাগ কৰি তুলিছে। বনৰীয়া হাতীৰ খাদ্য তালিকাত থকা বিভিন্ন গছপুলি ৰোপণ কৰিছে। তেওঁলোকৰ এই নিৰালস্য প্ৰচেষ্টাই ইতিমধ্যে জিলাখনৰ সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে গোৱালপাৰা ফটোগ্ৰাফিক চ'চাইটিয়ে। গোৱালপাৰা ফটোগ্ৰাফিক চ'চাইটিৰ সভাপতি



বেঞ্জামিন কামান আৰু চ'চাইটিৰ সদস্য ক্ৰমে সাৰংগধৰ ৰাভা, বাণী ৰাভা, বন্দীতা শৰ্মা, ভৱেশ চন্দ্ৰ ভাগৱতী আৰু বনবাসী মন্দিৰ পৰিচালনা কমিটিৰ বিষয়ববীয়া ৰেবন্ত ৰাভাই আজি সজাগতা মুলক পদক্ষেপ হিচাবে দুধনৈ ফফলত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা কেবাটাও "পলাশ"ৰ পুলি সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। কাৰণ ফফল বনবাসীত থকা শালগছৰ বনাঞ্চলত ফাগুণ চ'ত মাহত শুকান বননিত জুই লগাই দিয়াৰ ফলত বহুতো মিশ্ৰিত উদ্ভিদ ছাই হৈ গৈছিল। পলাশৰ পুলিবোৰো পুৰি গৈছিল। কিন্তু বহাগ মাহত হোৱা বৰষুণৰ ফলত শালনিত পৰিণত হোৱা বনাঞ্চলখনত পুনৰ মিশ্ৰিত উদ্ভিদবোৰে গজালি মেলিছে। সেয়েহে জিপিএছএ আজি প্ৰতিকুল বতৰৰ মাজতে ফফল বনবাসীত থকা শালনি খনত পলাশৰ পুলি কেইটামান নেট লগাই ঘেৰি দিয়ে। যাতে কোনেও এই পুলিবোৰ নষ্ট কৰিব নোৱাৰে। জিপিএছৰ সভাপতি গৰাকীয়ে সংবাদ মাধ্যমক কয় যে, বনাঞ্চলত কেৱল শাল গছৰ পৰিৱৰ্তে হাতীৰ খাদ্য হিচাপে উপযোগী বাঁহ, কল, কঁঠাল আদিৰ মিশ্ৰিত বাগান গঢ়ি তোলা। গোৱালপাৰা ফটোগ্ৰাফিক চ'চাইটিৰ দৰে স্থানীয় সংগঠনসমূহেও ৰাইজৰ মাজত এনেধৰণৰ ব্যাপক সজাগতা সৃষ্টি কৰিব লাগে। এনেদৰে বনাঞ্চল সমূহ পুনৰুজ্জীৱিত কৰি তুলিব পাৰিলে জিলাখনত বনৰীয়া হাতী মানুহৰ সংঘাত কম হ'ব আনহাতে আন জীৱ-জন্তু তথা চৰাই চিৰিকটি সমূহেও পৰ্যাপ্ত পৰিমাণৰ খাদ্য লাভ কৰিব। সভাপতি গৰাকীয়ে পুনৰ কয় যে, যদিহে আমি এতিয়াই সজাগ নহওঁ, তেন্তে গোৱালপাৰাৰ এই সেউজ পৰিৱেশ অদূৰ ভৱিষ্যতে মৰুভূমিলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা আছে। গতিকে চৰকাৰী বিভাগৰ লগতে ফটোগ্ৰাফিক চ'চাইটিৰ দৰে অনুষ্ঠানৰ সৈতে হাত মিলাই প্ৰতিজন নাগৰিকে নিজৰ পৰিৱেশ ৰক্ষাৰ বাবে আগবাঢ়ি অহাটো অতি প্ৰয়োজনীয়।

## কলা আৰু বিজ্ঞান শাখাত উন্নত ফলাফলৰ ধাৰা অক্ষুণ্ণ

# মাৰ্ঘেৰিটা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সাফল্য

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৮ এপ্ৰিল ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল অনুসৰি মাৰ্ঘেৰিটা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা আৰু বিজ্ঞান শাখাত উন্নত ফলাফলৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। বিজ্ঞান শাখাত ১০০ শতাংশ আৰু ক'লা শাখাত ৯৮.৬৩ শতাংশ উৰ্ত্তীণৰ দ্বাৰা শৈক্ষিক প্ৰতিষ্ঠানটোৰ পৰিয়ালক গৌৰৱান্বিত কৰাৰ লগতে অতিশয় উৎসাহিত কৰিছে। উল্লেখ্য যে বিজ্ঞান শাখাত একেৰাহে ১০ বছৰ ধৰি এশ শতাংশ ছাত্ৰ ছাত্ৰীৰ উৰ্ত্তীণৰ ধাৰা অক্ষুণ্ণ ৰাখি জিলাখনৰ ভিতৰতে সুনাম অৰ্জন কৰিছে। বিগত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত বিজ্ঞান শাখাত ৪৭ গৰাকী আৰু ক'লা শাখাত ১৪৬ গৰাকী পৰীক্ষাৰ্থী প্ৰতিষ্ঠানটোৰ পৰা অৱতীৰ্ণ হৈছিল। বিজ্ঞান শাখাত প্ৰথম বিভাগত ৪৪, দ্বিতীয় বিভাগত ৩ গৰাকী ছাত্ৰ-ছাত্ৰী উৰ্ত্তীণ হৈছে। আনহাতে কলা শাখাত প্ৰথম বিভাগত ৯৮, দ্বিতীয় বিভাগত ৪৩, আৰু তৃতীয় বিভাগত ৪ গৰাকী ছাত্ৰ-ছাত্ৰী উৰ্ত্তীণ হৈছে। বিজ্ঞান শাখাত মুস্তাকুদ্দিন আহমেদে সৰ্বোচ্চ ৯২ শতাংশ আৰু কলা শাখাত ভাস্কৰ জ্যোতি বৰুৱাই সৰ্বোচ্চ ৯৩.৮ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে।

# শিৱসাগৰত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বৈঠক সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৮ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থপনা প্ৰাধিকৰণৰ অধ্যক্ষ মৃদুল য়াদৱৰ অধ্যক্ষতাত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা দুৰ্যোগ ব্যৱস্থপনা প্ৰাধিকৰণৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত পুনৰ্সংস্থাপন অনুদান (Rehabilitation Grant), একঁকালীন সাহায্য, ৰাজ্যিক দুৰ্যোগ সহাঁৰি পুঁজিৰ আঁচনি তথা অন্যান্য বিভাগীয় ক্ষতিপূৰণৰ প্ৰতিবেদনসমূহ বিবেচনা আৰু অনুমোদনৰ বাবে উপস্থাপন কৰা হয়। বৈঠকত উপস্থাপিত ২৮খন প্ৰতিবেদনৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰাৰ শেষত ৩৭৭ গৰাকী হিতধিকাৰী উপকৃত হোৱাকৈ আটাইকেইখন প্ৰতিবেদনত সৰ্বসন্মতি ক্ৰমে অনুমোদন জনোৱা হয়। বৈঠকত জিলা আয়ুক্ত গৰাকীয়ে আসন্ন বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ সংশ্লিষ্ট সকলো পক্ষৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে সংশ্লিষ্ট বিভাগসমূহক সক্ষম আৰু তৎপৰ হৈ থাকিবলৈ আহ্বান জনায় আৰু সাহায্য সামগ্ৰী প্ৰদানৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ ত্ৰুটি নাথাকে, তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া ৰূপম বড়াই বান পৰিস্থিতিৰ প্ৰস্তুতি সম্পৰ্কীয় স্ক'ৰ কাৰ্ড সন্দৰ্ভত এক পাৱাৰ পইন্ট প্ৰেজেণ্টেচন দাঙি ধৰে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া মীনাক্ষী পেৰ্মে, নাজিৰাৰ সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, অতিৰিক্ত আৰক্ষী অধীক্ষক ঋষভ হান্স, ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল, পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১০০ শতাংশ উৰ্ত্তীৰ্ণৰে চমকপ্ৰদ ফলাফল প্ৰদৰ্শন

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৮ এপ্ৰিল ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ১০০ শতাংশই উৰ্ত্তীৰ্ণৰে চমকপ্ৰদ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে বৰপেটাৰ চৰকাৰী খণ্ডৰ পি এম শ্ৰী ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে। বিদ্যালয়খনৰ উৎকৃষ্ট ফলাফলত উৎফুল্ল অভিভাৱক, ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী। ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ বিজ্ঞান শাখাত আটাইকেইজন পৰীক্ষাৰ্থী উৰ্ত্তীৰ্ণ হৈছে। ইয়াৰে লগতে কলা শাখাত ৯৮ শতাংশ পৰীক্ষাৰ্থী উৰ্ত্তীৰ্ণ হৈছে। বৃত্তিমুখী শাখাতো পৰীক্ষাত অৱতীৰ্ণ আটাইকেইজনেই উৰ্ত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ পৰা ৭ গৰাকী ছাত্ৰই ষ্টাৰ মাৰ্ক লাভ কৰিছে। ৩ গৰাকী ছাত্ৰই পাইছে ডিষ্টিংশ্যন। ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী চাহিন ৰিচাই কলা শাখাত আটাইকেইটা বিষয়ত লেটাৰ মাৰ্কসহ ৮৯.৮ শতাংশ, হীৰকজ্যোতিয়ে ৮৮.৪ শতাংশ আৰু মিৰ হুছেইনে ৮৭ শতাংশ লাভ কৰি ডিষ্টিংশ্যন পাবলৈ সক্ষম হৈছে। বিজ্ঞান শাখাত চফিদা বেগমে ৮৪.৮ শতাংশ, নুৰুল আমিনে ৮৩ শতাংশ আৰু কলা শাখাত চামচুন নাহাৰে ৮২.২০ শতাংশ, ৰিমা বেগমে ৭৫.২০ শতাংশৰে ষ্টাৰ মাৰ্ক লাভ কৰি বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। বিদ্যালয়খনৰ পৰা মুঠ ১১৫ গৰাকী পৰীক্ষাৰ্থীয়ে বিভিন্ন বিষয়ত লেটাৰ মাৰ্কসহ ভাল ফলাফলেৰে উৰ্ত্তীৰ্ণ হয়। বিদ্যালয়খনৰ পৰা বিজ্ঞান শাখাত অৱতীৰ্ণ ৬৯ গৰাকী পৰীক্ষাৰ্থীৰ ৬৯ গৰাকীয়েই উৰ্ত্তীৰ্ণ হৈছে। কলা শাখাত ১২১ গৰাকীৰ ১১৮ গৰাকী উৰ্ত্তীৰ্ণ আৰু বৃত্তিমুখী শাখাত আটাইকেইগৰাকী উৰ্ত্তীৰ্ণ হয়। চৰকাৰী খণ্ডৰ বিদ্যালয়য়ে দেখুওৱা এই ফলাফলত সন্তুষ্টি প্ৰকাশ কৰি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকক ধন্যবাদ জ্ঞাপন কৰিছে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে। যি সময়ত ফলাফল প্ৰদৰ্শনত উত্তীৰ্ণৰ হাৰৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে আধিপত্য বিস্তাৰ কৰা দেখা যায় তেনে সময়তে চৰকাৰী খণ্ডৰ বিদ্যালয় ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে প্ৰদৰ্শন কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত অতিকৈ আনন্দিত হোৱা দেখা গৈছে স্থানীয় লোকক।

# মাকুম অঞ্চলৰ তিনিখন বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হাৰ ১০০ শতাংশ

**অসম বাৰ্তা, মাকুম, ২৮ এপ্ৰিল ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত মাকুম অঞ্চলৰ তিনিখন বিদ্যালয় ক্ৰমে মাকুম অশোক নগৰস্থিত বিবেকানন্দ ইংলিছ একাডেমীৰ উত্তীৰ্ণ হাৰ ১০০ শতাংশ, মাকুম গংগা বিচন ছৌখানি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তীৰ্ণ হাৰ ৯৯ শতাংশ আৰু বৰ্দৌচা চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ উত্তীৰ্ণ হাৰ ১০০ শতাংশৰে উত্তীৰ্ণ হৈ বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিলে বিদ্যালয় কেইখনৰ পৰিক্ষাৰ্থী সকলে। বিবেকানন্দ ইংলিছ একাডেমীৰ ১৭ গৰাকী পৰিক্ষাৰ্থীৰ ভিতৰত ডিষ্টিংচন লাভ কৰিছে ২ গৰাকীয়ে, ষ্টাৰ মাৰ্ক ২ গৰাকীয়ে, প্ৰথম বিভাগত ১৩ গৰাকী, আৰু দ্বিতীয় বিভাগত ৪ গৰাকী মুঠ ১৭ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। মাকুম গংগা বিচন ছৌখানি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২১০ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ডিষ্টিংচন লাভ কৰিছে ৩ গৰাকীয়ে, ষ্টাৰ মাৰ্ক ১৪ গৰাকীয়ে, প্ৰথম বিভাগত ৮২ গৰাকী, দ্বিতীয় বিভাগত ১১৩ গৰাকী, তৃতীয় বিভাগত ১৩ গৰাকী মুঠ ২০৮ পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। ইপিনে বৰ্দৌচা চিনিয়ৰ চেকেণ্ডাৰী স্কুলত ৩৫ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ডিষ্টিংচন লাভ কৰিছে ৬ গৰাকীয়ে, ষ্টাৰ মাৰ্ক ৮ গৰাকীয়ে, প্ৰথম বিভাগত ৩৩ গৰাকী, দ্বিতীয় বিভাগত ২ গৰাকী মুঠ ৩৫ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত মাকুম অঞ্চলৰ এই তিনিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ভাল ফলাফল দেখুওৱাত বিদ্যালয় কেইখনৰ কৰ্তৃপক্ষ আৰু শিক্ষাগুৰু সকলৰ লগতে অভিভাৱক-অভিভাৱিকা সকল গৌৰৱান্বিত হোৱা পৰিলক্ষিত হৈছে।

# ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰঙালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৮ এপ্ৰিল ঃ** অসমীয়াৰ প্ৰাণ স্পন্দন, হেঁপাহৰ ৰঙালী বিহু আৰু অসমীয়া নববৰ্ষৰ উপলক্ষত আজি ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলে ৰঙালী বিহু উদযাপন কৰে। এই উপলক্ষে আজি বিদ্যালয়ৰ বাকৰি ঢোল, পেঁপা, গগণা, বাঁহী, টকা, তাল, আদিৰ শব্দৰে মুখৰিত হৈ পৰে। চৌদিশে শুনা যায় উছৱৰ মধু আলোড়নৰ গুঞ্জন। এই উদ্‌যাপনৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰীয়ে। বিদ্যালয়খনৰ শিক্ষক ছানী জোচেফ ধান আৰু ছাত্ৰী তেজস্বিতা মহন্তই আঁত ধৰা অনুষ্ঠানটিত বিদ্যালয়খনৰ শিক্ষক অনিৰ্বাণ দেৱ আৰু শিক্ষয়িত্ৰী দিপীকা দাসে দুটা বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে জেং বিহু, বিহু নাচ, বাঁহী বাদন, হুঁচৰি আদি পৰিৱেশন কৰে। ইয়াৰ উপৰিও অসমীয়া সংস্কৃতিৰ বিভিন্ন উপাদানসমূহ ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে ইয়াৰে কেইপদমান সামগ্ৰী অনুষ্ঠানত প্ৰদৰ্শন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে যাতে নিজৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ শিপাডালৰ পৰা যাতে বিচ্ছিন্ন হৈ নাযায়, সেই উদ্দেশ্যেৰেই প্ৰতি বছৰে বিদ্যালয়খনত এইদৰে ৰঙালী বিহু উদ্‌যাপন কৰি অহা বুলি অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰীয়ে জানিবলৈ দিয়ে। ছাত্ৰী বাৰ্বী শইকীয়াই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটি অসম সংগীতেৰে সামৰণি মৰা হয়। অনুষ্ঠানটিত বহু সংখ্যক অভিভাৱক-অভিভাৱিকাইও অংশগ্ৰহণ কৰে।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতা লংকাৰ জ্ঞানজ্যোতি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ

**অসম বাৰ্তা, লংকা, ২৮ এপ্ৰিল ঃ** হোজাই জিলাৰ খাৰিখানা বৰদলগুস্থিত জ্ঞান জ্যোতি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উজ্জ্বল সফলতা লাভ কৰি পুনৰবাৰ অঞ্চলটোৰ শিক্ষাক্ষেত্ৰত নিজৰ সুনাম অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। এইবাৰ বিদ্যালয়খনৰ মুঠ ৬১জন শিক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ৬১ জনেই উত্তীৰ্ণ হৈ বিদ্যালয়খনে শতভাগ উত্তীৰ্ণতাৰ হাৰ (১০০ শতাংশ) অৰ্জন কৰিছে। ফলাফল অনুসৰি বিদ্যালয়খনৰ ৫জন শিক্ষাৰ্থীয়ে ডিষ্টিংচন, ৫ জনে ষ্টাৰ নম্বৰ লাভ কৰাৰ লগতে মুঠ ২৯টা লেটাৰ নম্বৰ অৰ্জন কৰিছে। ইয়াৰ উপৰিও ১১জন শিক্ষাৰ্থীয়ে প্ৰথম বিভাগ, ৩০ জনে দ্বিতীয় বিভাগ আৰু ২০ জনে তৃতীয় বিভাগ লাভ কৰি বিদ্যালয়খনৰ গৌৰৱ বৃদ্ধি কৰিছে। বিদ্যালয়খনৰ সৰ্বোচ্চ নম্বৰ হৈছে ৯০.২ শতাংশ। উল্লেখযোগ্য যে, বিদ্যালয়খনে কেৱল পৰীক্ষাৰ ফলাফলত সফলতা লাভ কৰাতেই সীমাবদ্ধ নহয়, সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰতো এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। বিশেষকৈ দৰিদ্ৰ আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ বহু ছাত্ৰ-ছাত্ৰীক প্ৰতিবছৰে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত বিনামূলীয়াকৈ নামভৰ্তি কৰাৰ ব্যৱস্থা কৰি বিদ্যালয়খনে শিক্ষাৰ ক্ষেত্ৰত এক বিশেষ উদাহৰণ স্থাপন কৰিছে। এই পদক্ষেপৰ ফলত বহু আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ শিক্ষাৰ্থীয়ে নিজৰ উচ্চ শিক্ষাৰ সপোন পূৰণৰ সুযোগ লাভ কৰিছে। বিদ্যালয়খনৰ অধ্যক্ষ আব্দুল মানাফে এই সফলতাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী আৰু অভিভাৱকসকলক অভিনন্দন জনাই কয় যে, এই সফলতা সকলোৰে একান্ত প্ৰচেষ্টা আৰু সহযোগিতাৰ ফল। তেওঁ লগতে আগন্তুক দিনতো বিদ্যালয়খনে শিক্ষাৰ মান অধিক উন্নত কৰাৰ বাবে কাম কৰি যাব বুলি উল্লেখ কৰে। আনহাতে বিদ্যালয়খনৰ শিক্ষক আবু ছোফিয়ান বেগে অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে কয় যে, জীৱনত সফল হ'বলৈ হ'লে কঠোৰ পৰিশ্ৰমৰ কোনো বিকল্প নাই। নিয়মীয়া অধ্যয়ন, শৃংখলাবদ্ধ জীৱন আৰু আত্মবিশ্বাস থাকিলে যিকোনো লক্ষ্য পূৰণ কৰা সম্ভৱ। শিক্ষাৰ জৰিয়তেই সমাজ আৰু জাতিৰ উন্নয়ন সম্ভৱ। বিদ্যালয়খনৰ এই সাফল্যই সমগ্ৰ অঞ্চলত আনন্দৰ পৰিৱেশ সৃষ্টি কৰিছে আৰু স্থানীয় ৰাইজে বিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে।

# জুয়ে পোৰা সোণ হৈ উজলিল নলবাৰীৰ চিন্ময় পাঠক

**অসম বাৰ্তা, নলবাৰী, ২৮ এপ্ৰিল ঃ** আজি ৰাজ্যজুৰি ঘোষণা কৰা হ'ল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল। এইবাৰ পৰীক্ষাত ৰাজ্যখনৰ তিনিওটা শাখাত মুঠ ৩, ৩০, ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে কলা শাখাত ২, ৪৭, ৮৬৫ গৰাকী, বিজ্ঞান শাখাত ৬১, ৫৬৫ গৰাকী আৰু বাণিজ্য শাখাত ১৯, ৮০৬ গৰাকী পৰীক্ষাৰ্থী আছিল। নলবাৰী জিলাত কলা শাখাত ৬, ৫৫৩, বিজ্ঞান শাখাত ২, ১৮৪ আৰু বাণিজ্য শাখাত ৩৩৮ গৰাকী পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হৈছিল। ফলাফল ঘোষণাৰ লগে লগে জিলাখনৰ বিভিন্ন স্থানত আনন্দৰ পৰিৱেশে বিৰাজ কৰে। পূৱ নলবাৰীৰ ঐতিহাসিক সন্ধ্যা গাঁৱতো আনন্দৰ বন্যা দেখা যায়, য'ত গাঁওখনৰ প্ৰতিভাৱান ছাত্ৰ চিন্ময় পাঠকে উল্লেখযোগ্য সফলতা লাভ কৰিছে। প্ৰয়াত পংকজ পাঠক আৰু দেৱী কলিতাৰ পুত্ৰ চিন্ময় পাঠকে নলবাৰীস্থিত অসম ভেলী একাডেমীৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ কলা শাখাত ৮৭ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। তেওঁৰ বিষয়ভিত্তিক ফলাফল অনুসৰি ৰাজনীতি বিজ্ঞানত ৯১, তৰ্ক বিজ্ঞান আৰু দৰ্শনত ৯১, সমাজশাস্ত্ৰত ৮৭, অসমীয়াত ৮৪, ইংৰাজীত ৮৪ আৰু অৰ্থনীতিত ৮১ নম্বৰ লাভ কৰে। চিন্ময়ৰ এই সাফল্য বিশেষ গুৰুত্ব বহন কৰে, কাৰণ তেওঁ আৰ্থিকভাৱে অতি দুৰ্বল পৰিয়ালৰ পৰা আহিছে। পিতৃ হাৰা চিন্ময়ক মাতৃয়ে অশেষ কষ্ট কৰি মোমায়েকৰ ঘৰত থাকি শিক্ষাৰ সুযোগ প্ৰদান কৰিছিল। সাধাৰণ কেঁচা ঘৰৰ পৰিৱেশত নিয়মিত অধ্যায়ণ কৰি তেওঁ এই সাফল্য অৰ্জন কৰিছে। ভৱিষ্যতে এগৰাকী আদৰ্শ শিক্ষক হ'বলৈ ইচ্ছুক চিন্ময়ে নলবাৰী মহাবিদ্যালয়ত ডিগ্ৰী অধ্যায়ণ আগবঢ়াব বুলি জনায়। তেওঁৰ এই কৃতিত্বত পৰিয়াল, আত্মীয়-স্বজন তথা সমগ্ৰ অঞ্চলবাসীয়ে আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছে। চিন্ময়ৰ এই সফলতাই দেখুৱাইছে যে কঠোৰ পৰিশ্ৰম, ধৈৰ্য আৰু একাগ্ৰতা থাকিলে যিকোনো বাধা অতিক্ৰম কৰি লক্ষ্যত উপনীত হোৱা সম্ভৱ।

# মাজুলীৰ বিদ্যালয়ে বিদ্যালয়ে 'উদয়ণ দি ৰাইজিঙৰ' কন্যা শিশুৰ শিক্ষা আৰু সৱলীকৰণ অভিযান

**অসম বাৰ্তা, বনগাঁও, ২৮ এপ্ৰিল ঃ** ৰাজ্যৰ ৰাজধানী গুৱাহাটীস্থ 'উদয়ণ দি ৰাইজিঙ' ৰাজ্যখনৰ শৈক্ষিক আৰু সামাজিক দায়বদ্ধতাৰ এটি অন্যতম স্বেচ্ছাসেৱী সংগঠন। বিগত ছয় বছৰ ধৰি সংগঠনটিয়ে মাজুলী জিলাত পদাৰ্পণ কৰি জিলা খনৰ কেইবাখনো উচ্চ মাধ্যমিক বিদ্যালত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, মানসিক আৰু বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰি অহাৰ উপৰিও দাৰিদ্ৰ্য মেধাৱী ছাত্ৰীক বাচনীৰ প্ৰক্ৰিয়াৰে শৈক্ষিক জলপানী আগবঢ়াই আহিছে। "কন্যা শিশুৰ শিক্ষা আৰু সৱলীকৰণ" প্ৰকল্পৰ আধাৰত সংগঠনটি বোৱতী বছৰৰ ১৭ - ২৩ এপ্ৰিললৈ মাজুলী শিক্ষাখণ্ডৰ সাত খনকৈ উচ্চ মাধ্যমিক বিদ্যালয়ত "কন্যা শিশুৰ শিক্ষা আৰু সবলীকৰণ" - বিষয়ত বিশেষ অভিযান আৰম্ভ কৰে। 'উদয়ণ দি ৰাইজিঙ'ৰ অন্যতম সদস্যা ড° বন্দনা ভূএগ্ৰা, সদস্য গিৰিশ চন্দ্ৰ শৰ্মা, অমি বৰুৱা সহ তিনিজনীয়া গোটটিয়ে বিদ্যালয় কেইখন ভ্ৰমণ কৰি মাহেকীয়া জলপানীৰ বাবে দশম শ্ৰেণীৰ মুঠ ৪২ গৰাকী দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰী বাছনি কৰে। গোটটিৰ অভিযান কালত স্থানীয় সদস্যা অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেনুমালা দত্তই অংশ গ্ৰহণ কৰে। প্ৰতিখন বিদ্যালয়তে শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক/অভিভাৱিকা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি/সদস্য /সদস্যা, মাতৃ গোট সহ স্থানীয় গণ্য-মান্য বিশিষ্ট, সচেতন ব্যক্তি, সমাজকৰ্মী সকলৰে একোখনিকৈ সভা অনুষ্ঠিত হয়। সভাত বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি, শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰকে আদি কৰি সামাজিক সুৰক্ষা, স্বাস্থ্য সন্মত জীৱন যাপন, যিকোনো বেয়া অভ্যাসৰ পৰা আতৰত থকা, নিষ্ঠা আৰু বিশ্বাসৰে নিজৰ লক্ষ্যৰ প্ৰতি আগবঢ়া- বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হয়। উদয়ণ-দি ৰাইজিঙৰ ফালৰ পৰাও হাতত লোৱা মহান পদক্ষেপক সমবেত ৰাইজে আদৰণী জনায়। উক্ত সভাবোৰত বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ সৰ্বোচ্চ উপস্থিতিৰ ছাত্ৰী সকলক উদয়ণ-দি ৰাইজিঙৰ ফালৰ পৰা এটি পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ উপৰিও চলিত বৰ্ষৰ পৰা এই বিদ্যালয় কেইখনৰ পৰা উত্তীৰ্ণ হৈ পৰৱৰ্তী সময়ত উচ্চতৰ মাধ্যমিক পৰীক্ষাত সৰ্বাধিক নম্বৰ লাভ কৰা প্ৰথম বিভাগত উত্তীৰ্ণ সকলকো উদগনিমুলক পুৰস্কাৰ আগবঢ়োৱাৰ কথা ঘোষনা কৰে। ইতিমধ্যে ২১ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা সপ্তাহ যোৱা অভিযানৰ প্ৰথম দিনা দক্ষিণপাট উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা সভাত প্ৰধান শিক্ষক ফুল কন দত্তই সভাপতিত্ব কৰে। মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াই সভাত উদয়ন দি ৰাইজিঙৰ ভূমিকাক শলাগ লৈ বক্তব্য প্ৰদান কৰে। সংগঠনটিৰ উদ্দেশ্যৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ ছাত্ৰীৰ মাজত পুৰস্কাৰ বিতৰন কৰে। ২৩ এপ্ৰিলত সামৰনী পৰা অভিযানত জিলাখনৰ কৰতিপাৰ উচ্চ মাধ্যমিক, শ্ৰীলুইত উচ্চ মাধ্যমিক বিদ্যালয়, খাৰজান পাৰজন জাতি উচ্চ মাধ্যমিক বিদ্যালয়, দক্ষিণপাট উচ্চ মাধ্যমিক বিদ্যালয়, জকাইবোৱা উচ্চ মাধ্যমিক বিদ্যালয়, উজনি মাজুলী খেৰকটীয়া উচ্চ মাধ্যমিক বিদ্যালয়, পীতাম্বৰ দেৱ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ক সামৰি আগন্তুক বছৰৰ মাহিলী জলপানীৰ বাবে মুঠ ৪২ গৰাকী ছাত্ৰীক বাছনি কৰে। ইয়াকে লৈ জিলাখনত সৰ্বমুঠ ১৬২ গৰাকীলৈ বৃদ্ধি পালে মাহেকীয়া জলপানীৰ বাছনিৰ ছাত্ৰৰ সংখ্যা।

# ২ লাখ ৪৫ হেজাৰ ৰটকাত মঙলদৈত বিক্ৰী এখন গামোচা

**অসম বাৰ্তা, মঙলদৈ, ২৮ এপ্ৰিল ঃ** মঙলদৈৰ পশ্চিম প্ৰান্তৰ ডাঁহী অৰ্জুনতলত শ্ৰী বিষ্ণু মন্দিৰৰ শ্ৰীশ্ৰী বিষ্ণু পূজা আৰু বাৰ্ষিক ৰাইজৰ সভাত অনুষ্ঠিত বাৰ্ষিক হোমযজ্ঞ আৰু ১৬০ সংখ্যক বাৰ্ষিক সভাত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। শনিবাৰ, দেওবাৰ আৰু সোমবাৰে তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বাৰ্ষিক সভাত দেওবাৰে ২ লাখ ৪৫ হেজাৰ ১ টকাত বিক্ৰী হয় এখন বিশেষ গামোচা। স্থানীয় ৰাইজৰ ভাষাত দেৱবসন ৰূপী গামোচাখন নিলামযোগে বিক্ৰী হয়। গামোচাখন সৰ্বোচ্চ ডাকত ক্ৰয় কৰে দৰং জিলা পৰিষদৰ ৰঙামাটি জিলা পৰিষদৰ সদস্য বিতোপন ডেকাই। লক্ষণীয় যে শনিবাৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ডাঁহী অৰ্জুনতল শ্ৰীবিষ্ণুঃ মন্দিৰত অনুষ্ঠিত হৈছেবাৰ্ষিক হোমযজ্ঞ তথা বাইজৰ সবাহ। ১৮৬৬তে স্থাপিত মন্দিৰটোত প্ৰতি বছৰৰ জেঠত ৰাইজৰ সবাহ আয়োজন কৰা হয় যদিও এইবাৰ জেঠমাহ মলমাহৰূপে পৰিগণিত হোৱাত ব'হাগতে ডাঁহীৰ আঠোটা চুবুৰিৰ ৰাইজে সবাহৰ আয়োজন কৰে। ইতিমধ্যে মন্দিৰৰ সভাপতি হৰিদেৱ শৰ্মা আৰু সম্পাদক হিমাংশু ডেকাই প্ৰকাশ কৃৰা অনুসৰি, প্ৰথম দিনা পুৱা ছয় বজাত সামূহিক চাফাই যোগে আৰম্ভহয়। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন, মন্দিৰৰ মূল ধ্বজা উত্তোলন, গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন হয়। দিনৰ ১১ বজাত মন্দিৰৰ ন-পুৰণি কৰ্মীৰ বিশেষ আলোচনা সভা সম্পন্ন হয়। এই সভাৰ আঁত ধৰে মন্দিৰৰ প্ৰাক্তন উপ-সভাপতি প্ৰফুল্ল ডেকাই। আনহাতে, অংশ লৈ বক্তৃতা ৰাখে পূৰ্বৰ বিষয়ববীয়া খড়িধৰ ডেকা, উপেন্দ্ৰ ডেকা, গোলোক ডেকা, বকুল শৰ্মা, কিৰণ ডেকা আদি কে'বাগৰাকী অ বিষয়ববীয়াই। আবেলি ৫-৩০ বজাৰ পৰা বিষ্ণুহোমৰ অধিবাস আৰম্ভ হৈছে আৰু বৰভোটা প্ৰজ্বলন কাৰ্যসূচী ডাঁহী বামুণ্দী সত্ৰৰ সত্ৰাধিকাৰ বশিষ্ঠ দেৱ গোস্বামীয়ে মুকলি কৰিছে। নিশা দুটাকৈ নামুৱৈ দলে পৰিৱেশন কৰে যুঁজৰ নাম। ইপিনে, দেওবাৰে পুৱা সাত বজাত শ্ৰীশ্ৰীবিষ্ণু পূজা আৰম্ভ কৰাৰ পাছত ১০ বজাত শ্ৰীমদ্ভাগৱত দেববসন উন্মোচন আৰু নিলাম পৰ্ব আৰম্ভ হ'ব। এই আকৰ্ষণীয় অনুষ্ঠান মুকলি কৰে সাংবাদিক লুইত নীলডনে। এই কাৰ্যসূচীতে দেৱবসনখন বিতোপন ডেকাই ২ লাখ ৪৫ হেজাৰ ১ টকাত ক্ৰয় কৰে। আনহাতে বিতোপনৰ তুলনাত মাত্ৰ পাঁচ হেজাৰ টকাৰ নিম্ন দৰত ডাক মাৰে পূৰ্বে আমেৰিকাৰ এক মন্দিৰত পূজাৰীৰূপে কৰ্মৰত গোলাপ শৰ্মাই। সবাহৰ এই পৰ্বৰ পাছত আবেলি ওজাপালি পৰিৱেশন কৰাৰ অন্তত প্ৰসাদ বিতৰণ আৰু মঙলদৈৰ বিজেপি প্ৰাৰ্থী নিলিমা দেৱী, মীন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস সমন্বিতে কে'বাগৰাকীকো সম্বৰ্ধনা জনোৱা হয়। আজি শীতলা পূজাসহ আয়তীৰ নাম আৰু মন্দিৰৰ ধ্বজা নি অৱৰোহণৰে তিনিদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰে।

# নলবাৰীৰ অসম ভেলী একাডেমীৰ সফলতাত আনন্দৰ জোৱাৰ



**অসম বাৰ্তা, নলবাৰী, ২৮ এপ্ৰিল ঃ** নলবাৰী চহৰৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ শিক্ষানুষ্ঠান অসম ভেলী একাডেমী, নলবাৰীৰ আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত কলা আৰু বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰী সকলৰ সফলতাই শিক্ষানুষ্ঠান খনত আনন্দৰ জোৱাৰ উঠা পৰিলক্ষিত হৈছে। আজি ঘোষিত ফলাফলত কলা শাখাত ২০২ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগ, ৬৩ গৰাকী শিক্ষাৰ্থীয়ে ডিষ্টিংশ্যন আৰু ৮৭ গৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ মাৰ্ক লাভ কৰিবলৈ সক্ষম হৈছে। একেদৰে বাণিজ্য শাখাৰ ৩৩ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগ, ১৩ গৰাকী শিক্ষাৰ্থীয়ে ডিষ্টিংচন আৰু ১৩ গৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ মাৰ্ক লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ অনুপম বৰ্মা মজুমদাৰে জনোৱা মতে শিক্ষানুষ্ঠান খনৰ পৰা এইবেলি কলা আৰু বাণিজ্য শাখাত সৰ্বমুঠ ২৩৫ গৰাকীয়ে প্ৰথম বিভাগ, ৭৬ গৰাকীয়ে ডিষ্টিংশ্যন আৰু ১০০ গৰাকীয়ে ষ্টাৰ মাৰ্ক লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠান খনৰ এনে সুখবৰে জিলাবাসীক আনন্দিত কৰি তুলিছে। লগতে শিক্ষানুষ্ঠান খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, অভিভাৱক, অভিভাৱিকা, ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষী ৰাইজ উৎফুল্ল হৈ পৰিছে।

# বঙাইগাঁও জিলাত কেন্দ্ৰীয় আই-মাতৃৰ মাণ্ডলীক সভা আৰু মাধৱদেৱৰ জন্মজয়ন্তীৰ প্ৰস্তুতি

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২৮ এপ্ৰিল ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষা -সাহিত্য, অৰ্থনৈতিক, সাংস্কৃতিক সৰ্ববৃহৎ আধ্যাত্মিক অৰাজনৈতিক সংগঠন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পশ্চিম অসমৰ মাতৃ জিলা বঙাইগাঁও জিলা শাখাৰ এক বিশেষ সাধাৰণ সভা আজি কাশীডবাৰ জিলা নামঘৰ তথা কাৰ্য্যালয়ত অনুষ্ঠিত হয়। প্ৰথমতে গুৰু বন্দনাৰে আৰম্ভ হোৱা সভাখনৰ সঞ্চালনা কৰে স্থায়ী জিলা সভাপতি অনিল কুমাৰ ৰায় বাপ আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক নমল শৰণীয়া বাপে। সভাত আগন্তুক ৫৩৮ বৰ্ষৰ শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ পালন আৰু কেন্দ্ৰীয় শিশু আই-মাতৃ কল্যাণ সমিতিৰ পশ্চিম মাণ্ডলিক সভাৰ বিষয়ত খৰচিমাৰী আলোচনা কৰি অহা ৫ জুনত কেন্দ্ৰীয় শিশু আই-মাতৃ কল্যাণ সমিতিৰ সভা আৰু পিছদিনা ৬ জুনত ৫৩৮ বৰ্ষৰ শ্ৰীশ্ৰী মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ ভাগি পালনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰোপৰি আন আন কেইবাটাও সিদ্ধান্ত উক্ত সভাত গ্ৰহণ কৰে। এই সন্দৰ্ভত মূলৰ সদস্য অজিত চৌধুৰী বাপ, সৃজনগ্ৰাম আঞ্চলিক শাখাৰ সম্পাদক নবীন ৰায় বাপ, অভয়াপুৰী আঞ্চলিক শাখাৰ সম্পাদক মাণিক চন্দ্ৰ দাস বাপ, কেন্দ্ৰীয় শিশু আই-মাতৃ কল্যাণ সমিতিৰ কেন্দ্ৰীয় সদস্য স্বৰ্ণলতা বণিক্য আই, জিলা সদস্য প্ৰফুল্ল কুমাৰ দাস বাপ আৰু জিলা আই- মাতৃ কল্যাণ সমিতিৰ সম্পাদিকা গিনীমা দাস আইগৰাকীকে ধৰি কেইবাজনো বাপ-আই য়ে সভাত গঠনমূলক সাৰুৱা ভাষণ দি পৰামৰ্শ আগবঢ়ায়।

প্ৰবীণ সাংবাদিক, সমাজকৰ্মী দ্বীপেন দত্তক 'ধনশিৰি উপত্যকা বঁটা' প্ৰদান

# বৰ্ণাঢ্য কাৰ্যসূচীৰে ৬৫ সংখ্যক গোলাঘাট কেন্দ্ৰীয় বিহু সন্মিলন আৰম্ভ

## 'অসমীয়া জাতি শক্তিশালী কৰাৰ আমি পণ ল'ব লাগিব ঃ সমীৰণ ফুকন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৮ এপ্ৰিল ঃ** উদুলি-মুদুলি পৰিৱেশত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৬৫ সংখ্যক গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন আজিৰে পৰা আৰম্ভ হৈছে। বিভিন্ন ভাষা-ভাষী, জাতি-




জনগোষ্ঠীৰ বিপুল সমাৰেশেৰে আজি মিলন তীৰ্থত পৰিণত হয় গোলাঘাট নগৰৰ ৰাজহুৱা খেলপথাৰৰ জুবিন গাৰ্গ ক্ষেত্ৰ। জাতি-জনগোষ্ঠীৰ স্বকীয় সাংস্কৃতিক দলৰ পাৰ ভগা উছাহেৰে উলিওৱা বিশাল সাংস্কৃতিক শোভাযাত্ৰাই গোলাঘাট নগৰ পৰিভ্ৰমণ কৰি মুখৰিত কৰি তোলে। সাংস্কৃতিক শোভাযাত্ৰা শুভ উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে। উদ্বোধনী ভাষণত তেওঁ কয় যে, বিভিন্ন দুৰ্যোগ, প্ৰত্যাহ্বান, সংগ্ৰামৰ মাজেদি আজিৰ পৰ্যায়ত উপনিত হোৱা অসমীয়া জাতিক অধিক শক্তিশালী কৰাৰ এই বিহুতে আমি পণ ল'ব লাগিব। এটা জাতিৰ স্বকীয় পৰিচয় আৰু ঐতিহ্য ভাষা, সাহিত্য আৰু সংস্কৃতি। অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিক শক্তিশালী ৰূপেৰে আগুৱাই নিলেহে অসমীয়া জাতি শক্তিশালী হ'ব। উদ্‌যাপন সমিতিৰ সভাপতি ড° দেৱজিৎ ফুকনৰ পৌৰাহিত্যত আৰু উদযাপন সমিতিৰ যুটীয়া সম্পাদক মিণ্টু গগৈ, মুখ্য উপদেষ্টা বিশ্বজিৎ গগৈয়ে আঁত ধৰা অনুষ্ঠানত তেওঁ ঐক্যবদ্ধভাৱে সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বিহু মঞ্চই জাতি-জনগোষ্ঠী সমূহৰ মাজত সদভাৱ, ঐক্য আৰু সম্প্ৰীতি কটকটীয়া কৰি সমন্বয়ৰ বাৰ্তাৰে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া শক্তিশালী কৰা বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ পূৰ্বে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰবীণ সাংবাদিক, সমাজকৰ্মী, গোলাঘাটৰ সমাজ জীৱনৰ পুৰোধা দ্বীপেন দত্তক সন্মিলনৰ তৰফৰ পৰা 'ধনশিৰি উপত্যকা বঁটা' প্ৰদান কৰা হয়। বিশিষ্ট সমাজকৰ্মী, গোলাঘাট পৌৰ সভাৰ প্ৰাক্তন পৌৰপতি ৰাজেন বৰা উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বঁটা প্ৰদান কৰে। অনুষ্ঠানত উদযাপন সমিতিৰ মুখ্য উপদেষ্টা ক্ৰমে পূৰ্ণ ৰাজখোৱা, দিগন্ত কুমাৰ ভূএগ্ৰা, ড° নৃপেন বৰুৱা, টংকেশ্বৰ পাঠক, পৱন শইকীয়া, বিশ্বজিৎ শইকীয়া, যতীন বৰা, পৰীক্ষিত দত্ত, দ্বীজেন বৰা, বিপুল দাস, অতুল গগৈ, পাৰ্থজ্যোতি বৰা, জিতুল ৰাজখোৱা, কাৰ্যকৰী সভাপতি মুন্না আহমেদ, যুটীয়া সম্পাদক অংশুমান বৰুৱা, বিশিষ্ট শিক্ষাবিদ ড° পুতুল শইকীয়া, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক নিপন গগৈ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ আদিয়ে অংশগ্ৰহণ কৰে। গুৰু সেৱা অনুষ্ঠানত গোলাঘাটৰ বহু সংখ্যক বয়োজ্যেষ্ঠ লোকে অংশগ্ৰহণ কৰে। জনগোষ্ঠীয় কৃষ্টি সমাৰোহ শুভ উদ্বোধন কৰে সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈয়ে। বিমুন বৰা সোৱঁৰণী মুখ্য তোৰণ উন্মোচন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি আৰু প্ৰয়াত বিমুন বৰাৰ পৰিয়ালবৰ্গই। জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়( স্বায়ত্ব শাসিত)ৰ অধ্যক্ষ ড° জয়ন্ত বাৰুকিয়ালে। নলিনীৰঞ্জন বৰুৱা সোঁৱৰণী মঞ্চ আৰু প্ৰবীণ সাংবাদিক অপূৰ্ব কুমাৰ বৰুৱা সোঁৱৰণী মণ্ডপ উদ্বোধন কৰে প্ৰয়াতদ্বয়ৰ পৰিয়ালবৰ্গই। পুৱভাগত উদ্‌যাপন সমিতিৰ সভাপতি ড° দেৱজিৎ ফুকনে পতাকা উত্তোলনৰে তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰ পাতনি মেলে। স্মৃতি তৰ্পণ কৰে উদযাপন সমিতিৰ যুটীয়া সম্পাদকদ্বয় মিণ্টু গগৈ আৰু অংশুমান বৰুৱাই। নিশা আৰম্ভ হয় বৰহমথুৰিখ্যাত বৰবিহুৱতী প্ৰতিযোগিতা আৰু অসম ভিত্তিত হুঁচৰি প্ৰতিযোগিতা।

## ৪ বছৰীয়া কন্যাক ডিঙি কাটি হত্যা কৰি আত্মহত্যাৰ চেষ্টা মাতৃৰ

# ডিমৌত শিহৰণকাৰী ঘটনা

**অসম বাৰ্তা, ডিমৌ, ২৮ এপ্ৰিল ঃ** ডিমৌৰ খৰাহাট বঙালাগুৱী অঞ্চলত আজি এক জঘন্য তথা মৰ্মান্তিক হত্যাকাণ্ডই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এগৰাকী মাতৃয়ে নিজৰ চাৰি বছৰীয়া কন্যাক ডিঙি কাটি নৃশংসভাৱে হত্যা কৰাৰ পাছত নিজেও ডিঙি ৰেপি আত্মহত্যাৰ চেষ্টা চলোৱা ঘটনাই সকলোকে স্তব্ধ কৰি তুলিছে। প্ৰাপ্ত খবৰ অনুসৰি, খৰাহাট বঙালাগুৱী নিবাসী ৰণ্টু কালন্দীৰ পত্নী কল্পনা কালন্দীয়ে আজি কোনো এক নুবুজা কাৰণত নিজৰ ৪ বছৰীয়া কন্যাক ঘৰৰ ভিতৰতে ডিঙি কাটি হত্যা কৰে। নিৰ্বোধ কন্যাক হত্যা কৰাৰ পাছতেই মহিলাগৰাকীয়ে নিজেও ডিঙি ৰেপি জীৱন শেষ কৰাৰ চেষ্টা চলায়। কি পৰিস্থিতিত বা কেনে মানসিক চাপত মাতৃগৰাকীয়ে নিজ সন্তানৰ প্ৰতি এনে ভয়ংকৰ চৰম পথ বাছি ল'লে, সেই বিষয়ে এতিয়াও স্পষ্ট হোৱা নাই। ঘটনা সন্দৰ্ভত খবৰ পোৱাৰ লগে লগে ডিমৌ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ শিশুটিৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে অভিযুক্ত মাতৃগৰাকীক কৰায়ত্ত কৰে। আৰক্ষীয়ে ইতিমধ্যে ঘটনা সন্দৰ্ভত তদন্ত অধিক তীব্ৰতৰ কৰি তুলিছে। এগৰাকী জননীয়ে নিজ সন্তানৰ প্ৰতি গ্ৰহণ কৰা এনে নিষ্ঠুৰ তথা আত্মঘাতী কাৰ্যই সমগ্ৰ ডিমৌ অঞ্চলতে গভীৰ শোকৰ ছাঁ পেলাইছে।

# গেলেকীত সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিলে ইছলামধৰ্মী লোকে

**অসম বাৰ্তা, গেলেকী, ২৮ এপ্ৰিল ঃ** নাজিৰা সম-জিলাৰ অন্তৰ্গত গেলেকীৰ কলগাঁও চতুৰা চাপৰিত সম্প্ৰীতিৰ এক নিদৰ্শন দাঙি ধৰিলে স্থানীয় ইছলামধৰ্মী লোকে। উল্লেখ্য যে গেলেকীৰ হাতীপটিৰ চতুৰাচাপৰিত বহু বছৰ পূৰ্বৰে পৰা হিন্দু ধৰ্মৰ এঘৰ লোক বসবাস কৰি আহিছে স্থানীয় ইছলামধৰ্মী লোকৰ মাজত। পৰিয়ালটোৰ মুৰব্বী ললিত চাহু নামৰ এজন লোক। স্থানীয় ইছলামধৰ্মী লোকসকলৰ লগত ভাতৃত্ব সূলভ মনোভাৱেৰে দিন অতিবাহিত কৰি আহিছে পৰিয়ালটোৱে। পৰিয়ালটোৰ আপদে বিপদে স্থানীয় ইছলামধৰ্মী লোকসকলে সদায় সহায়ৰ হাত আগবঢ়ায় আহিছে বুলি জানিব পৰা গৈছে। কেতিয়াও এই অঞ্চলৰ লোকসকলৰ মাজত সাম্প্ৰদায়িক মনোভাৱ জাগ্ৰত হোৱা নাই আজিলৈকে। যোৱা কালি নিশা ভাগত চতুৰা চাপৰিৰ ললিত চাহুৰ পত্নীৰ প্ৰতিমা চাহুৰ (৬০) উচ্চৰক্তচাপ জনিত কাৰণত মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। নিশা এই ঘটনা হোৱাৰ বাবে অকলশৰীয়া পৰিয়ালটো সমস্যাত পৰে। নিজৰ জ্ঞাতি লোকক খবৰ দিবলৈও নিশা বহু পৰ হৈছিল তেতিয়া। বতৰো প্ৰতিকূল সেই সময়ত। এই খবৰ পোৱাৰ লগে লগেই স্থানীয় ইছলামধৰ্মী লোকসকল আহি ওৰে নিশা অসহায় ব্যক্তিঘৰত কটায়। ইফালে ললিত চাহুৰ পৰিয়ালটোৱে অন্তিম সংস্কাৰৰ বিভিন্ন কাম কাজ কৰাৰ ক্ষেত্ৰতো অসুবিধাত পৰে। তেনে সময়তে স্থানীয় ইছলামধৰ্মী লোকসকল আগবাঢ়ি আহি মহিলা গৰাকীৰ সংকাৰৰ বাবে সহায় সহযোগিতা আগবঢ়াই সংকাৰৰ বাবে প্ৰয়োজনীয় যাৱতীয় কাম কাজ কৰি দিয়ে। স্থানীয় ইছলামধৰ্মী লোকসকলৰ তৎপৰতাত মহিলাগৰাকীক সংকাৰ কৰা হয়। সংকাৰৰ পিছতেই স্থানীয় লোকসকলে আগবঢ়োৱা সহায়ৰ বাবে ধন্যবাদ জ্ঞাপন কৰে ললিত চাহুৰ পৰিয়ালবৰ্গই। গেলেকীৰ চতুৰাচাপৰিল ইছলামধৰ্মী লোকৰ এই পদক্ষেপে পুনৰ সম্প্ৰীতিৰ এক নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে।

## সম্পাদকীয়

# শূন্য ফলাফলৰ ৪৯খন বিদ্যালয়ৰ এফিলিয়েচন বাতিল

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ প্ৰেক্ষাপটত গ্ৰহণ কৰা শূন্য ফলাফলৰ ৪৯খন বিদ্যালয়ৰ এফিলিয়েচন বাতিলকৰণৰ সিদ্ধান্তটো অসমৰ শিক্ষা জগতত এক বিতৰ্কৰ সূচনা কৰিছে। লগতে ০-১০ শতাংশ উত্তীৰ্ণ হাৰ থকা ৩০৯খন বিদ্যালয়ৰ প্ৰধান শিক্ষকক সতৰ্ক কৰি দিয়া হৈছে। এই কঠোৰ পদক্ষেপসমূহে শিক্ষাৰ গুণগত মানোন্নয়নৰ প্ৰয়াস বুলি ক'ব পাৰি নে নিষ্কৰ্ষ সিদ্ধান্ত? সাধাৰণ মানুহৰ মনত এই প্ৰশ্নই ঠাই পাইছে।

একাংশই এই সিদ্ধান্তক স্বাগতম জনাইছে। কাৰণ পৰীক্ষাত সম্পূৰ্ণ শূন্য ফলাফল হোৱাটো বিদ্যালয় পৰিচালনা আৰু শিক্ষকতাৰ চৰম ব্যৰ্থতা। এনে বিদ্যালয় চলি থাকিলে শিক্ষাৰ নামত কেৱল অনিয়ম আৰু ছাত্ৰ-ছাত্ৰীৰ অমূল্য সময় নষ্ট হয়। এফিলিয়েচন বাতিলে ভৱিষ্যতে অন্যান্য বিদ্যালয়ক দায়িত্বশীল হ'বলৈ বাধ্য কৰিব। নতুন নিয়ম অনুসৰি প্ৰতিটো বিষয়ত ন্যূনতম ৩৩ক্ম নম্বৰ বাধ্যতামূলক কৰাটোৱে ছাত্ৰ-ছাত্ৰীক অধ্যৱসায়ী কৰি তোলাৰ ক্ষেত্ৰত সঠিক পদক্ষেপ। ই-মাইগ্ৰেচন চাৰ্টিফিকেট আধা ঘণ্টাৰ ভিতৰত দিয়া, উত্তৰপত্ৰ পুনৰীক্ষণৰ অনলাইন ব্যৱস্থা আদি আধুনিক আৰু সময়োচিত।

কিন্তু সম্পূৰ্ণ শূন্য ফলাফলৰ বাবদ কেৱল বিদ্যালয়ৰ এফিলিয়েচন বাতিল কৰাটোৱেই প্ৰকৃত সমাধান নে? প্ৰশ্ন উঠে— ইমানদিনে এই বিদ্যালয়সমূহ পৰিদৰ্শন আৰু নিয়ন্ত্ৰণৰ দায়িত্বত থকা শিক্ষা বিভাগৰ বিষয়াসকলে চকু দিছিলনে? নিয়মীয়া পৰিদৰ্শনৰ অভাৱ, শিক্ষকৰ অনুপস্থিতি, পুৰণি পাঠদানৰ পদ্ধতিৰ আদি কাৰণ পৰীক্ষা কৰি প্ৰতিকাৰৰ ব্যৱস্থা কৰাটো ক্ষমতাপ্ৰাপ্ত বিভাগৰ প্ৰথম কৰ্তব্য। শূন্য ফলাফলৰ বিদ্যালয়বোৰৰ ছাত্ৰ-ছাত্ৰীয়ে এই বছৰত পৰীক্ষা দিছে। তেওঁলোকৰ ভৱিষ্যতৰ কথা চিন্তা কৰি বিকল্প ব্যৱস্থা - যেনে অন্য বিদ্যালয়ত নামভৰ্তিৰ ব্যৱস্থা, বিশেষ যত্ন কাৰ্যসূচী - নিশ্চিত কৰাটো পৰিষদৰ নৈতিক দায়িত্ব।

আন একাংশই লগতে সন্দেহ প্ৰকাশ কৰিছে যে দুটাতকৈ অধিক বিষয়ত অনুত্তীৰ্ণ হ'লে পুনৰ নামভৰ্তি বাধ্যতামূলক কৰা নিয়মটো প্ৰায়োগিক ক্ষেত্ৰত কেনেকৈ ৰূপায়িত হয়? বিদ্যালয়ে যদি নামভৰ্তি অস্বীকাৰ কৰে তেন্তে ছাত্ৰজনে ক'ত পঢ়িব? গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অনলাইন উত্তৰপত্ৰ পুনৰীক্ষণ আৰু ই-মাইগ্ৰেচনৰ প্ৰযুক্তিগত সুবিধা নিশ্চিত কৰাটো কেনেকৈ সম্ভৱ হ'ব? দুই দিনৰ ভিতৰত উত্তৰপত্ৰ পুনৰীক্ষণৰ লিংক মুকলি কৰি দিলে দাবীৰ চাপ বৃদ্ধি পাব পাৰে, যাৰ ফলত আৰ্থিক আৰু মানসিক ভাৰ নিবনুৱা পৰিয়ালবোৰৰ ওপৰত পৰিব।

শেষত ক'ব লগীয়া যে চৰকাৰী বিদ্যালয়ৰ আন্তঃগাঁথনিৰ দুৰ্দশা, শিক্ষকৰ অভাৱ, দৰিদ্ৰতা, স্কুল এৰি দিয়া সমস্যাৰ স্থায়ী সমাধান নোহোৱাকৈ কেৱল এফিলিয়েচন বাতিল বা নিয়মৰ পৰিৱৰ্তনে শিক্ষাৰ প্ৰকৃত উন্নয়ন নাহে। সেয়া এক গভীৰ সত্য। গতিকে শিক্ষা পৰিষদ আৰু চৰকাৰে যাতে কেৱল শাস্তিমূলক ব্যৱস্থাৰ বিনিময়তে নিৰাময়মূলক আৰু অন্তৰ্ভুক্তিমূলক নীতি গ্ৰহণ কৰে— আশা কৰোঁ এই পদক্ষেপসমূহ অসমৰ শিক্ষাক দিশ দিয়ক, নিষ্কৰ্ষ নহওক।



অসমৰ দৰে কৃষিভিত্তিক সমাজত সাপ্তাহিক বা থলুৱা বজাৰসমূহ কেৱল কিনা-বেচাৰ কেন্দ্ৰ নহয়, বৰঞ্চ গ্ৰাম্য অৰ্থনীতিৰ প্ৰাণকেন্দ্ৰ। থলুৱা বিক্ৰেতাসকলৰ পৰা সামগ্ৰী ক্ৰয় কৰিলে স্থানীয় উৎপাদনকাৰী আৰু কৃষকসকল পোনপটীয়াকৈ উপকৃত হয়। এনে বজাৰত গ্ৰাহক আৰু বিক্ৰেতাৰ মাজত যি এক আন্তৰিক আৰু বিশ্বাসৰ সম্পৰ্ক গঢ়ি উঠে, সেয়া আধুনিক মল (Mall) বা অনলাইন বজাৰত বিৰল। থলুৱা বজাৰৰ উত্তৰণে স্বাৱলম্বী অসমৰ ভেটি মজবুত কৰাত বিশেষ সহায় কৰে। বৰ্তমানৰ ডিজিটেল যুগত বজাৰ ব্যৱস্থাই এক নতুন মাত্ৰা লাভ কৰিছে। ই-কমাৰ্চ বা অনলাইন শ্বপিং বৰ্তমান জনপ্ৰিয় হৈ পৰিছে। এই ক্ষেত্ৰত গ্ৰাহকৰ দায়িত্ব আৰু অধিক বৃদ্ধি পাইছে। অনলাইনত সামগ্ৰী ক্ৰয় কৰোঁতে চছিয়েল মিডিয়াৰ মুখৰোচক বিজ্ঞাপনত ভোল নগৈ ৱেবছাইটটোৰ বিশ্বাসযোগ্যতা পৰীক্ষা কৰা, আন গ্ৰাহকৰ মতামত পঢ়া আৰু সুৰক্ষিত পেমেণ্ট পদ্ধতি ব্যৱহাৰ কৰাটো অত্যন্ত জৰুৰী।


# বজাৰ ব্যৱস্থাত গ্ৰাহক আৰু বিক্ৰেতাৰ ভূমিকা

আধুনিক অৰ্থনীতি আৰু সমাজ ব্যৱস্থাত 'গ্ৰাহক' আৰু 'বিক্ৰেতা' শব্দ দুটা এটা মুদ্ৰাৰ ইপিঠি-সিপিঠিৰ দৰে। সাধাৰণ অৰ্থত- যিজন ব্যক্তিয়ে নিজৰ প্ৰয়োজন পূৰণৰ বাবে নিৰ্দিষ্ট মূল্যৰ বিনিময়ত কোনো সামগ্ৰী বা সেৱা ক্ৰয় কৰে, তেওঁকেই গ্ৰাহক বা উপভোক্তা বুলি কোৱা হয়। আনহাতে, যিজনে এই চাহিদা অনুসৰি সামগ্ৰীৰ যোগান ধৰে, তেৱেঁই হ'ল বিক্ৰেতা। বৰ্তমানৰ প্ৰতিযোগিতামূলক বজাৰখনত এই দুই পক্ষৰ মাজৰ সম্পৰ্কটো কেৱল টকা-পইচাৰ আদান-প্ৰদানতে সীমাবদ্ধ নহয়, বৰঞ্চ ই এক গভীৰ সামাজিক আৰু নৈতিক দায়িত্বৰ ওপৰত প্ৰতিষ্ঠিত। এজন সন্তুষ্ট গ্ৰাহক আৰু এজন নিষ্ঠাবান বিক্ৰেতাৰ মাজত গঢ়ি উঠা পাৰস্পৰিক বিশ্বাস আৰু আস্থাই হ'ল- এখন সুস্থ বজাৰৰ মূল ভেটি।

বজাৰৰ মূল চালিকা শক্তি হিচাপে গ্ৰাহকক সাধাৰণতে 'ভগবান' বুলি অভিহিত কৰা হয়। কাৰণ-গ্ৰাহক হ'ল ব্যৱসায়ৰ মূল ভেটি। গ্ৰাহকৰ সন্তুষ্টিৰ ওপৰত দোকানৰ সফলতা নিৰ্ভৰ কৰে। প্ৰতিজন গ্ৰাহকৰ অধিকাৰ আৰু তেওঁলোকৰ বিশ্বাস সুদৃঢ় কৰাটো বিক্ৰেতাৰ বাবে গুৰুত্বপূৰ্ণ। কিন্তু ইয়াৰ সমান্তৰালভাৱে এজন গ্ৰাহকৰ কিছুমান গুৰুত্বপূৰ্ণ দায়িত্বও থাকে। এজন সচেতন গ্ৰাহকে যিকোনো সামগ্ৰী ক্ৰয় কৰাৰ আগতে তাৰ গুণগত মান, নিৰ্মাণৰ তাৰিখ আৰু ব্যৱহাৰযোগ্যতাৰ ম্যাদ (Expiry date) সূক্ষ্মভাৱে পৰীক্ষা কৰি লোৱাটো অতি প্ৰয়োজনীয়। কেৱল সামগ্ৰী ক্ৰয় কৰি মূল্য পৰিশোধ কৰিলেই দায়িত্ব শেষ নহয়। ভৱিষ্যতে কোনো বিসংগতিৰ সৃষ্টি হ'লে আইনী সুৰক্ষা লাভৰ বাবে বিক্ৰেতাৰ পৰা সঠিক কেচ মেম' বা ৰচিদ সংগ্ৰহ কৰাটো গ্ৰাহকৰ এক অপৰিহাৰ্য কৰ্তব্য। তদুপৰি, বজাৰত চলি থকা ভুৱা বিজ্ঞাপন বা প্ৰলোভনৰ পৰা আঁতৰি থাকি নিজৰ অধিকাৰৰ প্ৰতি সজাগ হোৱাটো এজন দায়িত্বশীল গ্ৰাহকৰ লক্ষণ। গ্ৰাহক হিচাপে নিজৰ শক্তি অনুভৱ কৰিবলৈ ভাৰতীয় সংবিধান আৰু আইন অনুযায়ী স্বীকৃত ছয়টা মৌলিক অধিকাৰৰ বিষয়ে জনাটো জৰুৰী। এইসমূহ হ'ল-

১) সুৰক্ষাৰ অধিকাৰ-জীৱন আৰু সম্পত্তিৰ বাবে হানিকাৰক সামগ্ৰীৰ বিৰুদ্ধে সুৰক্ষা লাভ কৰা। ২) তথ্য জনাৰ অধিকাৰ-সামগ্ৰীৰ গুণগত মান, বিশুদ্ধতা, মূল্য আৰু মানদণ্ডৰ বিষয়ে সবিশেষ জনাৰ অধিকাৰ। ৩) পচন্দ কৰাৰ অধিকাৰ-প্ৰতিযোগিতামূলক বজাৰত নিজৰ পচন্দ অনুসৰি সামগ্ৰী নিৰ্বাচন কৰিব পৰা সুবিধা। ৪) শুনানিৰ অধিকাৰ- গ্ৰাহকৰ স্বাৰ্থৰ সৈতে জড়িত সমস্যাসমূহ উপযুক্ত মঞ্চত উত্থাপন কৰাৰ সুযোগ। ৫)বিসংগতি দূৰীকৰণৰ অধিকাৰ- অনুচিত বাণিজ্যিক কাৰ্যকলাপ বা শোষণৰ বিৰুদ্ধে ক্ষতিপূৰণ বা ন্যায় লাভ কৰা। ৬)গ্ৰাহক শিক্ষাৰ অধিকাৰ- এজন সজাগ গ্ৰাহক হ'বলৈ প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা আহৰণ কৰা।

গ্ৰাহকৰ অধিকাৰক অধিক সুৰক্ষিত কৰিবলৈ ভাৰত চৰকাৰে ১৯৮৬ চনৰ পুৰণি আইনখন সংশোধন কৰি 'গ্ৰাহক সুৰক্ষা আইন-২০১৯' বলবৎ কৰিছে। এই নতুন আইনখনৰ কেইটামান উল্লেখযোগ্য দিশ হ'ল- ১) কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণ- গ্ৰাহকৰ অধিকাৰ উলংঘা, অনুচিত বাণিজ্যিক নীতি আৰু ভূৱা বিজ্ঞাপনৰ ওপৰত চকু ৰাখিবলৈ এই শক্তিশালী সংস্থাটো গঠন কৰা হৈছে। এই সংস্থাই নিজাববীয়াকৈ তদন্ত চলোৱাৰ ক্ষমতা ৰাখে। ২) উৎপাদনকাৰীৰ দায়বদ্ধতা- যদি কোনো সামগ্ৰীৰ বিসংগতিৰ বাবে গ্ৰাহকৰ দৈহিক বা মানসিক ক্ষতি হয়, তেন্তে কেৱল বিক্ৰেতাই নহয়, উৎপাদনকাৰী প্ৰতিষ্ঠানেও ক্ষতিপূৰণ দিবলৈ বাধ্য। ৩) বিভ্ৰান্তিকাৰী বিজ্ঞাপনৰ বাবে দণ্ড- ভুৱা বিজ্ঞাপনৰ জৰিয়তে গ্ৰাহকক প্ৰলোভিত কৰিলে এতিয়া কেৱল কোম্পানীটোৱেই নহয়, সেই বিজ্ঞাপনত অংশ লোৱা তাৰকাসকলো (Celebrities) জবাবদিহি হ'ব লাগে। ৪)ই-কমাৰ্চৰ নিয়ন্ত্ৰণ-অনলাইন বজাৰসমূহক এই আইনৰ আওতালৈ আনি গ্ৰাহকৰ ব্যক্তিগত তথ্যৰ সুৰক্ষা আৰু সামগ্ৰীৰ উৎস উল্লেখ কৰাটো বাধ্যতামূলক কৰা হৈছে।



নলিনী ৰঞ্জন ভূঞা

এই নতুন আইনে গ্ৰাহকক কেৱল পাৰম্পৰিক বজাৰতে নহয়, বৰঞ্চ অনলাইন বজাৰ আৰু টেলিমাৰ্কেটিংৰ ক্ষেত্ৰতো সুৰক্ষা প্ৰদান কৰে। এই আইনৰ অধীনত কোনো সামগ্ৰীৰ বিসংগতি থাকিলে বা বিক্ৰেতাৰ দ্বাৰা প্ৰৱঞ্চিত হ'লে গ্ৰাহকে অতি সহজতে জিলা, ৰাজ্য বা ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰাহক আদালতত গোচৰ তৰিব পাৰে। ভূৱা বিজ্ঞাপনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ আৰু ই-কমাৰ্চ প্ৰতিষ্ঠানসমূহক জবাবদিহি কৰাটো এই আইনৰ এক উল্লেখযোগ্য দিশ।

সমান্তৰালভাৱে, এজন বিক্ৰেতাৰ ভূমিকাও সমাজত অত্যন্ত সংবেদনশীল। ব্যৱসায়িক মুনাফা অৰ্জন কৰাটো স্বাভাৱিক হ'লেও নীতি-বিৱৰ্জিত উপায়েৰে গ্ৰাহকক ঠগোৱাটো কেতিয়াও কাম্য নহয়। এজন নিষ্ঠাবান বিক্ৰেতাই সদায় সামগ্ৰীৰ সঠিক গুণগত মান অক্ষুণ্ণ ৰখাৰ লগতে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া সৰ্বোচ্চ খুচুৰা মূল্য (MRP) মানি চলা উচিত। সঠিক জোখ-মাপ আৰু গ্ৰাহকৰ সৈতে কৰা সু-ব্যৱহাৰেই এজন বিক্ৰেতাৰ ব্যৱসায়িক সফলতাৰ মূল চাবিকাঠী। বিশেষকৈ খাদ্যবস্তু বা ঔষধৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ষেত্ৰত বিক্ৰেতাৰ সততাই গ্ৰাহকৰ জীৱন আৰু স্বাস্থ্যৰ সুৰক্ষা নিশ্চিত কৰে।

বজাৰ ব্যৱস্থাত নৈতিকতাৰ অভাৱ হ'লে গ্ৰাহক চৰম দুৰ্ভোগৰ সন্মুখীন হয়। বহু সময়ত অসাধু বিক্ৰেতাই অধিক মুনাফাৰ আশাত অত্যাৱশ্যকীয় সামগ্ৰীৰ কৃত্ৰিম নাটনি সৃষ্টি কৰি 'ক'লা বজাৰ' গঢ়ি তোলে। বিশেষকৈ উৎসৱ বা জৰুৰীকালীন সময়ত বস্তুৰ মূল্য বঢ়াই দি গ্ৰাহকক শোষণ কৰা দেখা যায়। একেদৰে, খাদ্যবস্তুত ভেজাল মিহলি কৰাটো কেৱল অপৰাধেই নহয়, ই মানৱ সমাজৰ প্ৰতি এক ডাঙৰ ভাবুকি। এজন দায়িত্বশীল বিক্ৰেতাই সমাজৰ প্ৰতি থকা এই নৈতিক দায়বদ্ধতা স্বীকাৰ কৰিলেহে সুস্থ অৰ্থনীতি গঢ়ি উঠিব পাৰে।

অসমৰ দৰে কৃষিভিত্তিক সমাজত সাপ্তাহিক বা থলুৱা বজাৰসমূহৰ গুৰুত্ব অপৰিসীম। এই বজাৰসমূহ কেৱল কিনা-বেচাৰ কেন্দ্ৰ নহয়, বৰঞ্চ গ্ৰাম্য অৰ্থনীতিৰ প্ৰাণকেন্দ্ৰ। থলুৱা বিক্ৰেতাসকলৰ পৰা সামগ্ৰী ক্ৰয় কৰিলে স্থানীয় উৎপাদনকাৰী আৰু কৃষকসকল পোনপটীয়াকৈ উপকৃত হয়। এনে বজাৰত গ্ৰাহক আৰু বিক্ৰেতাৰ মাজত যি এক আন্তৰিক আৰু বিশ্বাসৰ সম্পৰ্ক গঢ়ি উঠে, সেয়া আধুনিক মল (Mall) বা অনলাইন বজাৰত বিৰল। থলুৱা বজাৰৰ উত্তৰণে স্বাৱলম্বী অসমৰ ভেটি মজবুত কৰাত বিশেষ সহায় কৰে।

বৰ্তমানৰ ডিজিটেল যুগত বজাৰ ব্যৱস্থাই এক নতুন মাত্ৰা লাভ কৰিছে। ই-কমাৰ্চ বা অনলাইন শ্বপিং বৰ্তমান জনপ্ৰিয় হৈ পৰিছে। এই ক্ষেত্ৰত গ্ৰাহকৰ দায়িত্ব আৰু অধিক বৃদ্ধি পাইছে। অনলাইনত সামগ্ৰী ক্ৰয় কৰোঁতে চছিয়েল মিডিয়াৰ মুখৰোচক বিজ্ঞাপনত ভোল নগৈ ৱেবছাইটটোৰ বিশ্বাসযোগ্যতা পৰীক্ষা কৰা, আন গ্ৰাহকৰ মতামত পঢ়া আৰু সুৰক্ষিত পেমেণ্ট পদ্ধতি ব্যৱহাৰ কৰাটো অত্যন্ত জৰুৰী। বিক্ৰেতাৰ ক্ষেত্ৰতো ডিজিটেল লেনদেনত স্বচ্ছতা বজাই ৰখা আৰু গ্ৰাহকৰ ব্যক্তিগত তথ্যৰ গোপনীয়তা সুৰক্ষিত কৰাটো এক নৈতিক দায়িত্ব হৈ পৰিছে।

বৰ্তমানৰ গোলকীকৰণৰ যুগত অতিৰিক্ত বিজ্ঞাপনৰ প্ৰভাৱত গ্ৰাহকৰ পচন্দ আৰু অভ্যাস দ্ৰুতগতিত সলনি হৈছে। বহুজাতিক কোম্পানীসমূহৰ আকৰ্ষণীয় বিজ্ঞাপনে গ্ৰাহকক প্ৰায়ে প্ৰয়োজনতকৈ অধিক সামগ্ৰী ক্ৰয় কৰিবলৈ বাধ্য কৰে। এনে পৰিপ্ৰেক্ষিতত, 'বিবেচক গ্ৰাহক' (Rational Consumer) হোৱাটো অতি প্ৰয়োজনীয়। বিজ্ঞাপনৰ চমক আৰু বাস্তৱৰ গুণগত মানৰ পাৰ্থক্য বুজি পোৱাটোৱেই বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।

বৰ্তমান সময়ত এগৰাকী সজাগ গ্ৰাহকৰ দায়িত্ব কেৱল সামগ্ৰী ক্ৰয়তে সীমাবদ্ধ নহয়, পৰিৱেশৰ প্ৰতি থকা দায়বদ্ধতাও ইয়াৰ এক অবিচ্ছেদ্য অংগ। প্লাষ্টিকৰ কেৰী বেগৰ সলনি কাপোৰৰ মোনা ব্যৱহাৰ কৰা, পৰিৱেশ অনুকূল সামগ্ৰীক অগ্ৰাধিকাৰ দিয়া আৰু অপ্ৰয়োজনীয় অপচয় ৰোধ কৰাটো এগৰাকী আধুনিক গ্ৰাহকৰ লক্ষণ। বিক্ৰেতাসকলেও পৰিৱেশৰ ক্ষতি কৰা সামগ্ৰীৰ বিক্ৰী হ্ৰাস কৰি বহনক্ষম আৰু প্ৰকৃতিবান্ধৱ ব্যৱসায়িক নীতি গ্ৰহণ কৰা উচিত।

পৰিশেষত ক'ব পাৰি যে, গ্ৰাহক আৰু বিক্ৰেতাৰ মাজত থকা এই নিবিড় সম্পৰ্কই সমাজৰ অৰ্থনৈতিক চক্ৰটোক গতিশীল কৰি ৰাখে। যিখন বজাৰত গ্ৰাহক নিজৰ অধিকাৰৰ প্ৰতি সচেতন আৰু বিক্ৰেতা নিজৰ দায়িত্বৰ প্ৰতি নিষ্ঠাবান, সেইখন বজাৰত প্ৰৱঞ্চনাৰ স্থান নাথাকে। সেয়েহে, এখন শোষণমুক্ত আৰু নিকা বজাৰ ব্যৱস্থা গঢ়ি তুলিবলৈ হ'লে দুয়ো পক্ষৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু নৈতিকতাৰ প্ৰসাৰ হোৱাটো অত্যন্ত জৰুৰী। কেৱল আইনৰ দ্বাৰা নহয়, বৰঞ্চ সামাজিক দায়বদ্ধতাৰ জৰিয়তেহে এখন সুস্থ বজাৰ গঢ়ি তোলাটো সম্ভৱপৰ।

# পশ্চিম এছিয়াৰ যুদ্ধৰ প্ৰভাৱ আৰু ভাৰতৰ অৰ্থনীতিৰ ভৱিষ্যত

কবিতা নাথ

ভাৰতীয় অৰ্থনীতিৰ সুৰক্ষা আৰু বিকাশৰ প্ৰাথমিক ভেটি হিচাপে পৰিচিত আঠটা মূল আন্তঃগাঁথনি খণ্ডই (যেনে- কয়লা, খাৰুৱা তেল, প্ৰাকৃতিক গেছ, শোধনাগাৰ সামগ্ৰী, ৰাসায়নিক সাৰ, তীখা, চিমেণ্ট আৰু বিদ্যুৎ) শেহতীয়াকৈ এক অভূতপূৰ্ব আৰু অত্যন্ত হতাশাজনক অৱনতিৰ সন্মুখীন হৈছে। চৰকাৰী পৰিসংখ্যা আৰু শেহতীয়াকৈ প্ৰকাশিত তথ্য অনুসৰি, ২০২৬ চনৰ মাৰ্চ মাহত এই প্ৰধান খণ্ডসমূহৰ সামগ্ৰিক উৎপাদন শূন্য দশমিক চাৰি শতাংশ (০.৪ শতাংশ) লৈ সংকুচিত হৈছে। যোৱা প্ৰায় উনৈশ মাহৰ ভিতৰত এয়া হৈছে আটাইতকৈ নিম্নগামী প্ৰদৰ্শন। ক'ভিড মহামাৰীৰ ভয়াৱহতাৰ পৰা ওলাই অহাৰ পিছত ভাৰতীয় অৰ্থনীতিয়ে যি এক দৃঢ় আৰু দ্ৰুত গতিত বিকাশৰ ফালে অগ্ৰসৰ হৈছিল, তাক এই সংকোচনে একপ্ৰকাৰে প্ৰশ্নবোধক চিহ্নৰ সন্মুখত থিয় কৰোৱাইছে। কেৱল এটা গাণিতিক অৱনমন বা অস্থায়ী পৰিঘটনা নহয়; বৰঞ্চ ই হৈছে গোলকীয় অস্থিৰতা আৰু ঘৰুৱা আন্তঃগাঁথনিৰ দুৰ্বলতাৰ এক স্পষ্ট প্ৰতিফলন। এই খণ্ডসমূহে ভাৰতৰ ঔদ্যোগিক উৎপাদন সূচকাংকৰ (IIP) প্ৰায় ৪০.২৭ শতাংশ আৱৰি ৰাখে, সেয়েহে এই খণ্ডসমূহৰ পতনৰ অৰ্থ হ'ল সমগ্ৰ দেশৰ ঔদ্যোগিক বিকাশৰ চকা লেহেমীয়া হোৱা।

বৰ্তমানৰ এই অৱনতিৰ অন্যতম প্ৰধান কাৰণ বিচাৰিবলৈ গ'লে আমি গোলকীয় ভূ-ৰাজনীতি, বিশেষকৈ পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। যোৱা কেইবামাহ ধৰি পশ্চিম এছিয়াত বৃদ্ধি পোৱা সামৰিক সংঘাতে বিশ্বৰ শক্তি আৰু ইন্ধন যোগানৰ মূল কেন্দ্ৰসমূহত এক ভয়াবহ যুদ্ধৰ পৰিৱেশ সৃষ্টি কৰিছে। হৰমুজ প্ৰণালী আৰু অন্যান্য প্ৰধান বাণিজ্যিক জলপথসমূহত হোৱা ক্ৰমাগত আক্ৰমণ আৰু অৱৰোধৰ ফলত ভাৰতৰ দৰে উন্নয়নশীল দেশলৈ ইন্ধন আৰু প্ৰাকৃতিক গেছৰ সৰবৰাহ গুৰুতৰভাৱে বাধাগ্ৰস্ত হৈছে। গোলকীয় যোগান শৃংখল বিঘ্নিত হোৱাৰ ফলস্বৰূপে আন্তঃৰাষ্ট্ৰীয় বজাৰত সামগ্ৰী সৰবৰাহৰ ব্যয় বহু পৰিমাণে বৃদ্ধি পাইছে আৰু বীমাৰ মাচুলো আকাশলংঘী হৈছে। ভাৰত নিজৰ শক্তি আৰু ইন্ধনৰ প্ৰয়োজনীয়তাৰ প্ৰায় আশী শতাংশৰ বাবে আমদানিৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে, সাগৰীয় পথৰ এই অনিশ্চয়তা আৰু শক্তি সংকটৰ প্ৰত্যক্ষ প্ৰভাৱ আমাৰ দেশৰ আন্তঃগাঁথনি খণ্ডৰ উৎপাদনত পৰিছে আৰু ইয়ে এক গভীৰ অৰ্থনৈতিক সংকটৰ সূচনা কৰিছে। এই অৰ্থনৈতিক সংকোচনৰ আটাইতকৈ ভয়াবহ আৰু উদ্বেগজনক ৰূপটো ফুটি উঠিছে ৰাসায়নিক সাৰ উদ্যোগত। পৰিসংখ্যা অনুসৰি, মাৰ্চ মাহত ৰাসায়নিক সাৰৰ উৎপাদন প্ৰায় ২৪.৬ শতাংশ হ্ৰাস পাইছে, যিটো যোৱা এক দশকত হোৱা সৰ্ববৃহৎ আৰু আটাইতকৈ দ্ৰুত পতন। সাৰ উৎপাদনৰ বাবে প্ৰাকৃতিক গেছ হৈছে এক অপৰিহাৰ্য কেঁচামাল। কিন্তু পশ্চিম এছিয়াৰ যুদ্ধৰ ফলত গোলকীয় বজাৰত প্ৰাকৃতিক গেছৰ নাটনি দেখা দিছে আৰু ভাৰতলৈ ইয়াৰ যোগান প্ৰায় ৭০ ৰ পৰা ৭৫ শতাংশলৈ হ্ৰাস পাইছে। কেঁচামালৰ অভাৱৰ বাবে ভাৰতৰ বহুকেইটা আগশাৰীৰ সাৰ কাৰখানাই বাধ্যত পৰি নিজৰ উৎপাদন সীমিত কৰিবলগা হৈছে বা কাৰখানাৰ মেৰামতিৰ অচিলাৰে সাময়িকভাৱে উৎপাদন বন্ধ ৰাখিবলগা হৈছে। ভাৰত এখন কৃষি প্ৰধান দেশ আৰু আগন্তুক খাৰিফ শস্যৰ বতৰৰ বাবে কৃষকসকলক বৃহৎ পৰিমাণৰ সাৰৰ প্ৰয়োজন হ'ব। এনে সময়ত সাৰৰ উৎপাদন এইদৰে মুখ থেকেঁচা খোৱাটোৱে দেশৰ খাদ্য সুৰক্ষা আৰু কৃষি অৰ্থনীতিলৈ এক ডাঙৰ ভাবুকি কঢ়িয়াই আনিছে। যদিহে চৰকাৰে অতি শীঘ্ৰে ইয়াৰ বিকল্প ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে আগন্তুক দিনত কৃষিজাত সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক বাৰুকৈয়ে জলা-কলা খুৱাব। শক্তি খণ্ডৰ আন আন প্ৰধান উপাদানসমূহৰ অৱস্থাও বিশেষ আশাব্যঞ্জক নহয়। খাৰুৱা তেলৰ উৎপাদন ৫.৭ শতাংশ আৰু কয়লাৰ উৎপাদন ৪ শতাংশলৈ হ্ৰাস পোৱাটোৱে আমাৰ শক্তি খণ্ডৰ আন্তঃগাঁথনিগত দুৰ্বলতাক পুনৰবাৰ উদঙাই দিছে। একেৰাহে সাত মাহ ধৰি খাৰুৱা তেলৰ উৎপাদন ধাৰাবাহিকভাৱে নিম্নগামী হৈ থকাটো দেশৰ সামগ্ৰিক অৰ্থনৈতিক স্বাস্থ্যৰ বাবে এক অতি নেতিবাচক সংকেত। ঘৰুৱা উৎপাদন হ্ৰাস পোৱাৰ লগে লগে দেশে অধিক হাৰত আমদানিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে, যিয়ে আমাৰ বিদেশী মুদ্ৰাৰ ভাণ্ডাৰৰ ওপৰত অতিৰিক্ত হেঁচা প্ৰয়োগ কৰিছে। একে সময়তে, দেশৰ বিদ্যুৎ উৎপাদনো ০.৫ শতাংশ হ্ৰাস পাইছে। বৰ্ধিত গৰমৰ পৰিপ্ৰেক্ষিতত বিদ্যুতৰ চাহিদা সৰ্বোচ্চ স্তৰত থকাৰ সময়তো উৎপাদন হ্ৰাস পোৱাটোৱে যোগান আৰু চাহিদাৰ মাজৰ ভাৰসাম্যহীনতাক সূচাইছে। কয়লা উৎপাদনৰ অৱনতিয়ে তাপবিদ্যুৎ কেন্দ্ৰসমূহৰ উৎপাদন ক্ষমতাত প্ৰভাৱ পেলাইছে, যিয়ে ঔদ্যোগিক খণ্ডৰ লগতে সাধাৰণ গ্ৰাহকৰ বাবেও বিদ্যুতৰ নাটনিৰ এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। যিবোৰ খণ্ডই সাধাৰণতে আন্তঃগাঁথনি নিৰ্মাণৰ মূল চালিকা শক্তি হিচাপে কাম কৰে, সেইবোৰতো বিকাশৰ হাৰ মন্থৰ হৈ পৰিছে। তীখা আৰু চিমেণ্টৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডত ক্ৰমান্বয়ে মাত্ৰ ২.২ শতাংশ আৰু ৪ শতাংশ বৃদ্ধি পৰিলক্ষিত হৈছে। আপাত দৃষ্টিত এয়া ধনাত্মক যেন লাগিলেও, পূৰ্বৰ মাহসমূহৰ তুলনাত এই বৃদ্ধি যথেষ্ট কম আৰু ই এক স্পষ্ট মন্থৰতাৰ ইংগিত দিয়ে। ইয়াৰ পৰা আমি এইটোৱেই বুজিব পাৰো যে দেশত চলি থকা বৃহৎ আন্তঃগাঁথনি নিৰ্মাণ, ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ, আৰু আৱাসিক প্ৰকল্পসমূহৰ কাম-কাজৰ গতি লেহেমীয়া হৈছে। আনহাতে, তেল শোধনাগাৰ সামগ্ৰীৰ উৎপাদন মাত্ৰ ০.১ শতাংশ বৃদ্ধি হোৱাটোৱে বজাৰত সামগ্ৰিক উপভোক্তা চাহিদা হ্ৰাস পোৱাৰ এক সংকেত বহন কৰিছে। এই সকলোবোৰ কাৰকৰ ফলশ্ৰুতিত সদ্যসমাপ্ত বিত্তীয় বৰ্ষৰ সামগ্ৰিক বিকাশৰ হাৰ মাত্ৰ ২.৬ শতাংশলৈ অৱনমিত হৈছে, যিটো যোৱা কেইবা বছৰৰ ভিতৰত সৰ্বনিম্ন। ঔদ্যোগিক উৎপাদন সূচকাংকৰ বিকাশৰ হাৰ ১ ৰ পৰা ২ শতাংশলৈ হ্ৰাস পোৱাৰ সম্ভাৱনাই অৰ্থনীতিবিদ আৰু নীতি নিৰ্ধাৰকসকলৰ বাবে এক নতুন আৰু জৰুৰী চিন্তাৰ কাৰণ হৈ পৰিছে।

মাৰ্চ মাহৰ এই শূন্য দশমিক চাৰি শতাংশৰ সংকোচনে ভাৰতৰ ভৱিষ্যতৰ অৰ্থনৈতিক নীতি আৰু পৰিকল্পনা সন্দৰ্ভত এক গভীৰ পুনৰ মূল্যায়ণৰ দাবী ৰাখিছে। বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতি বৰ্তমান যি দিশলৈ গৈ আছে, তাত অদূৰ ভৱিষ্যতে শক্তিৰ মূল্য আৰু যোগান ব্যৱস্থা স্বাভাৱিক হোৱাৰ কোনো নিশ্চিতি নাই। চৰকাৰ আৰু দেশৰ বৃহৎ উদ্যোগ খণ্ডই অতি শীঘ্ৰে কেঁচামালৰ বিকল্প উৎসৰ সন্ধান কৰিব লাগিব। কেৱল আমদানিৰ ওপৰত নিৰ্ভৰ নকৰি শক্তি খণ্ডত আত্মনিৰ্ভৰশীলতা বৃদ্ধিৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰাটো এতিয়া সময়ৰ দাবী। সৌৰ শক্তি, বতাহ শক্তি আৰু অন্যান্য নৱীকৰণযোগ্য শক্তিৰ উৎসসমূহৰ ব্যৱহাৰ দ্ৰুতগতিত বৃদ্ধি কৰিব লাগিব। কৃষি খণ্ডত সাৰৰ নাটনি ৰোধ কৰিবলৈ চৰকাৰে জৰুৰীভাৱে মজুতকৰণ, কাৰ্যকৰী বিতৰণ ব্যৱস্থা আৰু দেশৰ ভিতৰতে সাৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব দিব লাগিব। গোলকীয় অনিশ্চয়তা আৰু যুদ্ধৰ নেতিবাচক প্ৰভাৱৰ মাজতো ভাৰতীয় অৰ্থনীতিক সুৰক্ষিত আৰু গতিশীল কৰি ৰাখিবলৈ হ'লে আমাৰ ঘৰুৱা উৎপাদন ব্যৱস্থাক অধিক শক্তিশালী, প্ৰতিযোগিতামূলক আৰু যিকোনো বাহ্যিক আঘাত সহ্য কৰিব পৰাকৈ গঢ়ি তোলাটোৱেই বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান আৰু ইয়াৰ সফল মোকাবিলাইহে আমাৰ শক্তিশালী অৰ্থনীতিৰ সপোন বাস্তৱায়িত কৰিব।

# সাম্প্ৰতিক প্ৰেক্ষাপটত আমাৰ দায়িত্ববোধ

পদ্ম মৰাণ

সময়ৰ সোঁতত সমাজ এখনৰ পৰিৱৰ্তন অনিবাৰ্য। দ্ৰুতগতিত আগবঢ়া প্ৰযুক্তি, বিশ্বায়ন আৰু আমূল সামাজিক পৰিৱৰ্তনৰ এই যুগত আজি আমি এক সন্ধিক্ষণত থিয় দি আছোঁ। এটা সময় আছিল যেতিয়া দায়িত্ববোধ বুলি ক'লে কেৱল পৰিয়াল বা নিজৰ বৃত্তিত সীমাবদ্ধ কৰ্তব্যসমূহকেই বুজোৱা হৈছিল, কিন্তু আজিৰ গোলকীয় প্ৰেক্ষাপটত আমাৰ দায়বদ্ধতাৰ পৰিসৰ বহুগুণে বৃদ্ধি পাইছে। আজিৰ এই জটিল সময়ত ব্যক্তি হিচাপে সমাজৰ প্ৰতি আমাৰ অৱদান আৰু দায়িত্ব কি হ'ব লাগে, সেয়া আজি এক গম্ভীৰ আলোচনাৰ বিষয় হৈ পৰিছে।

আমাৰ সাম্প্ৰতিক সমাজ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হৈছে শিক্ষা আৰু জ্ঞানৰ প্ৰসাৰ। কিন্তু দুৰ্ভাগ্যবশতঃ, বৰ্তমান সময়ত শিক্ষা কেৱল এটা যান্ত্ৰিক প্ৰক্ৰিয়ালৈ ৰূপান্তৰিত হৈছে, য'ত নম্বৰৰ দৌৰত নৈতিকতা আৰু মানৱীয় মূল্যবোধবোৰ পিছ পৰি ৰৈছে। এজন সচেতন নাগৰিক হিচাপে আমাৰ প্ৰথম দায়িত্ব হ'ল— উঠি অহা প্ৰজন্মক কেৱল কিতাপী জ্ঞানৰেই নহয়, বৰঞ্চ জীৱনবোধৰ শিক্ষাত শিক্ষিত কৰি তোলা। সমাজৰ প্ৰতি দায়বদ্ধ এজন শিক্ষিত ব্যক্তিয়ে কেৱল নিজৰ কেৰিয়াৰৰ কথা নাভাবি, সমাজৰ সমস্যাসমূহৰ উত্তৰণৰ পথ বিচাৰিবলৈ শিকিব লাগে। সুস্থ বৌদ্ধিক পৰিৱেশ এটা গঢ়ি তোলাৰ দায়িত্ব আজিৰ প্ৰতিজন শিক্ষিত লোকৰ ওপৰত ন্যস্ত।

ইফালে, প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰে আমাৰ জীৱনক যিমান সহজ কৰিছে, সিমানেই কঢ়িয়াই আনিছে কিছুমান নতুন প্ৰত্যাহ্বান। আজিৰ সামাজিক মাধ্যমৰ যুগটোত এটা ভুল খবৰ বা অপপ্ৰচাৰে কেনেদৰে সমাজত অশান্তি সৃষ্টি কৰিব পাৰে, সেয়া আমি প্ৰায়েই লক্ষ্য কৰিছোঁ। এই ক্ষেত্ৰত প্ৰতিজন ব্যক্তিৰ দায়িত্ব হ'ল তথ্যৰ সত্যতা নিৰূপণ কৰা। সামাজিক মাধ্যমৰ এক সুস্থ ব্যৱহাৰকাৰী হিচাপে আমি ঘিণ লগোৱা বা বিভেদকামী চিন্তাৰ পৰা আঁতৰি থাকি, একতা আৰু সমন্বয়ৰ বাণী প্ৰচাৰ কৰা উচিত। সামাজিক মাধ্যমত আমাৰ প্ৰতিটো মন্তব্য বা শ্বেয়াৰ কৰা তথ্যই সমাজৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব পাৰে, গতিকে আমি নিজৰ মানসিকতা আৰু দৃষ্টিভংগীক ইতিবাচক কৰি তোলাটো আজিৰ সময়ৰ দাবী।

পৰিৱেশ সংৰক্ষণৰ প্ৰশ্নটো আজিৰ বিশ্বৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। আমাৰ অসমৰ জলবায়ু আৰু প্ৰাকৃতিক পৰিৱেশ দ্ৰুতগতিত সলনি হৈছে। যান্ত্ৰিকতাৰ ধামখুমীয়াত আমি প্ৰকৃতিৰ লগত থকা আমাৰ সংযোগ বিচ্ছিন্ন কৰিছোঁ। প্লাষ্টিকৰ ব্যাপক ব্যৱহাৰ, জলাশয় পুতি পেলোৱা বা বনাঞ্চল ধ্বংস কৰাৰ পৰিণতি আমি প্ৰাকৃতিক দুৰ্যোগৰ মাজেৰে ভোগ কৰি আছোঁ। গতিকে, পৰিৱেশ সচেতনতা কেৱল চৰকাৰী আঁচনিৰ মাজত সীমাবদ্ধ নাৰাখি, নিজৰ ঘৰৰ পৰাই আৰম্ভ কৰাটো প্ৰয়োজন। গছপুলি ৰোৱা, অপচয় ৰোধ কৰা আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে এক বাসযোগ্য পৃথিৱী এৰি থৈ যোৱাৰ যি দায়িত্ব, সেয়া আমি পালন নকৰিলে প্ৰকৃতিৰ বিৰূপ প্ৰতিক্ৰিয়াৰ পৰা কোনেও আমাক বচাব নোৱাৰিব।

অসমৰ দৰে বহুজাতি-জনগোষ্ঠীৰ ৰাজ্য এখনত সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ বৰ্তাই ৰখাটো হৈছে আমাৰ আটাইতকৈ ডাঙৰ দায়িত্ব। সাম্প্ৰতিক সময়ত আমি দেখা পাওঁ যে বিভিন্ন তুচ্ছ কাৰণত সমাজত বিভেদ সৃষ্টি কৰাৰ প্ৰচেষ্টা চলিছে। এই বিভেদকামী শক্তিসমূহৰ বিৰুদ্ধে আমাৰ কণ্ঠৰুদ্ধ হোৱা উচিত নহয়। আমি পাহৰি যোৱা উচিত নহয় যে বৈচিত্ৰ্যৰ মাজত একতাই আমাৰ মূল পৰিচয়। দুখীয়া, প্ৰান্তীয় বা অসহায় লোকৰ প্ৰতি সহায়ৰ হাত আগবঢ়োৱাটো কেৱল ধৰ্ম নহয়, এয়া এক সামাজিক দায়বদ্ধতা। আমি যদি ইজনে-সিজনৰ দুখত সমভাগী হ'ব নোৱাৰোঁ, তেন্তে এখন সভ্য সমাজৰ কল্পনা কৰাটো বিড়ম্বনা মাথোঁ।

শেষত, দায়িত্ববোধ কোনো বাহিৰৰ পৰা জাপি দিয়া নিৰ্দেশনা নহয়; ই হ'ল আমাৰ অন্তৰৰ পৰা অহা এক প্ৰবৃত্তি। আমাৰ প্ৰতিটো কৰ্মই সমাজৰ ওপৰত প্ৰভাৱ পেলায়। আমি কিদৰে কথা পাতো, কেনেকৈ ব্যৱহাৰ কৰোঁ, আৰু কিমানখিনি সচেতন হৈ সিদ্ধান্ত লওঁ—তাৰ ওপৰতেই নিৰ্ভৰ কৰে অনাগত দিনৰ সমাজখনৰ স্বৰূপ। আমি যদি আজি প্ৰতিটো স্তৰতে নিজৰ দায়িত্ববোৰ সুচাৰুৰূপে পালন কৰিবলৈ আৰম্ভ কৰোঁ, তেন্তে নিশ্চিতভাৱে এক সুস্থ, সবল আৰু প্ৰগতিশীল সমাজ গঢ়ি তোলা সম্ভৱ। সময়ৰ দৰবাৰত আমি কি অৰিহণা যোগালোঁ, তাৰ উত্তৰ দিবলৈ আমি প্ৰতিজন সাজু থাকিব লাগে। দায়িত্ববোধৰ এই অগ্নিপৰীক্ষাত আমি সকলোৱে উত্তীৰ্ণ হ'বই লাগিব, কিয়নো আমাৰ এই ক্ষুদ্ৰ প্ৰচেষ্টাখিনিয়েই ভৱিষ্যতৰ বিশাল পৰিৱৰ্তনৰ ভেটি হ'ব।

টিউচন নোহোৱাকৈ উজ্জ্বলি উঠিল নিকিতা তালুকদাৰ, লক্ষ্য APS বিষয়া

# দাৰিদ্ৰ্যক জয় কৰি সাফল্য; চেঙাৰ আজমল চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৯০ শতাংশ উত্তীৰ্ণ

**অসম বাৰ্তা, চেঙা, ২৮ এপ্ৰিল ঃ** বৰপেটা জিলাৰ চেঙাস্থিত আজমল চিনিয়ৰ ছেকেণ্ডাৰী স্কুলে এইবাৰ হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত পুনৰ এবাৰ উল্লেখযোগ্য সাফল্য অৰ্জন কৰি ৯০ শতাংশ উত্তীৰ্ণৰ গৌৰৱ অৰ্জন কৰিছে। বিদ্যালয়খনৰ এই সাফল্যই কেৱল শিক্ষানুষ্ঠানখনকেই নহয়, সমগ্ৰ অঞ্চলটোক গৌৰৱান্বিত কৰি তুলিছে। প্ৰতিবছৰে উন্নত ফলাফল প্ৰদৰ্শন কৰি অহা বিদ্যালয়খনৰ এইবাৰৰ সফলতাই পুনৰ প্ৰমাণ কৰিলে যে সঠিক দিশনিৰ্দেশনা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যৱসায় থাকিলে উৎকৃষ্ট ফলাফল সম্ভৱ। এই সফলতাৰ মাজতেই বিশেষভাৱে উল্লেখযোগ্য হৈ উঠিছে চেঙাৰ ছাত্ৰী নিকিতা তালুকদাৰৰ কাহিনী। সীমিত সম্পদ আৰু আৰ্থিক অসুবিধাৰ মাজতো তেওঁ নিজৰ অদম্য ইচ্ছাশক্তি আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে এইবাৰ উৎকৃষ্ট ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে। নিকিতাৰ সফলতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল—তেওঁ কোনো ধৰণৰ টিউচনৰ সহায় নোলোৱাকৈ সম্পূৰ্ণ নিজে অধ্যয়ন কৰি এই ফলাফল অৰ্জন কৰিছে। আজিৰ প্ৰতিযোগিতামূলক শিক্ষাৰ পৰিৱেশত য'ত অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে টিউচন বা কোচিংৰ ওপৰত নিৰ্ভৰশীল, তেনে সময়ত নিকিতাৰ এই সফলতা সঁচাকৈয়ে প্ৰশংসনীয়। নিকিতাৰ পৰিয়ালৰ আৰ্থিক অৱস্থাও অতি সৰল। তেওঁৰ দেউতাই ই-ৰিস্কা চলাই পৰিয়ালটো চলাই ৰাখে। দৈনন্দিন জীৱনৰ নানা সংগ্ৰাম আৰু সীমাবদ্ধতাৰ মাজতো পৰিয়ালটোৱে শিক্ষা ক্ষেত্ৰত নিকিতাক আগবাঢ়িবলৈ সদায় উৎসাহ দি আহিছে। মাতৃ-পিতৃৰ ত্যাগ আৰু সমৰ্থনে নিকিতাক নিজৰ লক্ষ্যত দৃঢ় কৰি ৰাখিছে। নিজৰ সফলতাৰ বিষয়ে ক'বলৈ গৈ নিকিতাই কয় যে, নিয়মিত অধ্যয়ন, সময় ব্যৱস্থাপনা আৰু আত্মবিশ্বাসেই তেওঁক এই স্থানলৈ লৈ আহিছে। তেওঁ বিশেষকৈ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে, যিসকলে সদায় দিশনিৰ্দেশনা আৰু মানসিক সাহস যোগাইছিল। ভৱিষ্যতে Assam Police Service (APS)ৰ বিষয়া এজন হোৱাৰ সপোন দেখা নিকিতাই জনায় যে, সমাজৰ বাবে কিছু কৰিবলৈ আৰু আইন-শৃংখলা ৰক্ষা ব্যৱস্থাত অৱদান আগবঢ়াবলৈ তেওঁ আগ্ৰহী। নিজৰ লক্ষ্য পূৰণ কৰিবলৈ আগন্তুক দিনত আৰু অধিক পৰিশ্ৰম কৰাৰ সংকল্পও তেওঁ প্ৰকাশ কৰে। বিদ্যালয়খনৰ অধ্যক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে কয় যে, নিকিতাৰ দৰে ছাত্ৰ-ছাত্ৰীসকলেই বিদ্যালয়খনৰ গৌৰৱ। তেওঁলোকৰ মতে, ছাত্ৰ-ছাত্ৰীসকলৰ একাগ্ৰতা, কঠোৰ পৰিশ্ৰম আৰু সৎ উদ্দেশ্যই এনে ফলাফল সম্ভৱ কৰি তোলে। আগন্তুক দিনতো এই ধাৰা অব্যাহত ৰাখিবলৈ বিদ্যালয়খনৰ পৰা সকলো প্ৰচেষ্টা চলোৱা হ'ব বুলি তেওঁলোকে আশ্বাস দিয়ে। নিকিতাৰ এই সফলতাৰ কাহিনীয়ে এটা স্পষ্ট বাৰ্তা দিয়ে—দাৰিদ্ৰ্য বা প্ৰতিবন্ধকতা কেতিয়াও সফলতাৰ অন্তৰায় নহয়, যদি ইচ্ছাশক্তি আৰু পৰিশ্ৰম থাকে। তেওঁৰ এই সাফল্যে অঞ্চলটোৰ বহু ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে, আজমল চিনিয়ৰ ছেকেণ্ডাৰী স্কুলে শিক্ষাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে আৰু এই বাৰৰ ফলাফলেও সেই পৰম্পৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ এই সফলতা আৰু নিকিতাৰ প্ৰেৰণাদায়ক কাহিনীয়ে সমগ্ৰ সমাজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে।

গোসাইগাঁও মহকুমাৰ ভিতৰত কলা শাখাত সৰ্বচ্চ নম্বৰ লাভ আৰমিনা বেগমৰ

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণৰে উজ্জ্বলিল হাছৰাঁওবাৰী আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৮ এপ্ৰিল ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত এক উজ্জ্বল সফলতা লাভ কৰিবলৈ সক্ষম হৈছে হাছৰাওবাৰীস্থিত আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল। এইবাৰ পৰীক্ষাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে ১০০ শতাংশ উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনিছে সমগ্ৰ অঞ্চললৈ। বিশেষকৈ ১ নং মাটিয়াপাৰা গাঁৱৰ এখন সৰু দোকানী আব্দুল খালেকৰ জীয়ৰী আৰমিনা বেগমে গোসাইগাঁও মহকুমাৰ ভিতৰত সৰ্বচ্চ নম্বৰ তথা ক'লা শাখাত ৮৯.৮ শতাংশ নম্বৰ লাভ কৰি সকলোকে চমকিত কৰিছে। তেখেতৰ এই সফলতাই বিদ্যালয়খনৰ শিক্ষাৰ মান আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰিশ্ৰমৰ প্ৰতিফলন স্পষ্ট কৰি তুলিছে। ইফালে, বিদ্যালয়খনৰ আন পাঁচগৰাকী ছাত্ৰ-ছাত্ৰীয়েো ৮৫ শতাংশৰ ওপৰত নম্বৰ লাভ কৰি বিদ্যালয়খনৰ সাফল্যত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। ৭৫ গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল তাৰে ভিতৰত প্ৰথম বিভাগ-৬১, দ্বিতীয় বিভাগ-১৩, তৃতীয় বিভাগ -১ ডিচটিংশন ৫, ষ্টাৰ মাৰ্ক-২২, ফলাফল ঘোষণা হোৱাৰ পাছতেই বিদ্যালয় চৌহদত আনন্দময় পৰিৱেশৰ সৃষ্টি হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মিঠাই বিতৰণ কৰাৰ লগতে শিক্ষক-অভিভাৱকসকলেও এই সফলতাক লৈ উৎফুল্লতা প্ৰকাশ কৰে। বিদ্যালয়খনত এক উখল-মাখল আৰু উল্লাসমুখৰ পৰিৱেশ দেখা যায়। এই সফলতাই আগন্তুক সময়ত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক আৰু অধিক উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰিছে বিদ্যালয় কৰ্তৃপক্ষই।

প্ৰস্তুতিৰ বুজ লৈ অনুৰাগ গোৱেলৰ সন্তুষ্টি

# নগাঁৱৰ ভোট গণনা কেন্দ্ৰত মুখ্য নিৰ্বাচনী বিষয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ এপ্ৰিল ঃ** অহা ৪ মে'ত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়াৰ প্ৰস্তুতিৰ বুজ ল'বলৈ মঙ্গলবাৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে নগাঁৱত আহি উপস্থিত হয়। তেওঁ পোনতে চহৰখনৰ মাজমজিয়াস্থিত চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত উপস্থিত হৈ তাত স্থাপন কৰা ষ্ট্ৰং ৰুম আৰু ভোটগণনা কক্ষসমূহ পৰিদৰ্শন কৰে। বিশেষকৈ ষ্ট্ৰং ৰুমৰ চাৰিওফালে থকা নিৰাপত্তা ব্যৱস্থা আৰু চিচিটিভি ব্যৱস্থা তেওঁ নিৰীক্ষণৰ কৰে। পৰিদৰ্শনকালত মুখ্য নিৰ্বাচন বিষয়াগৰাকীয়ে ভোটগণনা কেন্দ্ৰসমূহৰ সামগ্ৰিক আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি গণনাৰ দিনা নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীসকলৰ সুবিধা তথা



জৰুৰীকালীন ব্যৱস্থাৱলীৰ বিষয়েও পুংখানুপুংখভাৱে পৰ্যালোচনা কৰে। ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰতিটো কক্ষতে যাতে কোনো ধৰণৰ কাৰিকৰী বা মানৱীয় বিসংগতিয়ে দেখা নিদিয়ে, সেই সন্দৰ্ভত তেওঁ জিলা প্ৰশাসন আৰু নিৰ্বাচনী বিষয়া সকলৰ সৈতে বিস্তৃত আলোচনা কৰে। এই সন্দৰ্ভত জিলা প্ৰশাসনে ইতিপূৰ্বে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ সন্দৰ্ভত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। এই পৰিদৰ্শন কালত, জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাস, অতিৰিক্ত আয়ুক্ত পল্লৱী গগৈ, নিৰ্বাচন বিষয়া শেখৰণ ফুকন প্ৰমুখ্যে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

গাঁওখনৰ চাৰিজন শিক্ষাৰ্থীয়েই লাভ কৰিলে ৭৫ শতাংশ আৰু ততোধিক নম্বৰ

# মাজুলীৰ ৰঙাচাহী বৰবাম গাঁৱত আনন্দৰ ঢৌ

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ এপ্ৰিল ঃ** মাজুলী জিলাৰ অতি ভিতৰুৱা আৰু পিছপৰা এখন গাঁও-ৰঙাচাহী বৰবাম গাঁৱত উঠিছে আনন্দৰ লহৰ। আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত গাঁৱখনৰ চাৰিজন শিক্ষাৰ্থীৰ চাৰিওজনেই দেখুৱাবলৈ সক্ষম হৈছে উন্নত ফলাফল। ৰঙাচাহী বৰবাম গাঁৱত এই বৰ্ষত চাৰিজন শিক্ষাৰ্থী উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। শিক্ষাৰ্থীসকলৰ নাম হৈছে অজিত কুমাৰ নাথৰ জীয়ৰী লক্ষিপ্ৰিয়া নাথ, টংকেশ্বৰ নাথৰ পুত্ৰ হিৰক জ্যোতি নাথ, ৰবিন কুমাৰ নাথৰ পুত্ৰ হৃষিকেশ নাথ আৰু প্ৰবীন নাথৰ জীয়ৰী পম্পী নাথ। আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত গাঁওখনৰ শিক্ষাৰ্থীকেইজন ক্ৰমে লক্ষিপ্ৰিয়া নাথে ৯০ শতাংশ, হিৰক জ্যোতি নাথে ৮১ শতাংশ, হৃষিকেশ নাথে ৭৫ শতাংশ আৰু পম্পী নাথে ৭৮ শতাংশ নম্বৰ লাভ কৰি গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে লক্ষিপ্ৰিয়া নাথ মাজুলীৰ আইলেণ্ড একাডেমীত আৰু বাকী তিনিজন ছাত্ৰ ছাত্ৰীয়ে অঞ্চলৰে ৰঙাচাহী মহাবিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈছিল। শিক্ষাৰ্থীসকলৰ তেনে উল্লেখযোগ্য সাফল্যই সমগ্ৰ গাঁওবাসীক উৎফুল্ল কৰি তুলিছে। ৰঙাচাহী বৰবাম গাঁৱৰ এনে শৈক্ষিক অগ্ৰগতিয়ে অঞ্চলটোৰ লগতে সমগ্ৰ সমাজখনৰ বাবেই আশাৰ ৰেঙনি বহন কৰিছে।

# উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৬.৯৬ শতাংশ ফলাফল

**অসম বাৰ্তা, দেৰগাঁও, ২৮ এপ্ৰিল ঃ** ৰাজ্যত মঙ্গল বাৰে ঘোষণা হ'ল উচ্চতৰ মাধ্যমিক শিক্ষা শিক্ষান্ত পৰীক্ষাৰ ফলাফল। এই ফলাফলক লৈ সমগ্ৰ ৰাজ্যৰ বিদ্যালয়সমূহত দেখা গৈছে উৎসৱমুখৰ পৰিৱেশ। ইয়াৰ সমান্তৰালকৈ গোলাঘাট জিলাৰ দেৰগাঁৱৰ মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়তো দেখা গৈছে একেই পৰিৱেশ। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৃষ্টি হয় আনন্দ-উল্লাস। বিগত বৰ্ষবোৰৰ দৰে এইবাৰো উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হৈছে বিদ্যালয়খনে। কলা শাখাত মুঠ ৬৬ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৬৪ জন উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ শতকৰা হাৰ ৯৬.৯৬ শতাংশ। ৫ জনে ডিষ্টিংশ্যন, ৫ জনে ষ্টাৰ মাৰ্ক, ২৯ জন প্ৰথম বিভাগত, ২৭জন দ্বিতীয় বিভাগত আৰু ৮জন তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত মুঠ ১৩ জন ছাত্ৰ-ছাত্ৰীৰ ১৩ জনেই উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ শতকৰা হাৰ ১০০ শতাংশ। প্ৰথম বিভাগত ১১ জন, দ্বিতীয় বিভাগত ২জন উত্তীৰ্ণ হৈছে। ডিষ্টিংশ্যন ১জন আৰু ষ্টাৰ মাৰ্ক ২ জনে লাভ কৰিছে। কলা শাখাত ৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৯০ শতাংশৰ ওপৰত নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। দেবাস্মিতা দত্তই সৰ্বোচ্চ ৯৩.৮ শতাংশ, মেঘালী বৰাই ৯৩ শতাংশ, লাস্যময়ী দত্তই ৯০.৪ক্ষ লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান শাখাত শ্যামল কিশোৰ বৰাই সৰ্বোচ্চ ৮৮.৮ শতাংশ লাভ কৰিছে। বিভিন্ন বিষয়ত লেটাৰ পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এনেধৰণৰঃ ইংৰাজী ৬ জন, অসমীয়া ১৮ জন, ৰাজনীতি বিজ্ঞান ৭ জন, ভূগোল ১৪ জন, বুৰঞ্জী ১৩ জন, স্বদেশ অধ্যয়ন ১১ জন, অৰ্থনীতি বিজ্ঞান ২জন, পদাৰ্থ বিজ্ঞান ৪ জন, ৰসায়ন বিজ্ঞান ২জন আৰু জীৱ বিজ্ঞান ৩জন।

# আমগুৰিত সঁফুৰা বৃত্তিত ৯ জন শিক্ষাৰ্থী উত্তীৰ্ণ

**অসম বাৰ্তা, চেলেংহাট, ২৮ এপ্ৰিল ঃ** সফুৰাঁ ন্যাসে আয়োজন কৰা সফুৰাঁ বৃত্তি পৰীক্ষা আমগুৰি শিক্ষা খণ্ডৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ মুঠ নজন ছাত্ৰ-ছাত্ৰী সফলতাৰে উত্তীৰ্ণ হৈ বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। বিদ্যালয়খনৰ উপাসনা গগৈ, হাৰ্ষিতা পাপৰি বৰা, আদিত্য বড়া, আকাংশা গগৈ, মধুমিতা গগৈ, মুৰ্চ্চনা গগৈ, অংগৰাগ গগৈ, অংশুমান গগৈ, আৰু দীক্ষিতা বড়া উত্তীৰ্ণ হয়। উল্লেখ্য যে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাৰেই এন এম এম এচ, জিজ্ঞাস বৃত্তি আৰু সফুৰাঁ বৃত্তিত উত্তীৰ্ণ হৈ আহিছে। উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলক বিদ্যালয় পৰিচালনা সমিতি আৰু বিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু তত্ত্বাবধায়ক শিক্ষক হেমন্ত কুমাৰ বৰাই শুভেচ্ছা আৰু অভিনন্দন জনায়।

# তিনিচুকীয়া জিলাৰ কাকপথাৰৰ সমাজসংগঠক, ধৰ্মপ্ৰাণ ব্যক্তি নকুল চন্দ্ৰ ভূঞাৰ দেহাৱসান

**অসম বাৰ্তা, ছৈখোৱা, ২৮ এপ্ৰিল ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰৰ বিভিন্ন সামাজিক ক্ষেত্ৰৰ লগত জড়িত, সমাজসংগঠক, ধৰ্মপ্ৰাণ ব্যক্তি নকুল চন্দ্ৰ ভূঞাৰ (৮৫) কালি বাৰ্ধক্যজনিত কাৰণত দেহাৱসান হয়। শিৱসাগৰ জিলাৰ আখৈফুটীয়াত জন্ম গ্ৰহণ কৰা নকুল চন্দ্ৰ ভূঞা একাধাৰে কপাহতলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক, ৰংপুৰীয়া প্ৰাথমিক বিদ্যালয়, সৰুমাইথং প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি শেষত বৰাচুক প্ৰাথমিক বিদ্যালয়ৰ পৰা ২০০৩ চনত প্ৰধান শিক্ষক পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। কাকপথাৰৰ মৃদংপৰাত বসবাস কৰি পিছলৈ বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰি কাকপথাৰত স্থায়ীভাৱে ব্যৱসায়ী কৰ্মত জড়িত হৈ থাকে। কাকপথাৰৰ সকলোৰে পৰিচিত নকুল চন্দ্ৰ ভূঞা আছিল নম্ৰ, ভদ্ৰ আৰু অমায়িক। মৃত্যুৰ সময়ত তেওঁ ছজন পুত্ৰ, দুগৰাকী জীয়ৰী আৰু নাতি-নাতিনীক এৰি থৈ গৈছে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত তেওঁৰ মৃত্যুত চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়া, তিনিচুকীয়া জিলা চুতীয়া জাতি সন্মিলন, সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা চুতীয়া জাতি মহিলা সন্মিলন, সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদ, কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থা, কাকপথাৰ আঞ্চলিক চুতীয়া যুৱ সন্মিলন, হাইস্কুল শিক্ষক সংস্থা, তিনিচুকীয়া জিলা সমিতি, কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থা, আটাছু তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ইন্দ্ৰজিত দুৱৰী, মৃদংপৰা যুৱক সংঘ, চেঙেলীজান যুৱক সংঘই গভীৰ দুখ প্ৰকাশ কৰিছে।

# অভয়াপুৰীলৈ গৌৰৱ কঢ়িয়াই আনিলে লক্ষ্মীনাথ বেজবৰুৱা একাডেমিয়ে

**অসম বাৰ্তা, অভয়াপুৰী, ২৮ এপ্ৰিল ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত পুনৰবাৰ গৌৰৱোজ্জ্বল প্ৰদৰ্শনৰে উজলি উঠিল অভয়াপুৰীৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান লক্ষ্মীনাথ বেজবৰুৱা একাডেমী। বিদ্যালয়খনে কলা, বিজ্ঞান আৰু বাণিজ্য— তিনিওটা শাখাতে ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। প্ৰাপ্ত তথ্য অনুসৰি, চলিত বৰ্ষৰ ফলাফলত বিদ্যালয়খনৰ তিনিওটা শাখাৰ পৰীক্ষাৰ্থীসকলে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। ইয়াৰ ভিতৰত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে লেটাৰ মাৰ্কসহ উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান শাখাত মমিনুল ইচলামে সৰ্বোচ্চ ৯০.২ শতাংশ পোৱাৰ লগতে তিনি জনে ষ্টাৰ মাৰ্ক, ২৯জন প্ৰথম বিভাগ আৰু ২৩ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। কলা শাখাতো প্ৰিয়া কৰ্মকাৰে সৰ্বোচ্চ ৯০.২ শতাংশ পোৱাৰ লগতে ১৩ গৰাকীয়ে ষ্টাৰ নম্বৰ পোৱাৰ লগতে ৫৮ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। থিক তেনেদৰে কমাৰ্চ ত তিনি গৰাকীয়ে ষ্টাৰ নম্বৰ পোৱাৰ লগতে ২৭ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। উল্লেখ্য যে, বিগত কেইবা বছৰ ধৰি অভয়াপুৰীৰ এই শিক্ষানুষ্ঠানখনে ধাৰাবাহিকভাৱে উন্নত ফলাফল প্ৰদৰ্শন কৰি আহিছে। এইবেলিও সেই ধাৰা অক্ষুণ্ণ ৰাখি বিদ্যালয়খনে জিলাখনৰ ভিতৰতে এক বিশেষ স্থান দখল কৰিছে। বিদ্যালয়খনৰ এই অভূতপূৰ্ব সাফল্যত আনন্দ প্ৰকাশ কৰি একাডেমীৰ অধ্যক্ষ তথা শিক্ষক-কৰ্মচাৰীসকলে কয় যে, শিক্ষকসকলৰ একাগ্ৰতা, ছাত্ৰ-ছাত্ৰীৰ কঠোৰ পৰিশ্ৰম আৰু অভিভাৱকসকলৰ সহযোগৰ ফলতেই এই সাফল্য সম্ভৱ হৈছে। আজি ফলাফল ঘোষণাৰ পাছতেই বিদ্যালয় প্ৰাংগনত এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। কৃতী ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ তৰফৰ পৰা অভিনন্দন জনোৱাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰা হৈছে। অঞ্চলটোৰ শৈক্ষিক উত্তৰণত লক্ষ্মীনাথ বেজবৰুৱা একাডেমীয়ে আগবঢ়াই অহা এই অৱদানে এতিয়া সৰ্বত্ৰে উচ্চ প্ৰশংসা লাভ কৰিছে।




# নলবাৰী বিধানসভা সমষ্টিত নিৰ্বাচনী ফলাফলক লৈ উত্তেজনা

জল্পনা-কল্পনাৰে মুখৰ ভোটাৰ ৰাইজ

**অসম বাৰ্তা, বাঁহজানী, ২৮ এপ্ৰিল ঃ** সদ্য সমাপ্ত বিধান সভা নিৰ্বাচনৰ ফলাফল ঘোষণালৈ মাজত আৰু সাতদিন থকা অৱস্থাত নলবাৰী জিলাৰ নলবাৰী সদৰ বিধান সভা সমষ্টিত বৰ্তমান ৰাজনৈতিক উত্তেজনা তুঙ্গত উঠিছে। জিলাখনৰ ৩৯ নং নলবাৰী সদৰ বিধান সভা সমষ্টিৰ ভোটাৰ ৰাইজৰ মাজত এতিয়া চলিছে ব্যাপক জল্পনা-কল্পনা, কোন জিকিব, কোন হাৰিব, আৰু শেষত কোনে চৰকাৰ গঠন কৰিব। ভোটদান পৰ্ব সমাপ্ত হোৱাৰ পাছৰে পৰা সমষ্টিটোৰ চৌদিশে কেৱল নিৰ্বাচনী আলোচনা। চ'ক-হাট-বজাৰ, দোকান-পোহাৰ, চাহৰ দোকানৰ পৰা আৰম্ভ কৰি অফিচ-কাচাৰীলৈ সকলো ঠাইতে এতিয়া একেটা বিষয়—ফলাফলৰ অংক-গণনা। ভোটাৰসকলে নিজৰ সমৰ্থিত প্ৰাৰ্থীৰ জয় নিশ্চিত বুলি ধৰি লৈ দিনে দিনে ব্যস্ত হৈ পৰিছে জয়-পৰাজয়ৰ সম্ভাব্য হিচাপ-নিকাচক লৈ। এই পৰিস্থিতিয়ে সমষ্টিটোৰ দৈনন্দিন জীৱনত এক বিশেষ উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিছে। কিছুমান ঠাইত সম্ভাব্য বিজয়োৎসৱৰ প্ৰস্তুতি হিচাপে আগতীয়াকৈ চাহ-মিঠাইৰ প্ৰস্তুতিৰ ব্যৱস্থা কৰাৰো খবৰ পোৱা গৈছে। আনকি, কিছুমান ক্ষেত্ৰত আনন্দ-উৎসাহৰ মাজতে বাজি ধৰা ঘটনাও লক্ষ্য কৰা গৈছে, যিয়ে সমষ্টিটোৰ উত্তেজনা আৰু বেছি তীব্ৰ কৰি তুলিছে। বিশেষকৈ, এই সমষ্টিটোত মূল প্ৰতিদ্বন্দ্বিতা কৰা শাসকীয় দল ভাৰতীয় জনতা পাৰ্টি আৰু বিৰোধী ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মাজতে সীমাবদ্ধ হৈ আছে বুলি ৰাজনৈতিক মহলৰ ধাৰণা। শাসকীয় দলৰ প্ৰাৰ্থী তথা কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু বিৰোধী তথা কংগ্ৰেছৰ প্ৰাৰ্থী অশোক শৰ্মাৰ মাজত এইবাৰ কঠিন প্ৰতিদ্বন্দ্বিতা হ'ব বুলি বহুল চৰ্চা চলিছে। ৰাজনৈতিক বিশে-ষকসকলৰ একাংশই অনুমান কৰিছে যে, এইবাৰ জয়-পৰাজয়ৰ ব্যৱধান অতি কম ভোটত সীমাবদ্ধ থাকিব পাৰে। আনহাতে, কিছুমান সমীক্ষাত উল্লেখ কৰা হৈছে যে দুয়োপক্ষৰ মাজত ফলাফল প্ৰায় ৫০/৫০ হোৱাৰ সম্ভাৱনাই অধিক। ইফালে, সচেতন ভোটাৰসকলৰ মাজতো একে ধৰণৰ মতামত শুনা গৈছে। বহুতে বিশ্বাস কৰে যে এইবাৰ ফলাফল একেবাৰে শেষ মুহূৰ্তলৈকে অনিশ্চিত হৈ থাকিব আৰু সৰু ব্যৱধানেই জয়-পৰাজয় নিৰ্ধাৰণ কৰিব। যদিও এতিয়া সমষ্টিটোৰ ৰাজনৈতিক পৰিৱেশত উত্তেজনা আৰু কৌতূহল তুঙ্গত। তথাপিও সকলো সিদ্ধান্ত এতিয়া ইভিএমত বন্দী হৈ আছে। সেয়ে অহা ৪ মে' তাৰিখলৈ সকলোৰে অপেক্ষা—সেই দিনটোতেই স্পষ্ট হ'ব কোনে পিন্ধিব নলবাৰী সদৰ সমষ্টিৰ বিজয়ৰ মালা। মুঠৰ ওপৰত, নলবাৰী সদৰ সমষ্টিত চলি থকা এই নিৰ্বাচনী জল্পনা-কল্পনাই কেৱল ৰাজনৈতিক আগ্ৰহেই নহয়, এক সামাজিক আৰু সাংস্কৃতিক উৎসৱৰ ৰূপ লৈছে। এতিয়া কেৱল সময়েই ক'ব— কোনে লাভ কৰিব জনসমৰ্থনৰ চূড়ান্ত মৰ্যাদা।

# সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস

নতুন শাখা সমিতি গঠন ঢকুৱাখনাত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ এপ্ৰিল ঃ** প্ৰতিষ্ঠাৰ নৱম বৰ্ষত ভৰি দিবলগীয়া সোণোৱাল কছাৰী সাহিত্য সভাই এইবাৰ প্ৰতিষ্ঠা দিৱসটি উদ্‌যাপন কৰিব ঢকুৱাখনাৰ গৰুখুঁটিৰ কেকুৰী কছাৰী গাঁৱত। এই উপলক্ষে গাঁওখনিৰ কেকুৰী কছাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত অঞ্চলটোৰ বিশিষ্ট ব্যক্তি ধীৰেন কছাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত এক ৰাজহুৱা সভাই অহা ১৩ মে'ত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে সভাৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাই বিষয়টোৰ সম্পৰ্কত আলোচনা কৰি মিনকান্ত বড়াক সভাপতি, ভৰত সোণোৱালক উপসভাপতি, নিত্যা সোণোৱালক সম্পাদক, ধৰ্মেন্দ্ৰ সোণোৱাল, জয়ন্ত সোণোৱালক সহকাৰী সম্পাদক, কনক সোণোৱালক কোষাধ্যক্ষ আৰু মিণ্টু সোণোৱাল, হিমাংক সোণোৱালক প্ৰচাৰ সম্পাদক হিচাপে লৈ এখনি অভ্যৰ্থনা সমিতি গঠন কৰা হয়। সভাই সৰ্বসন্মতিক্ৰমে আলোচনা কৰি ধীৰেন কছাৰীক সভাপতি, সত্যানন্দ সোণোৱাল, চেৰীফল সোণোৱাল, সুৰভি সোণোৱালক উপসভাপতি, কৈলাস সোণোৱালক সম্পাদক, নিত্যা সোণোৱাল, নিভা সোণোৱাল, জয়ন্ত সোণোৱাল, জ্যোতিপ্ৰভা সোণোৱালক সহকাৰী সম্পাদক, ভূপেন সোণোৱাল, ৰেবত সোণোৱালক সাংগঠনিক সম্পাদক, দেৱজিৎ সোণোৱাল, জীতেন সোণোৱালক প্ৰচাৰ সম্পাদক হিচাপে লৈ সভাৰ কেকুৰী শাখা সমিতিখনিও আনুষ্ঠানিকভাৱে গঠন কৰা হয়। সমিতিখনৰ সকলো বিষয়ববীয়া আৰু সদস্য-সদস্যাক একেলগে শপতগ্ৰহণো কৰায় সভাৰ কেন্দ্ৰীয় সমিতিৰ উপসভাপতি ড০ লববাম সোণোৱালে। ঢকুৱাখনাৰ গৰুখুটি অঞ্চলত বসবাস কৰা ক্ৰমে কেকুৰী কছাৰী, গৰুখুঁটি, বালিজান কছাৰী, মাহনিবাৰী. কৰৈগুৰি কছাৰী আৰু চেলাজান কছাৰী গাঁৱৰ শতাধিক সাহিত্যপ্ৰেমীৰ উপস্থিতিত অনুষ্ঠিত উক্ত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সভাৰ মুখ্য সম্পাদক মৃদুল সোণোৱালে। সভাত উপস্থিত থকা কেন্দ্ৰীয় সমিতিৰ উপসভাপতি ড০ লবৰাম সোণোৱাল, মনিদীপা লালোৱাৰী শইকীয়া, প্ৰকাশন সচিব তথা 'সোণোৱাল বাৰ্তা'ৰ সম্পাদক, ৰতন হাজৰিকা, পত্ৰিকা সম্পাদক কল্পজিৎ সোণোৱাল, সাংগঠনিক সম্পদক নেত্ৰ বড়াই সভাৰ লক্ষ্য-উদ্দেশ্য আৰু সাহিত্য সভাৰ প্ৰয়োজনৰ বিভিন্ন দিশ আৰু সাম্প্ৰতিক সময়ত সোণোৱাল কছাৰী জনজাতিটোৰ উত্থান-পতনৰ অনেক দিশ সামৰি সাৰুৱা বক্তব্য আগবঢ়ায়। সভাত মীনকান্ত বড়া, সোণাৰি চাপৰি গাঁও পঞ্চায়তৰ সভানেত্ৰী কবিতা সোণোৱাল, বিশিষ্ট ব্যক্তি প্ৰেম সোণোৱাল, খগেন সোণোৱাল, ৰেবত সোণোৱাল আদিয়ে নিজৰ অনুভৱ ব্যক্ত কৰি সভাৰ আগন্তুক প্ৰতিষ্ঠা দিৱস সুকলমে আয়োজনৰ লগতে ঢকুৱাখনা অঞ্চলটোত সংগঠনটোৰ শ্ৰীবৃদ্ধিৰ বাবে সহযোগিতা আগবঢ়োৱাৰ কথা বেকত কৰে।

## ছাত্ৰক পিছ পেলাই আধিপত্য বিস্তাৰ ছাত্ৰীৰ

১, ৪৮, ১৬৯ গৰাকী ছাত্ৰ, ১, ৭৪, ৫৫৫ গৰাকী ছাত্ৰী আৰু এগৰাকী তৃতীয় লিংগৰ পৰীক্ষাৰ্থী আছিল। ঘোষিত ফলাফল অনুসৰি মুঠ ২, ৬৩, ২৫৫ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে, যাৰ ভিতৰত ১, ১৭, ৭৩১ গৰাকী ছাত্ৰ আৰু ১, ৪৫, ৪২৪ গৰাকী ছাত্ৰী। ফলত মুঠ উত্তীৰ্ণৰ হাৰ নিৰ্ধাৰিত হৈছে ৮১.৫৪ শতাংশ। ছাত্ৰসকলৰ উত্তীৰ্ণৰ হাৰ ৭৯.৪৬ শতাংশ হোৱাৰ বিপৰীতে ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ ৮৩.৩১ শতাংশ হৈছে। কলা শাখাত সৰ্বাধিক সংখ্যক পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। মুঠ ২, ৪১, ১২৪ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১৯১, ৭৮৯ গৰাকী উত্তীৰ্ণ হৈছে। ইয়াৰ ফলত কলা শাখাত উত্তীৰ্ণৰ হাৰ ৭৯.৫৪ শতাংশ হৈছে। ছাত্ৰসকলৰ উত্তীৰ্ণৰ হাৰ ৭৬.১০ শতাংশ আৰু ছাত্ৰীসকলৰ ৮১.৯৬ শতাংশ। প্ৰথম বিভাগত ৫৪, ৭৫৫ গৰাকী, দ্বিতীয় বিভাগত ৭৯, ১৮১ গৰাকী আৰু তৃতীয় বিভাগত ৫৭, ৮৬২ গৰাকী উত্তীৰ্ণ হৈছে। বাণিজ্য শাখাত ১৯, ৪৬৯ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিছিল। ইয়াৰে ১৫, ৭৯৬ গৰাকী উত্তীৰ্ণ হোৱাত উত্তীৰ্ণৰ হাৰ ৮১.১৩ শতাংশ হৈছে। ছাত্ৰসকলৰ হাৰ ৮০.৪৫ শতাংশ আৰু ছাত্ৰীসকলৰ ৮২.৬৭ শতাংশ। প্ৰথম বিভাগত ৭, ৭৯৭ গৰাকী, দ্বিতীয়ত ৫, ৬৯৪ গৰাকী আৰু তৃতীয় বিভাগত ২, ৩১৫ গৰাকী উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ আটাইতকৈ উচ্চ আছিল। ৬০, ৬৬৭ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৫৪, ৪৭৪ গৰাকী উত্তীৰ্ণ হৈছে, যাৰ ফলত হাৰ ৮৯.৭৯ শতাংশ হৈছে। ছাত্ৰসকলৰ উত্তীৰ্ণৰ হাৰ ৮৯.০০ শতাংশ আৰু ছাত্ৰীসকলৰ ৯০.৮০ শতাংশ। প্ৰথম বিভাগত ৩৪, ০৭৯ গৰাকী, দ্বিতীয়ত ১৭, ৭৭৭ গৰাকী আৰু তৃতীয় বিভাগত ২, ৬১৮ গৰাকী উত্তীৰ্ণ হৈছে। বৃত্তিমুখী শিক্ষা শাখাত ১, ৪৬৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ১, ০৮৭ গৰাকী উত্তীৰ্ণ হোৱাত উত্তীৰ্ণৰ হাৰ ৭৪.১৯ শতাংশ হৈছে। ছাত্ৰসকলৰ হাৰ ৭২.৪২ শতাংশ আৰু ছাত্ৰীসকলৰ ৭৬.৭৪ শতাংশ। কলা শাখাত বাঁ জিলাই ৯৪.২৯ শতাংশ উত্তীৰ্ণৰ হাৰেৰে প্ৰথম স্থান দখল কৰিছে। দ্বিতীয় স্থানত আছে দৰং জিলা (৯২.৯৯ শতাংশ) আৰু তৃতীয় স্থানত লখিমপুৰ জিলা (৯০.৩৫ শতাংশ)। কাছাৰ জিলাত কলা শাখাত উত্তীৰ্ণৰ হাৰ সৰ্বনিম্ন (৫৯.৮৩ শতাংশ)। বাণিজ্য শাখাত মাজুলী আৰু দক্ষিণ শালমৰা-মানকাচৰ জিলাই ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে যুটীয়াভাৱে প্ৰথম স্থান লাভ কৰিছে। তামুলপুৰ জিলা দ্বিতীয় (৯৮.৯৫ শতাংশ) আৰু বজালী জিলা তৃতীয় (৯৬.৪৬ শতাংশ) স্থানত আছে। ধুবুৰী জিলাত এই শাখাত উত্তীৰ্ণৰ হাৰ সৰ্বনিম্ন (৬৮.২৩ শতাংশ)। বিজ্ঞান শাখাত পশ্চিম কাৰ্বি আংলং জিলাই ৯৮.৩৯ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শীৰ্ষস্থান দখল কৰিছে। তামুলপুৰ জিলা দ্বিতীয় (৯৮.৩৬ শতাংশ) আৰু বাঁ জিলা তৃতীয় (৯৭.৯৬ শতাংশ) স্থানত আছে। ধেমাজি জিলাত বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ সৰ্বনিম্ন (৭০.০৩ শতাংশ)। বৃত্তিমুখী শিক্ষা শাখাত বিশ্বনাথ, মাজুলী আৰু শিৱসাগৰ জিলাই ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে যুটীয়াভাৱে প্ৰথম স্থান লাভ কৰিছে। দৰং জিলা দ্বিতীয় (৯৭.৮৫ শতাংশ) আৰু বৰপেটা জিলা তৃতীয় (৯৬.১৫ শতাংশ) স্থানত আছে। শ্ৰীভূমি জিলাত এই শাখাত উত্তীৰ্ণৰ হাৰ মাত্ৰ ৯.০৯ শতাংশ। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে প্ৰকাশ কৰা তথ্য অনুসৰি বিগত দহ বছৰত বিভিন্ন শাখাত উত্তীৰ্ণৰ হাৰত উঠা-নমা দেখা গৈছে। ২০২১ চনত সকলো শাখাতে উত্তীৰ্ণৰ হাৰ অত্যন্ত উচ্চ আছিল যদিও পিছৰ বছৰবোৰত সেই হাৰ কিছু পৰিমাণে হ্ৰাস পাইছে। এই ফলাফলৰ জৰিয়তে অসমৰ শিক্ষাক্ষেত্ৰত ছাত্ৰীসকলৰ ক্ৰমবৰ্ধমান সাফল্য স্পষ্ট হৈ উঠিছে।

## চীন আৰু ৰাছিয়াৰ প্ৰতিৰক্ষা

আলোচনা অনুষ্ঠিত কৰে। মঙলবাৰে অনুষ্ঠিত এই বৈঠকসমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ আছিল ৰাজনাথ সিঙ আৰু চীনৰ প্ৰতিৰক্ষা মন্ত্ৰী এডমিৰেল ডং জুনৰ মাজৰ সাক্ষাৎ। দুয়ো দেশৰ প্ৰতিৰক্ষা মুৰব্বীৰ মাজত হোৱা এই বৈঠকখনত কি বিষয় লৈ আলোচনা হৈছে, সেই সন্দৰ্ভত এতিয়ালৈকে কোনো আনুষ্ঠানিক তথ্য প্ৰকাশ কৰা হোৱা নাই। সামাজিক মাধ্যমযোগে ৰাজনাথ সিঙে কেৱল এয়াই জানিবলৈ দিয়ে যে তেওঁ চীনা সমকক্ষৰ সৈতে মত বিনিময় কৰিছে। ইয়াৰ উপৰিও ৰাজনাথ সিঙে ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰেই বেলুছ'ভৰ সৈতেও সাক্ষাৎ কৰে। এই সন্দৰ্ভত তেওঁ কয়, "বিষ্কেকত অনুষ্ঠিত SCO প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকৰ সময়তে ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰেই বেলুছ'ভৰ সৈতে মোৰ সুবিধাজনক মতবিনিময় হয়।" বৈঠকৰ পাছত ৰাজনাথ সিঙে বিষ্কেকস্থিত ভিক্তৰি স্ক'ৱৈৰত মহান বীৰসকলক মাল্য অৰ্পণ কৰি শ্ৰদ্ধা জনায়। তাৰ পিছতেই তেওঁ আঞ্চলিক নেতাসকলৰ সৈতে ধাৰাবাহিক কৌশলগত বৈঠকত মিলিত হয়। এই বৈঠকসমূহত পাৰস্পৰিক নিৰাপত্তা, আঞ্চলিক স্থিতিশীলতা আৰু অন্যান্য জটিল বিষয়সমূহৰ ওপৰত গভীৰভাৱে আলোচনা কৰা হয়। সোমবাৰে আৰম্ভ হোৱা SCO প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ এই সন্মিলনখন পশ্চিম এছিয়াত চলি থকা সংকটৰ পটভূমিত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। এই সন্মিলনত সন্ত্ৰাসবাদ বিৰোধী পদক্ষেপ, আন্তঃৰাষ্ট্ৰীয় শান্তি ৰক্ষা আৰু সদস্য দেশসমূহৰ মাজত প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধিৰ দিশৰ ওপৰত আলোচনা চলিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ছাংহাই সহযোগিতা সংস্থাৰ বৰ্তমান সদস্য দেশসমূহ হৈছে — ভাৰত, ৰাছিয়া, চীন, পাকিস্তান, কাজাখস্তান, কিৰ্গিস্তান, তাজিকিস্তান, উজবেকিস্তান, ইৰাণ আৰু বেলাৰুছ। আধিকাৰিক শীৰ্ষ বৈঠকৰ বাহিৰেও ৰাজনাথ সিঙে কেইবাখনো সদস্য দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতে পৃথক বৈঠক অনুষ্ঠিত কৰি সংশ্লিষ্ট দেশৰ নিৰাপত্তা স্বাৰ্থৰ বিষয়সমূহত মত বিনিময় কৰাৰ সম্ভাৱনা আছে। ইপিনে, সম্প্ৰতি ইৰাণে হৰমুজ প্ৰণালী পুনৰ বন্ধ কৰি দিয়া আৰু যুদ্ধৰ অন্তত জলদ্বীপটো পুনৰ মুকলি কৰিবলৈ তিনিটা নতুন পদক্ষেপ প্ৰস্তাৱ কৰাৰ প্ৰতিবেদনো প্ৰকাশ পাইছে। এই পৰিস্থিতিয়ে SCO বৈঠকত আলোচিত পশ্চিম এছিয়া সংকটৰ গুৰুত্ব আৰু অধিক বৃদ্ধি কৰিছে।

## অত্যাধিক সুৰা সেৱনেই কাল হ'ল তিনি যুৱতীৰ!

সংবাদমেল যোগে দুৰ্ঘটনাৰ বহু গুৰুত্বপূৰ্ণ তথ্য উদঘাটন কৰিছে। বাহনখনৰ GPS তথ্যৰ জৰিয়তে আৰক্ষীয়ে উলিয়াই আনিছে এটাৰ পাছত আন এটা চাঞ্চল্যকৰ বিৱৰণ। DCP গৰাকীয়ে জানিবলৈ দিছে যে, ২৫ এপ্ৰিলৰ দিনৰ ভাগত ভাৰ্গৱ ডেকাৰ পৰা ছামিম আহমেদে সুইফট বাহনখন আনিছিল। কমেডি শ্ব'লৈ যাম বুলি কৈ নেহা, পূজা, আকাংক্ষা আৰু ছামিমে নিশা ১১ বজাত ভঙাগড়ত উপস্থিত হয়। তেওঁলোকৰ বাহনখন নিশা ১১ বজাৰ পৰা ভঙাগড়তে ৰৈ আছিল। ভঙাগড়ৰ ৰুদ্ৰাক্ষ মলত থকা EXORO বাৰত তেওঁলোকে নিশা ৩ বজালৈকে পাৰ্টী কৰিছিল। বাৰখনত ১৯ হাজাৰ টকাৰ বিল দি ছামিম আহমেদে তিনিগৰাকী যুৱতীক লৈ ওলাই আহে। তাৰ পাছত পুৱতি নিশা ৩ বজাত ভঙাগড়ৰ পৰা গীতানগৰৰ দিশে যাত্ৰা কৰে। সেই সময়ত বাহনখনৰ গতিবেগ আছিল প্ৰতি ঘণ্টাত ১৩৬ কিলোমিটাৰ। আৰক্ষীয়ে জানিবলৈ দিছে যে, ২৬ এপ্ৰিলৰ ৰাতি ৪ বাজি ৫ মিনিটমানত মঠঘৰীয়াত এই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। সুইফট বাহনখনে ৰৈ থকা এখন ট্ৰাকত পিছফালৰ পৰা তীব্ৰ গতিত খুন্দা মাৰে। দুৰ্ঘটনাত আহতসকলক স্থানীয় লোকৰ সহযোগত প্ৰথমে গেট হাস্পতাললৈ আৰু তাৰ পাছত GMCHলৈ লৈ যোৱা হয়। দুৰ্ঘটনাৰ পাছত ছামিম আহমেদে ঘটনাস্থলৰ পৰা পলায়ন কৰে। তেওঁৰ পৰিকল্পনা আছিল অৰুণাচললৈ পলাই যোৱাৰ। পলাতক অৱস্থাত শ্বিলংত গৈ দাড়ি আৰু চুলি কাটি নিজৰ বেশ সলনি কৰে। তাৰ পাছত ডিব্ৰুগড়ৰ লাহোৱালত আত্মগোপন কৰি আছিল। শেষত আৰক্ষীয়ে তেওঁক সেই ঠাইৰ পৰাই গ্ৰেপ্তাৰ কৰে। এই তথ্যসমূহে দুৰ্ঘটনাৰ আগৰ ঘটনাক্ৰমক এক নতুন মাত্ৰা দিছে। GPS তথ্য আৰু অন্যান্য প্ৰমাণৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰু অধিক গভীৰভাৱে চলাই আছে।

## ড° হিমন্ত বিশ্ব শৰ্মালৈ

বিভিন্ন সমষ্টিত প্ৰাৰ্থীসকলে ইজনে সিজনৰ বিৰুদ্ধে অভিযোগ আৰু প্ৰতিঅভিযোগৰ জৰিয়তে একে আনৰ ওপৰত আক্ৰমণাত্মক মন্তব্য কৰা পৰিলক্ষিত হৈছে। তাৰ মাজতে শিৱসাগৰ বিধানসভা সমষ্টিত সৃষ্টি হোৱা বিতৰ্কই ৰাজ্যজুৰি চৰ্চা লাভ কৰিছে। বিজেপিৰ প্ৰাৰ্থী কুশল দুৱৰীয়ে ৰাইজৰ দলৰ প্ৰাৰ্থী অখিল গগৈক ৰাজনৈতিকভাৱে হত্যা কৰিম বুলি কৰা মন্তব্যই প্ৰথমে তীব্ৰ বিতৰ্কৰ জন্ম দিছিল। সেই মন্তব্যৰ পাছত অখিল গগৈয়ে কুশল দুৱৰীক ১৯৯০ দশকৰ গুপ্তহত্যাৰ সৈতে জড়িত বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। এই অভিযোগৰ প্ৰতিক্ৰিয়াত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈক 'চিত্ৰগুপ্ত' আখ্যা দি সমালোচনা কৰিছিল। মঙলবাৰে সামাজিক মাধ্যমৰ জৰিয়তে অখিল গগৈয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন মুকলি চিঠি প্ৰকাশ কৰিছে। চিঠিখনত তেওঁ ১৯৯০ দশক আৰু একবিংশ শতিকাৰ আৰম্ভণিৰ সেই বিভীষিকাময় দিনবোৰৰ বৰ্ণনা দাঙি ধৰিছে। তেওঁ লিখিছে যে অসমৰ বুকুত সেই সময়ৰ গুপ্তহত্যাৰ স্মৃতি এতিয়াও মানুহে পাহৰা নাই। মুখত ক'লা কাপোৰ বান্ধি অহা ঘাতকৰ দলে যিকোনো সময়ত যিকোনো ঘৰত টোকৰ মাৰিব পাৰে বুলি আতংকত মানুহে দিন কটাইছিল। কেঁচা তেজেৰে লুইতৰ পানী ৰঙা কৰা সেই দিনবোৰৰ কথা মনত পৰিলে আজিও গাৰ নোম শিয়ঁৰি উঠে বুলি তেওঁ উল্লেখ কৰে। অখিল গগৈয়ে কুশল দুৱৰী (জয়ন্ত হাজৰিকা নামেৰেও পৰিচিত)ক অসমৰ ইতিহাসৰ আটাইতকৈ ডাঙৰ খলনায়ক আখ্যা দি কয় যে সেই সময়ত এইগৰাকী ব্যক্তিৰ উপদ্ৰৱত মানুহে জীপ গাড়ীৰ শব্দ শুনিলেই উশাহ-নিশাহ স্তব্ধ হৈ পৰিছিল। তেওঁ বিভিন্ন বাতৰিকাকত, স্থানীয় ৰাইজৰ অভিযোগ আৰু 'ৰিপ'ৰ্ট অৱ জাষ্টিছ: কে এন শইকীয়া কমিশ্যন অৱ এনকুৱাৰী'ৰ তথ্যৰ ভিত্তিত কয় যে কুশল দুৱৰীয়ে কেৱল শিৱসাগৰতেই ৬৮টা হত্যাকাণ্ডৰ সৈতে জড়িত আছিল। এয়া কেৱল অসম্পূৰ্ণ তালিকাহে আৰু এই সংখ্যা আৰু বহু বেছি হ'ব পাৰে বুলি তেওঁ উল্লেখ কৰে। চিঠিত অখিল গগৈয়ে কেইবাটাও নৃশংস ঘটনাৰ বিৱৰণ দাঙি ধৰিছে। ১৯৯৯ চনৰ ১২ ছেপ্টেম্বৰত মাহমৰাৰ ববিলত উমা গগৈ পৰিয়ালৰ ছয়গৰাকী ছোৱালীক মাক-দেউতাকৰ সন্মুখতে বলাৎকাৰ কৰি পৰিয়ালৰ মুঠ নয়জনক বোমাৰে উৰুৱাই দিয়া হয়। বিস্ফোৰণত গাৰ মাংস চাৰিওফালে ছিটিকি গছৰ ডালত ওলমি ৰৈছিল। ৮ জানুৱাৰী, ১৯৯৯ চনত নিতাইপুখুৰীত অচ্যুত গগৈ আৰু দেৱ চেতিয়াৰ জিভা কাটি হত্যা কৰা হয়। ২ জুন, ১৯৯৩ চনত পাৰলিগুৰিত মাত্ৰ সাত বছৰীয়া নিষ্পাপ শিশু মিলন বুঢ়াগোঁহাইক গুলীয়াই হত্যা কৰা হয়। একেদিনা ৯ম শ্ৰেণীৰ দিবাকৰ বুঢ়াগোঁহাই আৰু মাণিক মহনকো নৃশংসভাৱে হত্যা কৰা হয়। তেওঁ আৰু উল্লেখ কৰে যে এই ঘাতক বাহিনীয়ে চাৰিজন অনুসূচিত জাতিৰ লোকক হত্যা কৰি এজনৰ বুকুৰ কলিজা উলিয়াই টুকুৰা-টুকুৰা কৰিছিল। ২০০১ চনত মৰাণ পল' ক্লাৱত প্ৰদীপ মহনসহ বাৰজনক একেলগে গুলীয়াই হত্যা কৰা হয়। এনে শ শ নিৰীহ লোক গুপ্তহত্যাৰ নামত বলি হোৱাৰ কথা উনুকিয়াই অখিল গগৈয়ে কয় যে ভুক্তভোগী পৰিয়ালবোৰৰ বুকুৰ যন্ত্ৰণা আজিও কমা নাই। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ 'চিত্ৰগুপ্ত' আখ্যাক তীব্ৰ সমালোচনা কৰি অখিল গগৈয়ে প্ৰশ্ন কৰিছে যে এনে জঘন্যতম অপৰাধীক বিজেপিয়ে শিৱসাগৰ সমষ্টিৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰি গণতন্ত্ৰক কি পৰ্যায়লৈ অধঃপতিত কৰিলে। তেওঁ লিখিছে যে নিৰ্বাচনত জিকিলেও বা হাৰিলেও এই জঘন্য গুপ্তহত্যাকাৰীৰ বিৰুদ্ধে মাত মাতিবলৈ আৰু অপৰাধীৰ দ্বাৰা গণতন্ত্ৰৰ হত্যাযজ্ঞ ৰোধ কৰিবলৈ তেওঁৰ সাহসৰ অভাৱ নাই। প্ৰয়োজন হ'লে তেওঁ নিজেও গুপ্তহত্যাৰ বলি হ'ব পাৰে বুলি উল্লেখ কৰিছে। চিঠিৰ লগতে অখিল গগৈয়ে 'জয়ন্ত হাজৰিকা তথা কুশল দুৱৰীয়ে সংঘটিত কৰা নৃশংস হত্যাকাণ্ডৰ অসম্পূৰ্ণ তালিকা' এখন প্ৰকাশ কৰিছে। তাত ৬৮ গৰাকী ব্যক্তিৰ নাম উল্লেখ আছে। তেওঁ কয় যে এয়া আংশিক তালিকাহে আৰু সকলো তথ্য গোটাই চালে আৰু বহুতো নাম ওলাই আহিব। তেওঁ মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে যে বাতৰিকাকতৰ পৃষ্ঠা লুটিয়াই, প্ৰত্যক্ষদৰ্শীৰ সাক্ষাৎ লৈ আৰু নিজৰ বিবেকৰ দ্বাৰা বিচাৰ কৰি এনে এজন ব্যক্তিক প্ৰাৰ্থী কৰাৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰক। এই মুকলি চিঠি আৰু তালিকা প্ৰকাশৰ পাছত শিৱসাগৰ সমষ্টিত নিৰ্বাচনী ৰাজনীতি অধিক উত্তপ্ত হৈ উঠিছে। ১৯৯০ দশকৰ অসমৰ অন্ধকাৰ অধ্যায় পুনৰ আলোচনাত আহি পৰাত ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰ্বাচনৰ ফলাফলৰ লগে লগে এই বিতৰ্কৰ পৰিণাম কি হয় সেয়া এতিয়া লক্ষণীয় হৈ পৰিছে।

## বিজেপিত গাড্ডাৰ! লেকাম

ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন NDAই অভূতপূৰ্ব আৰু ঐতিহাসিক বিজয় সাব্যস্ত কৰিব। এই বিজয় সম্ভৱ হ'ব ৰাজ্যখনৰ থলুৱা, খিলঞ্জীয়া ভূমিপুত্ৰই ৯ এপ্ৰিলৰ দিনা হিলদল ভাঙি বৃহৎ সংখ্যক ভোটদান কৰাৰ বাবেই। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনৰ পৰা দলৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মাই জাৰি কৰা এক বিবৃতিত শইকীয়াই লগতে মন্তব্য কৰে যে ইতিবাচক সামাজিক আৰু ৰাজনৈতিক পৰিৱেশত ৰাজ্যখনৰ ৯০ শতাংশতকৈ অধিক সনাতনী লোকে ভোটদান কৰি গণতান্ত্ৰিক পৰিৱেশ সবল কৰিছে। তেওঁলোকৰ মূল উদ্দেশ্য হৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ চৌপাশে হোৱা সৰ্বব্যাপী, সৰ্বস্পৰ্শী আৰু সমাবেশী উন্নয়নৰ ভগৱতী প্ৰবাহৰ গতিৰ ধাৰাবাহিকতা অব্যাহত ৰখা। শইকীয়াই দৃঢ়মত পোষণ কৰে যে অসমৰ ৰাইজে ৯ এপ্ৰিলৰ দিনা ভোটদানৰ সময়ত দেখুওৱা পাৰভঙা উছাহে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিব। ফলত ভাৰতীয় জনতা পাৰ্টিয়ে আগৰবাৰৰ তুলনাত অধিক আসনত বিজয়ী হৈ চৰকাৰ গঠন কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। আনহাতে, শইকীয়াই দলৰ কাৰ্যকৰ্তাসকলৰ বাবে এক কঠোৰ নিৰ্দেশনাও জাৰি কৰে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী বা দলৰ দায়িত্বপ্ৰাপ্ত কোনো কাৰ্যকৰ্তাই যেন অশোভনীয় শব্দ ব্যৱহাৰ কৰি ফেচবুকক ধৰি সামাজিক মাধ্যমৰ কোনো এটা প্লেটফৰ্মতেই বক্তব্য নাৰাখে, তাৰ বাবে তেওঁ সংশ্লিষ্ট সকলোলৈ আহ্বান জনায়। প্ৰসংগত উল্লেখযোগ্য যে যোৱা কেইদিনমান ধৰি একাংশ দলীয় কাৰ্যকৰ্তাই 'চিপৰাং', 'গাড্ডাৰ' আদি শব্দ ব্যৱহাৰ কৰি সামাজিক মাধ্যমত নিজৰ উষ্মা প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। শইকীয়াই স্পষ্টভাৱে কয় যে সামাজিক মাধ্যম কেতিয়াও উষ্মা প্ৰকাশৰ ব্যৱস্থা হ'ব নোৱাৰে। তেওঁ সকলো কাৰ্যকৰ্তাক এনে অশোভনীয় আচৰণৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। বিজেপিৰ সংস্কৃতি 'চিপৰাং', 'গাড্ডাৰ' আদি শব্দ ব্যৱহাৰ কৰাটো নহয় বুলি উল্লেখ কৰি ৰাজ্যিক সভাপতিগৰাকীয়ে লগতে কয় যে দলৰ সকলো কাৰ্যকৰ্তাই অনুশাসন মানি চলিবই লাগিব। যদি কোনোৱে এই নিৰ্দেশ অমান্য কৰে, তেন্তে তেওঁ জবাবদিহি হ'ব লাগিব। এই আহ্বান দলৰ অভ্যন্তৰীণ শৃংখলা বজাই ৰখাৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি শইকীয়াই মত পোষণ কৰে।

## দেশ কঁপোৱা ৰাজা ৰঘুবংশীৰ

আহি সোণমে স্বামীক হত্যা কৰা বুলি অভিযোগ উঠিছিল। ২ জুনত ৰাজা ৰঘুবংশীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল আৰু পৰৱৰ্তী তদন্তত ঘটনাটোক হত্যাকাণ্ড হিচাপে নিশ্চিত কৰা হৈছিল। তদন্তৰ সময়ত সোণমে উত্তৰ প্ৰদেশৰ গাজীপুৰত আত্মসমৰ্পণ কৰিছিল আৰু ৯ জুনত মেঘালয় আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছিল। তদন্তত পোহৰলৈ আহিছে যে সোণমে নিজৰ প্ৰাক্তন প্ৰেমিক ৰাজ কুশৱাহাৰ সৈতে মিলি এই হত্যাকাণ্ড সংঘটিত কৰিছিল। এই ঘটনাই সমগ্ৰ দেশতে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ঘটনাৰ পাছত মেঘালয় আৰক্ষীয়ে সোণমৰ প্ৰাক্তন প্ৰেমিক ৰাজ কুশৱাহাকে ধৰি মুঠ পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰে মূল অভিযুক্ত ৰাজ কুশৱাহা এতিয়াও ন্যায়িক জিম্মাত আছে বুলি জানিব পৰা গৈছে। হত্যাকাণ্ডৰ পাছৰ পৰা সোণম মেঘালয়ৰ কাৰাগাৰতেই বন্দী আছিল। পূৰ্বৰ তিনিটা জামিন আৱেদন নাকচ হোৱাৰ পাছত চতুৰ্থবাৰৰ বাবে দাখিল কৰা আৱেদনত শ্বিলং আদালতে জামিন মঞ্জুৰ কৰাত সোণমে অৱশেষত সকাহ অনুভৱ কৰিছে। এই জামিনৰ সিদ্ধান্তই হানীমুন হত্যাকাণ্ডৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়াত নতুন মোৰ লৈ আহিছে। ৰাজা ৰঘুবংশীৰ পৰিয়ালে এই ঘটনাত ন্যায় বিচাৰি আহিছে আৰু গোটেই ঘটনাটোৱে দেশজুৰি তীব্ৰ আলোচনাৰ বিষয় হৈ পৰিছে।

## বাতিল কৰা হ'ব ৪৯খন

৪৯খন বিদ্যালয়ত একো এজন ছাত্ৰ-ছাত্ৰীও উত্তীৰ্ণ হোৱা নাই। বিভিন্ন জিলাৰ আয়ুক্তসকলে ইতিমধ্যে শূন্য বা অতি নিম্ন ফলাফল দেখুওৱা বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলক সতৰ্ক কৰি দিছে। মৰিগাঁও জিলাৰ আয়ুক্তই অপ্ৰাদেশীকৃত বিদ্যালয়সমূহৰ পৰা নৱম আৰু দশম শ্ৰেণী আঁতৰাই দিয়াৰ সিদ্ধান্ত ঘোষণা কৰিছে। জিলা আয়ুক্তসকলে প্ৰধান শিক্ষকসকলক নিৰ্দেশ দিছে যে অহা বছৰৰ বাবে শিক্ষাদানৰ পৰিৱেশ সম্পূৰ্ণৰূপে সংশোধন আৰু উন্নত কৰিব লাগিব যাতে ভাল ফলাফল লাভ কৰিব পৰা যায়। ইপিনে, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৭ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে কেইবাটাও নতুন নিয়ম প্ৰৱৰ্তন কৰিছে। নতুন নিয়ম অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে উত্তীৰ্ণ হ'বলৈ প্ৰতিটো বিষয়ত কমেও ৩৩ শতাংশ নম্বৰ লাভ কৰাটো বাধ্যতামূলক হ'ব। পৰীক্ষাৰ্থীয়ে ছয়টা বিষয়ত পৰীক্ষা দিব লাগিব যদিও মুঠ নম্বৰ গণনা কৰা হ'ব পাঁচটা বিষয়ৰ ভিত্তিত। পৰীক্ষাৰ উত্তৰপত্ৰ পুনৰ নিৰীক্ষণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ বাবে অহা দুদিনৰ ভিতৰতে অনলাইন লিংক খুলি দিয়া হ'ব। লগতে মাইগ্ৰেচন চাৰ্টিফিকেটৰ বাবে আবেদন কৰাৰ আধা ঘণ্টাৰ ভিতৰতে ই-মাইগ্ৰেচন চাৰ্টিফিকেট পোৱা যাব। পুনৰ নামভৰ্তিৰ ক্ষেত্ৰতো সহজ নিয়ম কৰা হৈছে। পাঁচটা বিষয়ত পৰীক্ষা দি এটা বিষয়ত অনুত্তীৰ্ণ হোৱা বা ছয়টা বিষয়ত পৰীক্ষা দি দুটা বিষয়ত অনুত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে পুনৰ নামভৰ্তি কৰিব নালাগে। তেওঁলোকে ২০২৭ চনৰ পৰীক্ষাত নিয়মীয়া পৰীক্ষাৰ্থী হিচাপে অংশগ্ৰহণ কৰিব পাৰিব। কিন্তু দুটাতকৈ অধিক বিষয়ত অনুত্তীৰ্ণ হ'লে পুনৰ নামভৰ্তি কৰাটো বাধ্যতামূলক হ'ব। অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে যিকোনো প্ৰতিষ্ঠানত নামভৰ্তি কৰিব পাৰিব আৰু পূৰ্বৰ বিদ্যালয়তে নামভৰ্তি কৰাটো বাধ্যতামূলক নহয়। ২০২৭ চনৰ পৰা উচ্চতৰ মাধ্যমিকত তিনিটা শাখাত মুঠ ৮৬টা বিষয় বিভক্ত কৰা হৈছে। 'ক' শাখাত ভাষা আৰু ঐচ্ছিক ইংৰাজী, 'খ' শাখাত কলা, বিজ্ঞান আৰু বাণিজ্যৰ বিষয়সমূহ আৰু 'গ' শাখাত স্কিল-ভিত্তিক বিষয়সমূহ থাকিব। কলা শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে 'গ' শাখাৰ এটা বিষয় বাছি লোৱাটো বাধ্যতামূলক হ'ব। দ্বাদশ শ্ৰেণীত সাধাৰণ জ্ঞানক সাত নম্বৰৰ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে অসমৰ সাংস্কৃতিক ঐতিহ্যক সন্মান জনাই নৱম আৰু দশম শ্ৰেণীৰ পাঠ্যক্ৰমত 'বৈচিত্ৰ্যময় অসম' অংশত জুবিন গাৰ্গ আৰু ভূপেন হাজৰিকাৰ বিষয়ে বিশেষ পাঠ অন্তৰ্ভুক্ত কৰা হৈছে। এই পাঠৰ পৰা পৰীক্ষাত পাঁচ নম্বৰ আহিব আৰু প্ৰতি বছৰে প্ৰশ্ন সোধাটো বাধ্যতামূলক হ'ব। ইয়াৰ উপৰি একাদশ আৰু দ্বাদশ শ্ৰেণীৰ আধুনিক ভাৰতীয় ভাষা বিষয়ৰ পাঠ্যপুথিতো জুবিন গাৰ্গৰ বিষয়ে বিশেষ অংশ সন্নিবিষ্ট কৰা হ'ব। এই সকলো সিদ্ধান্তই অসমৰ শিক্ষা ব্যৱস্থাক অধিক গুণগত, দায়িত্বশীল আৰু ফলপ্ৰসূ কৰি তোলাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

## মিচিং স্বায়ত্ত শাসিত পৰিষদ ভংগ কৰি নিৰ্বাচন অনুষ্ঠিত

সমাপ্ত হোৱাৰ পাছতো সেই পৰিষদে অবৈধভাৱে কাৰ্যনিৰ্বাহ কৰি থকাৰ অভিযোগ তুলি, পৰিষদখন ভংগ কৰি শীঘ্ৰে নতুন নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়লৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে লিবাৰেল ডেমক্ৰেটিক কাউঞ্চিল অৱ মিচিংলেণ্ডৰ ফাউণ্ডিং চেয়াৰমেন ৰোহন পাটিৰে। স্মাৰকপত্ৰখনত ৰোহন পাটিৰে উল্লেখ কৰিছে যে, মিচিং স্বায়ত্ত শাসিত পৰিষদে নিজৰ দায়িত্বসমূহ সঠিকভাৱে পালন কৰা নাই। ফলত মিচিং জনগোষ্ঠীৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াৰ হস্তক্ষেপ অত্যন্ত জৰুৰী হৈ পৰিছে। তেওঁ অভিযোগ কৰিছে যে, ২০১৯ চনৰ ১১ ফেব্ৰুৱাৰীত মিচিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচিত সাধাৰণ পৰিষদৰ প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল। সেই অনুসৰি পৰিষদৰ সাধাৰণ পাঁচ বছৰীয়া কাৰ্যকাল ২০২৪ চনৰ ১০ ফেব্ৰুৱাৰীত সমাপ্ত হ'ব লাগিছিল। কিন্তু ধাৰা ৭(৩) অনুসৰি ৰাজ্যপালে এক বছৰৰ বাবে কাৰ্যকাল বৃদ্ধি কৰিব পাৰে। সেই অনুসৰি কাৰ্যকাল ২০২৫ চনৰ ৯ ফেব্ৰুৱাৰীলৈকে বৃদ্ধি পাইছিল। তাৰ পাছত পৰিষদখনে স্বয়ংক্ৰিয়ভাৱে কাৰ্যক্ষমতা হেৰুৱাব লাগিছিল। কিন্তু বৰ্তমানেও পৰিষদখনে অবৈধভাৱে কাৰ্যনিৰ্বাহ কৰি আছে বুলি ৰোহন পাটিৰে উল্লেখ কৰিছে। তেওঁ কৈছে যে, ইয়াৰ দ্বাৰা ভাৰতীয় সংবিধানৰ মৌলিক নীতিসমূহ উলংঘন কৰা হৈছে আৰু নাগৰিকসকলৰ মৌলিক অধিকাৰ খৰ্ব কৰা হৈছে। স্মাৰকপত্ৰত আৰু কোৱা হৈছে যে, আইনগতভাৱে কাৰ্যকাল সমাপ্ত হোৱাৰ পাছতো কৰ্তৃপক্ষই নিৰ্বাচন অনুষ্ঠিত কৰাৰ কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। বৰ্তমানৰ পৰিষদখনে কোনো আইনগত অধিকাৰ নোহোৱাকৈয়ে কাৰ্য সম্পাদন কৰি থকাটো সম্পূৰ্ণৰূপে অবৈধ আৰু অগণতান্ত্ৰিক। ইয়াৰ ফলত মিচিং জনগোষ্ঠীৰ লোকসকলে নিজৰ প্ৰতিনিধি নিৰ্বাচিত কৰাৰ গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। ৰোহন পাটিৰে লগতে কৈছে যে, স্বায়ত্ত শাসিত পৰিষদৰ মূল উদ্দেশ্য হৈছে জনগোষ্ঠীৰ লোকসকলৰ গণতান্ত্ৰিক অধিকাৰসমূহ নিশ্চিত কৰা। কিন্তু কাৰ্যকাল সমাপ্ত হোৱাৰ পাছতো নিৰ্বাচন অনুষ্ঠিত নকৰি থাকিলে এই উদ্দেশ্য কেতিয়াও পূৰণ নহ'ব। নিৰ্বাচন অনুষ্ঠিত কৰাটো মিচিং জনগোষ্ঠীৰ প্ৰতিনিধিত্বমূলক শাসনৰ ওপৰত জনসাধাৰণৰ আস্থা পুনৰুদ্ধাৰ কৰাৰ বাবে অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰি তেওঁ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ক এই বিষয়ত তদন্ত আৰম্ভ কৰি বৰ্তমানৰ পৰিষদ ভংগ কৰাৰ লগতে নতুন নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। উল্লেখ্য যে, দিছপুৰৰ আশীৰ্বাদ লাভ কৰি মিচিং স্বায়ত্ত শাসিত পৰিষদে কাৰ্যকাল সমাপ্ত হোৱাৰ পাছতো অনৈতিকভাৱে কাৰ্যনিৰ্বাহ কৰি আছে বুলি একাংশ লোকে অভিযোগ উত্থাপন কৰিছে। লগতে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যগৰাকী শাসকপক্ষৰ এগৰাকী প্ৰভাৱশালী মন্ত্ৰীৰ অতি ঘনিষ্ঠ হোৱাৰ বাবেই এনে অনিয়ম চলি আছে বুলিও বিভিন্ন মহলৰ পৰা অভিযোগ উঠিছে। এই স্মাৰকপত্ৰৰ জৰিয়তে মিচিং জনগোষ্ঠীৰ মাজত গণতান্ত্ৰিক প্ৰক্ৰিয়া পুনৰ সক্ৰিয় কৰাৰ দাবী তীব্ৰ হৈ উঠিছে।

## ছিকিম ৰাজ্য গঠনৰ ৫০ বৰ্ষ উদ্‌যাপন সমাৰোহত

ৰাজ্যখনত ৪, ০০০ কোটি টকাৰো অধিক মূল্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰে। বিষয়াসকলে জনোৱা অনুসৰি, এই প্ৰকল্পসমূহৰ অধীনত আন্তঃগাঁথনি, যাতায়াত ব্যৱস্থা (কানেক্টিভিটি), স্বাস্থ্যসেৱা, শিক্ষা, শক্তি, নগৰ উন্নয়ন, পৰিৱেশ সুৰক্ষা, পৰ্যটন আৰু কৃষি খণ্ডকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰ অন্তৰ্ভুক্ত হৈ আছে। এই পদক্ষেপসমূহৰ মূল লক্ষ্য হৈছে হিমালয়ৰ পাদদেশত অৱস্থিত ছিকিম ৰাজ্যত সামগ্ৰিক আৰু সৰ্বাংগীণ উন্নয়নৰ গতি ত্বৰান্বিত কৰা। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ সামাজিক-অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰাৰ লগতে স্থানীয় জনসাধাৰণৰ জীৱনযাত্ৰাৰ মান উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীৰ এই ছিকিম ভ্ৰমণক ৰাজ্যখনৰ স্বৰ্ণ জয়ন্তী বৰ্ষৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বৰ্ণনা কৰা হৈছে। এই ভ্ৰমণে ছিকিমৰ দ্ৰুত, বহনক্ষম আৰু সামগ্ৰিক উন্নয়নৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ নিৰন্তৰ দায়বদ্ধতা আৰু গভীৰ আগ্ৰহক পুনৰ এবাৰ স্পষ্টভাৱে প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানত ছিকিমৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ক্ষেত্ৰত যি ধৰণৰ সহায় আৰু সমৰ্থন আগবঢ়াই আহিছে, তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাজ্যখনৰ আন্তঃগাঁথনিৰ উন্নয়ন, যোগাযোগ ব্যৱস্থাৰ সম্প্ৰসাৰণ আৰু স্থানীয় অৰ্থনীতিক শক্তিশালী কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এই প্ৰকল্পসমূহে ছিকিমক এক আধুনিক আৰু সমৃদ্ধ ৰাজ্য হিচাপে গঢ়ি তোলাত সহায়ক হ'ব বুলি আশা কৰা হৈছে। এই উন্নয়নমূলক পদক্ষেপে ছিকিমৰ জনগণৰ মাজত ইতিমধ্যে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু ৰাজ্যখনৰ ভৱিষ্যত উন্নয়নৰ দিশত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## নিৰ্বাচনৰ অন্তত পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ কোনো

লগে-লগে দেশজুৰি এক প্ৰকাৰৰ আশংকা বিয়পি পৰিছে যে নিৰ্বাচন শেষ হোৱাৰ লগে লগে পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছ (এলপিজি)ৰ দাম অস্বাভাৱিকভাৱে বৃদ্ধি পাব পাৰে। এই শংকাই সাধাৰণ ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰাত, বহু ঠাইত আগতীয়াকৈ ইন্ধন মজুত কৰাৰ প্ৰৱণতা দেখা গৈছে। ফলত বহুতো পেট্ৰ'ল পাম্পত অস্বাভাৱিক ভিৰ আৰু দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে। বিশেষকৈ অন্ধ্ৰপ্ৰদেশত এই আতংকিত ক্ৰয় (panic buying)ৰ ফলত পেট্ৰ'ল আৰু ডিজেলৰ চাহিদা প্ৰায় ৩০-৩৩ শতাংশলৈ বৃদ্ধি পাইছে। কিছুমান ঠাইত শতাধিক পাম্পত ইন্ধনৰ যোগান সাময়িকভাৱে কমি যোৱাৰ খবৰো পোৱা গৈছে। সামাজিক মাধ্যম আৰু উৰাবাতৰিত ভিত্তিহীন খবৰ বিয়পি পৰাৰ বাবে এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে বুলি ধৰা হৈছে। মধ্যপ্ৰাচ্যত চলি থকা যুদ্ধ আৰু হৰমুজ প্ৰণালীত সৃষ্টি হোৱা অচলাৱস্থাৰ বাবে যোৱা এমাহ ধৰি বিশ্বজুৰি ইন্ধনৰ যোগানত কিছু চাপ পৰিছে। ভাৰততো ক্ৰুড অইলৰ আমদানিত কিছু প্ৰভাৱ পৰাৰ আশংকা আছে। বহু লোকে ধৰি লৈছে যে নিৰ্বাচনৰ বাবে চৰকাৰে বৰ্তমান মূল্যবৃদ্ধি ৰখাই থৈছে আৰু ভোট শেষ হ'লে দাম বঢ়োৱা হ'ব। কিন্তু পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই এই সন্দৰ্ভত স্পষ্ট মন্তব্য কৰিছে। তেওঁ কৈছে, "পেট্ৰ'ল বা ডিজেলৰ মূল্য বৃদ্ধি কৰাৰ বৰ্তমান কোনো পৰিকল্পনা চৰকাৰৰ নাই। এনে ধৰণৰ কোনো প্ৰস্তাৱৰ বিষয়ে চৰকাৰে বিবেচনা কৰা নাই।" তেওঁ লগতে কৈছে যে বিভিন্ন ঠাইত চলি থকা আতংকিত ক্ৰয়ৰ বিষয়ে চৰকাৰ উদ্বিগ্ন আৰু ৰাজ্য চৰকাৰসমূহৰ সৈতে নিয়মিত যোগাযোগ ৰাখি ইন্ধনৰ যোগান স্বাভাৱিক ৰখাৰ বাবে নিৰ্দেশ দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা জনোৱা হৈছে যে দেশত বৰ্তমান পেট্ৰ'ল, ডিজেল আৰু এলপিজিৰ পৰ্যাপ্ত ভাণ্ডাৰ আছে। ৰাজ্যিক তেল কোম্পানীসমূহে যোগান নিশ্চিত কৰিবলৈ সকলো প্ৰয়াস কৰি আছে। সুজাতা শৰ্মাই আহ্বান জনাইছে যে সাধাৰণ ৰাইজে আতংকিত নহ'ব আৰু চৰকাৰী সূত্ৰৰ বাহিৰে কোনো উৰাবাতৰিত বিশ্বাস নকৰক। যদিও মধ্যপ্ৰাচ্যৰ পৰিস্থিতিৰ বাবে কিছু ক্ষেত্ৰত এলপিজি চিলিণ্ডাৰ বুকিংৰ সময়সীমাত সাময়িক সীমাবদ্ধতা আনি দিয়া হৈছে, তথাপি সামগ্ৰিকভাৱে ইন্ধন সংকটৰ খবৰবোৰ সম্পূৰ্ণ ভিত্তিহীন বুলি চৰকাৰে দাবী কৰিছে। চৰকাৰে বিক্ৰেতা আৰু পাম্প মালিকসকলৰ ওপৰতো কঠোৰ নজৰ ৰাখিছে যাতে কোনোৱে কৃত্ৰিম নাটনি সৃষ্টি কৰি বজাৰত অস্থিৰতাৰ সৃষ্টি নকৰে। পেট্ৰ'লিয়াম মন্ত্ৰালয়ে সকলো নাগৰিকক অনুৰোধ জনাইছে যে তেওঁলোকে কেৱল আধিকাৰিক সূত্ৰৰ পৰা তথ্য লওক আৰু আনৰ পৰা শুনি আতংকিত হৈ অপ্ৰয়োজনীয় ক্ৰয় নকৰক। চৰকাৰে আশ্বাস দিছে যে ৰাইজৰ সুবিধাৰ কথা বিবেচনা কৰি যিকোনো পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই মুহূৰ্তত দেশত ইন্ধনৰ যোগান স্বাভাৱিক ৰখাৰ বাবে সকলো প্ৰচেষ্টা চলি আছে। ৰাইজে শান্ত থাকি চৰকাৰী নিৰ্দেশনা মানি চলিলে কোনো ধৰণৰ অসুবিধা নহ'ব বুলি আশা কৰা হৈছে।

## আজি পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ

অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হোৱা ২৩ এপ্ৰিলত ৰাজ্যত ৯৩ শতাংশ ভোটদানৰ হাৰ পঞ্জীয়ন কৰা হৈছিল। দ্বিতীয় পৰ্যায়ত মুঠ ১৪২টা বিধানসভা সমষ্টিত ভোটাৰসকলে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিব। উল্লেখযোগ্য যে, ২০২১ চনৰ বিধানসভা নিৰ্বাচনত এই ১৪২টা সমষ্টিৰ ভিতৰত ১২৩টা সমষ্টিত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীসকলে জয়লাভ কৰিছিল। আনহাতে, ভাৰতীয় জনতা পাৰ্টিয়ে মাত্ৰ ১৮টা সমষ্টিত জয়ী হৈছিল আৰু ইণ্ডিয়ান ছেক্যুলাৰ ফ্ৰণ্টৰ এগৰাকী প্ৰাৰ্থীয়ে একোটা সমষ্টিত জয়লাভ কৰিছিল। প্ৰথম পৰ্যায়ত ১৫২টা সমষ্টিত ভোটগ্ৰহণ সম্পন্ন হৈছে। তৃণমূল কংগ্ৰেছে এই সমষ্টিসমূহত নিজৰ প্ৰাৰ্থীসকলক জয়ী কৰাব বুলি আত্মবিশ্বাস প্ৰকাশ কৰিছে। দলটোৱে কয় যে ২০২১ চনৰ বিধানসভা নিৰ্বাচন আৰু ২০২৪ চনৰ লোকসভা নিৰ্বাচনতো এই অঞ্চলসমূহত তেওঁলোকে বিপুল সমৰ্থন লাভ কৰিছিল। আনফালে, বিজেপিয়ে স্পষ্টকৈ কৈছে যে পশ্চিমবংগৰ দক্ষিণ অংশৰ সমষ্টিসমূহত জয়লাভ নকৰাকৈ তেওঁলোকে চৰকাৰ গঠন কৰিব নোৱাৰে। দলটোৰ মতে, নৰ্থ ২৪ পৰগানা, কলকাতা আৰু হাওড়া জিলাত মূলতঃ শক্তিশালী ফলাফল লাভ কৰিলেহে নিৰ্বাচনী ফলাফল নিজৰ অনুকূলে আনিব পাৰিব। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ হ'বলগীয়া জিলাসমূহৰ ভিতৰত হুগলীত ১৮টা, পূব বৰ্ধমানত ১৬টা, উত্তৰ ৪২ পৰগানাত ৩৩টা, দক্ষিণ ২৪ পৰগানাত ৩১টা, হাওড়াত ১৬টা, নদিয়াত ১৭টা আৰু কলকাতাত ১১টা সমষ্টি অন্তৰ্ভুক্ত আছে। টিএমচি আৰু বিজেপি উভয় দলেই দাবী কৰিছে যে প্ৰথম পৰ্যায়ৰ ১৫২টা সমষ্টিৰ ভিতৰত ১০০টা সমষ্টিত তেওঁলোকৰ প্ৰাৰ্থী জয়ী হ'ব। উল্লেখ্য যে, বিশেষ তালিকা পৰ্যালোচনা (SIR)ৰ পাছত ভোটাৰ তালিকাৰ পৰা সৰ্বাধিক নাম কৰ্তন কৰা হৈছে উত্তৰ ২৪ পৰগানা জিলাত। এই জিলাত প্ৰায় ১২.৬ লাখ লোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হৈছে। ইয়াৰ উপৰি কলকাতাত প্ৰায় ৭ লাখ, হাওড়াত ৬ লাখ, হুগলীত ৪.৬৮ লাখ, দক্ষিণ ২৪ পৰগানাত ১০.৯১ লাখ আৰু নদিয়াত ৪.৮৫ লাখ লোকৰ নাম কৰ্তন কৰা হৈছে। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত ৪ মে', ২০২৬ চনত ফলাফল ঘোষণা কৰা হ'ব। ফলাফল ঘোষণাৰ পাছতেই স্পষ্ট হ'ব যে এইবাৰ ৰাজ্যখনত কোন দলে চৰকাৰ গঠন কৰিব আৰু কোনে মাৰিব শেষ হাঁহি।

## ১০০ শতাংশ উত্তীৰ্ণৰে

বৰ্ষৰ ফলাফলত মাজুলী জিলাৰ সামগ্ৰিক ফলাফল সন্তোষজনক বুলি ক'ব পাৰি। জিলাখনৰ মুঠ ৯টা পৰীক্ষা কেন্দ্ৰত চাৰিওটা শাখাত মুঠ ২০০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ১৭৭৭ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। কলা শাখাত মুঠ ১৭২৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১৫২১ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ৫০১ গৰাকী প্ৰথম বিভাগত, ৫৭১ গৰাকী দ্বিতীয় বিভাগত আৰু ৪৪৯ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। কলা শাখাত উত্তীৰ্ণৰ হাৰ ৮৮.২৮ শতাংশ। ইফালে বাণিজ্য শাখাত মুঠ ২৩ গৰাকী পৰীক্ষাৰ্থীৰ সকলো উত্তীৰ্ণ হয়। ইয়াৰে ১৩ গৰাকী প্ৰথম বিভাগত, ৯ গৰাকী দ্বিতীয় বিভাগত আৰু ১ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। এই শাখাত ১০০ শতাংশ উত্তীৰ্ণৰ হাৰ অৰ্জন কৰাৰ লগতে ৰাজ্যৰ ভিতৰতে মাজুলীয়ে শীৰ্ষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। বিজ্ঞান শাখাত মুঠ ২৫৯ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১২৩ গৰাকী প্ৰথম বিভাগত, ৯৫ গৰাকী দ্বিতীয় বিভাগত আৰু ১৪ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। এই শাখাত উত্তীৰ্ণৰ হাৰ ৮৯.৫৮ শতাংশ। বৃত্তিমূলক শাখাত অৱতীৰ্ণ একমাত্ৰ পৰীক্ষাৰ্থী গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ১০০ শতাংশ ফলাফল নিশ্চিত কৰে। এই শাখাতো মাজুলীয়ে ৰাজ্যৰ ভিতৰতে শীৰ্ষ স্থান দখল কৰে।

## সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ

কৰিব। উল্লেখ্য যে, সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানিৰ লগে লগে তেওঁৰ দুজন দেহৰক্ষী পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ চাৰ্জ হিয়াৰিংও আজি সম্পন্ন হৈছে। আদালতে এই দুজন অভিযুক্তৰ বিৰুদ্ধে চাৰ্জ গঠনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। আনহাতে, বাকী থকা পাঁচজন অভিযুক্তৰ চাৰ্জ হিয়াৰিং পৰৱৰ্তী শুনানিত অনুষ্ঠিত হ'ব। আদালতে সেই অনুসৰি পৰৱৰ্তী দিন নিৰ্ধাৰণ কৰিব। সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি আৰু চাৰ্জ হিয়াৰিঙৰ প্ৰক্ৰিয়াই বৰ্তমান অসমৰ ৰাজনৈতিক আৰু আইনী মহলত তীব্ৰ চৰ্চাৰ বিষয় হৈ পৰিছে। ২ মে'ত আদালতে কি ৰায় দিয়ে সেয়া লক্ষণীয় হৈ পৰিছে। এই ঘটনাৰ সৈতে জড়িত সমগ্ৰ বিচাৰ প্ৰক্ৰিয়াৰ প্ৰতি ৰাজ্যবাসীৰ দৃষ্টি আকৰ্ষিত হৈ আছে।

# গেলেকীৰ Hello Kidz প্ৰাক-প্ৰাথমিক বিদ্যালয়ত ৰঙালী উৎসৱ

**অসম বাৰ্তা, গেলেকী, ২৮ এপ্ৰিল ঃ** অসমীয়া বাপতি সাহোন ৰঙালী বিহুৰ পৰম্পৰা ৰক্ষাৰ বাবে গেলেকীৰ Hello Kidz প্ৰাক-প্ৰাথমিক বিদ্যালয় বিশেষ পদক্ষেপ। ৰঙালীৰ সাত বিহুৰ তাৎপৰ্য বিষয়ে কণকণ ছাত্ৰ-ছাত্ৰীক অৱগত কৰাৰ প্ৰয়াস কৰিছে বিদ্যালয়খনে। প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান গেলেকীৰ জি, জি, এছৰ সমীপত অৱস্থিত hello kidz নামৰ শিক্ষা অনুষ্ঠানখনৰ। গেলেকী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বহু কণকণ ছাত্ৰ-ছাত্ৰীয়ে প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰে এই শিক্ষানুষ্ঠানখনতে। শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় ৰঙালী বিহুৰ অনুষ্ঠানৰ। অসমীয়া বাপতি সাহোন ৰঙালী বিহুৰ লগত জড়িত বিভিন্ন বিষয় আলোচনা তথা কণকণ শিশুসকলক ইয়াৰ বিষয়ে এই কণমানি বয়সৰ পৰাই বুজোৱাৰ প্ৰয়াস কৰা হয়। এই অনুষ্ঠানত স্কুলখনৰ কণকণ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন বিহুৰ লগত জড়িত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিশেষকৈ বিহুনাচ, ঢোলবাদন, লগতে বিহুনামৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ত অনুষ্ঠিত এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে বিদ্যালয়ৰখনৰ বহু ছাত্ৰ-ছাত্ৰী সকলে। কণকণ ছাত্ৰ-ছাত্ৰীয়ে এই বয়সৰ পৰাই বিহুৰ পৰম্পৰাৰ বিষয়ে অৱগত কৰাই এই অনুষ্ঠানৰ মূল লক্ষ্য বুলি উল্লেখ কৰে বিদ্যালয়খনৰ সঞ্চালিকা কিৰণ শৰ্মাই।

# উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত ঢেকীয়াজুলিৰ তিনিখনকৈ ব্যক্তিগত শিক্ষানুষ্ঠানৰ ঐতিহাসিক সফলতা

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৮ এপ্ৰিল ঃ** আজি ঘোষণা কৰা হ'ল অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত অনুষ্ঠিত উচ্চতৰ মাধ্যমিক (HS)ৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল। সমগ্ৰ ৰাজ্যজুৰি এই ফলাফলক লৈ শিক্ষাৰ্থী, অভিভাৱক তথা শিক্ষক সমাজৰ মাজত উচ্ছ্বাসময় পৰিবেশ সৃষ্টি হোৱা দেখা যায়। এইবাৰো ফলাফলত বিশেষকৈ ঢেকীয়াজুলি অঞ্চলত এক উল্লেখযোগ্য দৃষ্টান্ত স্থাপন কৰিছে তিনিখনকৈ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে। চৰকাৰী মহাবিদ্যালয়সমূহৰ পৰিবৰ্তে এইবাৰ ডিষ্টিংচন, ষ্টাৰ প্ৰাপ্তি কৰি ১০০ শতাংশ উত্তীৰ্ণৰে গৌৰৱ অৰ্জন কৰি উজলি উঠিছে ব্যক্তিগত শিক্ষানুষ্ঠানসমূহে, যি অঞ্চলটোৰ শিক্ষাক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰিছে। উল্লেখযোগ্যভাৱে, ঢেকীয়াজুলিৰ ৰিজনেঞ্চ চিনিয়ৰ চেকেণ্ডেৰী স্কুল, লক্ষ্মীনাথ বেজবৰুৱা একাডেমি আৰু গ্ৰেভিটি কনিষ্ঠ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে সফলভাৱে পৰীক্ষাত উত্তীৰ্ণ হৈ ১০০ শতাংশ ফলাফল দাঙি ধৰিবলৈ সক্ষম হৈছে। এই সাফল্যই কেৱল সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহৰেই নহয় সমগ্ৰ ঢেকীয়াজুলি অঞ্চলৰ বাবে এক গৌৰৱৰ বিষয় হিচাপে পৰিগণিত হৈছে। শিক্ষকসকলৰ একান্ত পৰিশ্ৰম, শিক্ষাৰ্থীসকলৰ অধ্যৱসায় আৰু অভিভাৱকসকলৰ সমৰ্থনৰ ফলস্বৰূপে এই অভূতপূৰ্ব সফলতা সম্ভৱ হোৱা বুলি বিদ্যালয় কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। তদুপৰি শৃংখলাবদ্ধ শিক্ষাদান পদ্ধতি, নিয়মীয়া পৰীক্ষা ব্যৱস্থা আৰু শিক্ষাৰ্থী-কেন্দ্ৰিক দৃষ্টিভংগীয়ে এই ফলাফল লাভত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। স্থানীয় বাসিন্দা তথা অভিভাৱকসকলেও এই সাফল্যত আনন্দ প্ৰকাশ কৰি কয় যে ব্যক্তিগত শিক্ষানুষ্ঠানসমূহে এতিয়া শিক্ষাৰ গুণগত মান উন্নত কৰাৰ ক্ষেত্ৰত এক শক্তিশালী বিকল্প হিচাপে আত্মপ্ৰকাশ কৰিছে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, এই ফলাফলে ঢেকীয়াজুলিৰ শিক্ষাক্ষেত্ৰত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে আৰু আগন্তুক সময়ত অধিক উন্নত ফলাফলৰ আশা জাগ্ৰত কৰিছে।

# অভয়াপুৰী ডুমুৰীয়া-পিকনাপাৰা বজাৰ সাময়িকভাৱে বন্ধ

**অসম বাৰ্তা, অভয়াপুৰী, ২৮ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ নিকটবৰ্তী ডুমুৰীয়া-পিকনাপাৰা দৈনিক আৰু পাচলি বজাৰখন নীতিবহিৰ্ভূতভাৱে চলাই থকাৰ পৰিপ্ৰেক্ষিতত অভয়াপুৰী সমজিলা আয়ুক্তই তদন্তমুলে সাময়িকভাবে বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে। জানিব পৰা মতে, সৃজনগ্ৰাম ৰাজহ চক্ৰৰ বিষয়াৰ কাৰ্য্যালয়ৰ অন্তৰ্গত তথা আমবাৰী-বাৰেগড় পঞ্চায়তৰ অন্তৰ্গত ডুমুৰীয়া-পিকনাপাৰাত কিছুদিন পূৰ্বে স্থাপন হৈছিল দৈনিক আৰু পাইকাৰী পাচলি বজাৰ। ডুমুৰীয়া তৃতীয় খণ্ডৰ মনতাজ আলী শিকদাৰৰ দাগ নং-১৫৭, পট্টা নং- ৯৭, দাগ নং -১৫৪ আৰু ১৫৫, পট্টা নং ১৮১ত থকা ৩ বিঘা ২ কঠা ৩ লেচা ভূমিত থকা বজাৰখন পৰিচালনাৰ দায়িত্বত আছিল নিজামুদ্দিন আহমেদ। সমজিলা আয়ুক্তৰ নিৰ্দেশত উল্লেখ কৰা মতে, উক্ত ভূমিৰ এটা অংশ কৃষি ভূমি হোৱাৰ লগতে আন খণ্ড ভূমি ভেটি মাটি। এনে স্থলত কোনোধৰণৰ কোনো জিলা আয়ুক্তৰ অনুমতি অবিহনে তথা ভূমিৰ শ্ৰেণী পৰিবৰ্তন নকৰাকৈ উক্ত ভূমিখণ্ড ব্যৱসায়িক ক্ষেত্ৰত ব্যৱহাৰ কৰি আছে। তদুপৰি উক্ত বজাৰখন বঙাইগাঁও জিলাৰ মধ্যবৰ্তী ৰাজ্যিক ঘাইপথত হোৱাত যান-জট অধিক যদিও পাৰ্কিংৰ ব্যৱস্থা নাই। আনপিনে বজাৰখন সামান্য আঁতৰত আছে পেট্ৰল পাম্প এখন। এনে ক্ষেত্ৰত বজাৰখন নীতিবহিৰ্ভূতভাৱে চলি থকা বুলি দুবাৰকৈ ৰাজহুৱা অভিযোগ দাখিল কৰিছিল জিলা আয়ুক্তৰ ওচৰত। অৱশেষত যোৱা ১৭ এপ্ৰিল তাৰিখে সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়া, ৰাজহ চক্ৰ বিষয়া আৰু অভয়াপুৰী আৰক্ষীৰ তদন্ত প্ৰতিবেদন মতে বজাৰখন সামগ্ৰিকভাৱে বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়ে।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে উজ্জ্বলিল পুৰণিগুদাম কলংপাৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুল

## উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা কৰ্তৃপক্ষৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ এপ্ৰিল ঃ** উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত নগাঁও জিলাৰ পুৰণিগুদাম কলংপাৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুলখনে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। পুৰণিগুদাম কলংপাৰ চিনিয়ৰ চেকেণ্ডেৰী বিদ্যালয়খনৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা আটাইকেইজন ছাত্ৰ-ছাত্ৰীয়ে সফলতাৰে উত্তীৰ্ণ হোৱাত আজি কনিষ্ঠ মহাবিদ্যালয়খনত আনন্দমুখৰ পৰিবেশ সৃষ্টি হোৱা পৰিলক্ষিত হয়। বিশেষকৈ গ্ৰামাঞ্চলৰ আৰ্থিকভাবে পিছপৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শৈক্ষিক পৰিৱেশ প্ৰদানৰ বাবে ২০১৯ চনত স্থাপিত হোৱা পুৰণিগুদাম কলংপাৰ মাধ্যমিক আৰু কনিষ্ঠ মহাবিদ্যালয়খনে বিগত বৰ্ষৰ দৰে এইবাৰো এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাত স্থানীয় সচেতন-মহলে সন্তোষ প্ৰকাশ কৰিছে। কনিষ্ঠ মহাবিদ্যালয়খনৰ পৰা এইবেলি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। পুৰণিগুদাম কলংপাৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুলখনৰ পৰা এইবাৰ ২৯ গৰাকীয়ে প্ৰথম বিভাগত, ১৬ জনে দ্বিতীয় বিভাগত আৰু ৫ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰাৰ লগতে দেৱাশিস শইকীয়াই ৯১ শতাংশ আৰু ১০ গৰাকীয়ে ৭৫ শতাংশ লাভ কৰি তথা সুখ্যাতিৰে উত্তীৰ্ণ হৈ কনিষ্ঠ মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনাত অধ্যক্ষ পবিত্ৰ বৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে আনন্দ প্ৰকাশ কৰিছে। পৰীক্ষা কেন্দ্ৰটোৰ ভিতৰত পুৰণিগুদাম কলংপাৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুলখনে প্ৰথম পজিছন লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আনহাতে, আজি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত পুৰণিগুদাম কলংপাৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুলখনলৈ গৌৰৱ কঢ়িয়াই অনা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক কনিষ্ঠ মহাবিদ্যালয়খনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। গ্ৰামাঞ্চলত স্থাপিত হোৱা পুৰণিগুদাম কলংপাৰ চিনিয়ৰ চেকেণ্ডেৰী স্কুলখনে অনাগত দিনত বৃহত্তৰ পুৰণিগুদামলৈ আৰু অধিক গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ব বুলি স্থানীয় সচেতন-মহলে মতপ্ৰকাশ কৰিছে।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আমগুৰিৰ উত্তীৰ্ণৰ হাৰ সন্তোষজনক

**অসম বাৰ্তা, চেলেংহাট, ২৮ এপ্ৰিল ঃ** আজি ঘোষিত ৰাজ্যৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত আমগুৰিৰ বিভিন্ন শিক্ষানুষ্ঠানে আশানুৰূপ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। আমগুৰিৰ চৰকাৰী খণ্ডৰ মধ্যমণি শিক্ষানুষ্ঠান আঃহেঃদেঃউচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাত ১০০ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হয়। শিক্ষানুষ্ঠান খনৰ ৫১ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১৩ গৰাকীৰ ষ্টাৰ নম্বৰ সহ ৪৪ গৰাকীয়ে প্ৰথম বিভাগ, ৬ গৰাকীয়ে তৃতীয় বিভাগ আৰু ১ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। আনহাতে বাণিজ্য বিভাগত ৬৫ গৰাকীৰ ভিতৰত ৪ গৰাকীৰ ষ্টাৰ নম্বৰ সহ ২২ গৰাকীয়ে প্ৰথম বিভাগ, ৩০ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৮ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৯২.৩১ শতাংশ। আমগুৰি মহাবিদ্যালয়ৰ কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ৬৯.৬ শতাংশ। মহাবিদ্যালয় খনৰ কলা শাখাত ২৯ গৰাকীয়ে প্ৰথম বিভাগ, ৫০ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ৯৭ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। আমগুৰিৰ অৰুণোদয় একাডেমীৰ কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ৯৮.৫৯ শতাংশ। শিক্ষানুষ্ঠান খনৰ ১৪২ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ১৪০ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ৫১ গৰাকীৰ ডিষ্টিংচন আৰু ষ্টাৰ নম্বৰ সহ ১০১ গৰাকীয়ে প্ৰথম বিভাগ, ৩৮ গৰাকীয়ে দ্বিতীয় আৰু ১ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। ইয়াৰে মঞ্জিমা নেওগে ৯৪.৮ শতাংশ নম্বৰ সহ উত্তীৰ্ণ হৈছে। আনহাতে বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ ৯৮.৮৬ শতাংশ। বিজ্ঞান শাখাত ৮৮ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৮৭ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ৪৩ গৰাকীৰ ডিষ্টিংচন আৰু ষ্টাৰ নম্বৰ সহ ৮২ গৰাকীয়ে প্ৰথম বিভাগ, ৫ গৰাকীয়ে দ্বিতীয় আৰু এগৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। ইয়াৰে ঈশানজ্যোতি হাজৰিকাই ৯১.২ শতাংশ নম্বৰ লাভ কৰিছে। শিক্ষানুষ্ঠান খনৰ বাণিজ্য বিভাগৰ উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। বাণিজ্য বিভাগত ১০ জনৰ ডিষ্টিংচন আৰু ষ্টাৰ নম্বৰ সহ ২৩ জনে প্ৰথম বিভাগ, আৰু ১২ জনে দ্বিতীয় বিভাগ লাভ কৰে। চামগুৰিৰ নিলাক্ষী মেম'ৰিয়েল একাডেমী ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ৯১.৩ শতাংশ। বিদ্যালয় খনৰ ২৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ২১ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ১ গৰাকীৰ ডিষ্টিংচন, ২ গৰাকীৰ ষ্টাৰ নম্বৰ সহ ১৩ গৰাকী প্ৰথম, ৭ গৰাকী দ্বিতীয় আৰু ১-গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়।

# ৰাণীত বাইক চুৰি

**অসম বাৰ্তা, মিৰ্জা, ২৮ এপ্ৰিল ঃ** মহানগৰীৰ সমীপৱৰ্তী ৰাণীত সংঘটিত হৈছে এক চুৰি কাণ্ড। ৰাণীৰ বেলগুৰীৰ সূৰুজ ৰাভা নামৰ যুৱকজৰ নিজ বাসগৃহৰ পৰা মংগলবাৰে পুৱা প্ৰায় চাৰি বজাত চোৰে চুৰি কৰি লৈ আৰ ফিফটিন বাইক। চুৰি হোৱা বাইক খনৰ নম্বৰ হৈছে এ এছ ০১ জি ই ৯৮২৬। ইফালে বাইকখন হেৰুৱাই দুখত ভাঙি পৰিছে সূৰুজ ৰাভা। ঘটনাৰ সন্দৰ্ভত বাইকৰ গৰাকী সূৰুজ ৰাভাই ৰাণী আৰক্ষী চকীত দাখিল কৰিছে এজাহাৰ। এজাহাৰৰ পিছতে আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত।

# শ্বান একাডেমী ছিনিয়ৰ ছেকণ্ডাৰী স্কুলৰ সাফল্য

**অসম বাৰ্তা, সোণতলী, ২৮ এপ্ৰিল ঃ** এইবাৰ উচ্চতৰ মাধমিক চূড়ান্ত পৰীক্ষাত উজ্জ্বলিল সোণতলীৰ শ্বান একাডেমী ছিনিয়ৰ ছেকণ্ডাৰী স্কুল নামৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়। ইয়াকে কেন্দ্ৰ কৰি বিদ্যালয়খনত শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ মাজত আনন্দ বিৰাজ কৰিছে। কামৰূপ জিলাৰ সোণতলীত অৱস্থিত ব্যক্তিগত খণ্ডৰ শৈক্ষিক প্ৰতিষ্ঠান শ্বান একাডেমী ছিনিয়ৰ ছেকণ্ডাৰী স্কুলে উচ্চতৰ মাধমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত সুনাম কঢ়িয়াই আনিছে। জানিব পৰামতে, বিদ্যালয়খনৰ পৰা উচ্চতৰ মাধমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত ১০০, বিজ্ঞান শাখাত ৪২ আৰু বাণিজ্য শাখাত ১৩ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হৈছিল। সেইমৰ্মে ঘোষিত পৰীক্ষাৰ কলা শাখাত এজনে ষ্টাৰ আৰু ২৭ গৰাকীয়ে প্ৰথম বিভাগ, বিজ্ঞান শাখাত ৮ গৰাকীয়ে ষ্টাৰ আৰু ৩২ গৰাকীয়ে প্ৰথম বিভাগ আৰু এগৰাকীয়ে ষ্টাৰ আৰু ৫ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। উল্লেখ্য, বিদ্যালয়খনে আজি ঘোষিত পৰীক্ষাৰ বিজ্ঞান শাখাৰ সন্তোষজনক ফলাফলত শৈক্ষিক দিশত এক নতুন মাত্ৰা প্ৰদান কৰিলে বুলি জানিব পৰা গৈছে।

## আৰক্ষী থানাত এজাহাৰ দাখিল গৰাকী আনন্দ গুৰুঙৰ

# লেখাপানীত মটৰ বাইক চুৰিৰ ঘটনা

**অসম বাৰ্তা বিশেষ, জাগুন, ২৮ এপ্ৰিল ঃ** ৰাজ্যৰ আৰক্ষী প্ৰশাসন যিমানে সন্তম হৈ উঠিছে তাৰ বিপৰীতে অপৰাধ জনিত ঘটনাও দিনক দিনে বৃদ্ধি পোৱা দেখা গৈছে। নিচা জাতীয় নিষিদ্ধ দ্ৰব্য যেনে ড্ৰাগছ, কানিৰ আদিৰ অবাধ প্ৰচলনৰ সমান্তৰালকৈ চুৰি ডকাইতিৰ ঘটনাও এক ভয়াবহ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। তেনে এক অনুৰূপ চুৰি কাণ্ড সংঘটিত হৈছে মাৰ্ঘেৰিটা সম জিলাৰ অধীনৰ লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত লেখাপানী ৰে'লৰে ষ্টেচনৰ সমীপত। আজি নিশাৰ ভাগত ৰে'লৰে ষ্টেচনৰ সমীপৰ এঘৰ লোকৰ ঘৰৰ পৰা চুৰি হয় এখন মটৰ চাইকেল। লেখাপানী ৰে'লৰে ষ্টেচনৰ সমীপৰ আনন্দ গুৰুঙ নামৰ লোকজনৰ ঘৰৰ পৰা নিশা কোনো দুৰ্বৃত্তই চুৰ কৰি নিয়ে এখন কলা ৰঙৰ ছুপাৰ স্পেলেণ্ডৰ মটৰ চাইকেল। জাগুন চেণ্ট ভিনচেণ্ট বিদ্যালয়ত শিক্ষকতা কৰা আনন্দ গুৰুঙ পুৱা বিদ্যালয়লৈ যাবলৈ ওলাই নিৰ্দিষ্ট স্থানত মটৰ চাইকেলখন নেদেখি ওচৰ চুবুৰীয়াৰ ঘৰত খবৰ কৰে। খবৰ কৰি মটৰ চাইকেলখনৰ কোনো শুংসূত্ৰ লাভ নকৰাত অঞ্চলটোত হুৱা দুৱা লাগে। AS-23-Y-7218 নম্বৰৰ কলা ৰঙৰ ছুপাৰ স্পেলেণ্ডৰ মটৰ চাইকেলখন সন্দৰ্ভত ইতিমধ্যে গৰাকী আনন্দ গুৰুঙ আৰু স্থানীয় গাঁও প্ৰধান ভৰত ছেত্ৰীয়ে লেখাপানী আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। এই সন্দৰ্ভত কোনো লোকে সম্ভেদ লাভ কৰিলে তৎক্ষণাত লেখাপানী আৰক্ষী থানাত খবৰ দিবলৈ অনুৰোধ জনাইছে মটৰ চাইকেলখনৰ গৰাকীয়ে।

# আন্তঃৰাষ্ট্ৰীয় বক্সিং সন্থাৰ টু ষ্টাৰ ৰেফাৰী আৰু বিচাৰক হিচাপে দেৰগাঁৱৰ দিগন্ত নাথলৈ স্বীকৃতি

**অসম বাৰ্তা, দেৰগাঁও, ২৮ এপ্ৰিল ঃ** দেৰগাঁৱৰ সুদক্ষ বক্সিং খেলুৱৈ দিগন্ত নাথ ইণ্ডিয়ান এমেচাৰ বক্সিং ফেডাৰেশ্যনৰ (আই এ বি এফ) যুথ কমিছনৰ চেয়াৰমেন হিচাপে মনোনীত হৈছে। উল্লেখযোগ্য যে ইণ্টাৰনেশ্যনেল টু ষ্টাৰ ৰেফাৰী পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ ইণ্টাৰনেশ্যনেল টু ষ্টাৰ ৰেফাৰী আৰু বিচাৰক হিচাপে তেওঁ স্বীকৃতি লাভ কৰিছে। অসম এমেচাৰ বক্সিং সন্থাৰ যুটীয়া সম্পাদককে ধৰি বিভিন্ন দায়িত্বত থাকি অসমৰ ক্ৰীড়াক্ষেত্ৰখনৰ বাবে কাম কৰি থকা দিগন্ত নাথৰ এই প্ৰাপ্তিত অসম বক্সিং সন্থাই অলপতে তেওঁক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰিছে। নাথৰ এনে সফলতাত আজি দেৰগাঁও ক্ৰীড়া সন্থা ভৱনত উষ্ম আদৰণি লগতে এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত দেৰগাঁৱৰ বিভিন্ন স্থানৰ শতাধীক ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠান সভাপতিত্ব কৰে দেৰগাঁও ক্ৰীড়া সন্থাৰ সভাপতি প্ৰশান্ত প্ৰদিপ হাজৰিকাই। গাম্ভীৰ্যপূৰ্ণ এই ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠান কুৰিটাৰো অধিক সংগঠনে দিগন্ত নাথ সম্বৰ্ধনা জনায়। দেৰগাঁৱলৈ গৌৰৱ কঢ়িয়াই অনা দিগন্ত নাথক উপস্থিত সকলো ৰাইজে এই ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানত উষ্ম আদৰণি জনায়।

# জুইয়ে পোৰা সোণ হৈ জিলিকিল ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বহু কেইগৰাকী ছাত্ৰ-ছাত্ৰী

## ৫টা বিষয়ত লেটাৰ মাৰ্কসহ ডিষ্টিংচন লাভ কৰি গৌৰৱ কঢ়িয়ালে তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ এপ্ৰিল ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিকৰ শিক্ষান্ত পৰীক্ষাৰ ফলাফলত উজনি মাজুলীৰ ভিতৰতে এখন আগশাৰীৰ শিক্ষানুষ্ঠান ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে জিলাখনৰ ভিতৰতে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হয়। সোণালী জয়ন্তী বৰ্ষ গৰকা ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১০০ শতাংশ উত্তীৰ্ণয়ে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। এইবৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত বিদ্যালয়খনৰ ভিতৰতে মেধাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা কমল বৰুৱাই ৮৯.৬ শতাংশ, ববিতা কলিতাই ৮৬.২ শতাংশ, অৰ্পিতা বৰাই ৮৬ শতাংশ নম্বৰেৰে ৫টা বিষয়তে লেটাৰ মাৰ্ক সহ ডিষ্টিংচন পাবলৈ সক্ষম হোৱাৰ লগতে পৰিনিতা শইকীয়া, মনোজ শইকীয়া, লক্ষ্মী বেজবৰুৱাই ষ্টাৰ মাৰ্ক লাভ কৰে। বিদ্যালয়খনৰ পৰা ৩৬জন পৰীক্ষাৰ্থী ভিতৰত ৩ জনে ডিষ্টংচন, ষ্টাৰ ৩ জন, প্ৰথম বিভাগত ১৫ জন, দ্বিতীয় বিভাগত ১৩জন আৰু তৃতীয় বিভাগত ২জন ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিদ্যালয় খনৰ উত্তীৰ্ণ হাৰ ১০০ শতাংশ। প্ৰথম আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ বহু কেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে লেটাৰ পাবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ এই ফলাফলত সুখ্যাতিৰে উত্তীৰ্ণ প্ৰতিগৰাকী পৰিক্ষাৰ্থীক শুভেচ্ছা জ্ঞাপন কৰিছে অঞ্চলবাসীৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ একতা সভা, বিদ্যালয় পৰিচালনা সমিতিৰ লগতে বিদ্যালয়খনৰ মাতৃ গোটৰ লগতে সৃষ্টি এক সমন্বয়ৰ যাত্ৰা মাজুলী অসমে। এই উপলক্ষে সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী কেইগৰাকীক বিদ্যালয়ত গামোচা পিন্ধাই বিদ্যালয়ৰ শিক্ষক গোটে শুভেচ্ছা জ্ঞাপন কৰে।

## কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন, ফলাফলক লৈ উৎসৱমুখৰ পৰিৱেশ বিদ্যালয়ত

# এশ শতাংশ উত্তীৰ্ণৰে উজলিল জনীয়াৰ ব্লুবেল ছিনিয়ৰ চেকেণ্ডাৰী স্কুল

**অসম বাৰ্তা, জনীয়া, ২৮ এপ্ৰিল ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে উজলিল জনীয়াৰ ব্লুবেল ছিনিয়ৰ চেকেণ্ডাৰী স্কুল। উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক আজি বিদ্যালয়ত এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰিও কেক কাটি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰে অধ্যক্ষৰ লগতে শিক্ষক কৰ্মচাৰী সকলে। কাদং গাঁও পঞ্চায়তৰ অন্তৰ্গত মহমমদপুৰস্থিত ব্লুবেল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল নামৰ ব্যক্তিগতখণ্ডৰ বিদ্যালয়ৰ পৰা এইবেলি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৫৫ গৰাকীকৈ পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ৩ গৰাকীয়ে ষ্টাৰ মাৰ্ক সহ ২৬ গৰাকীয়ে প্ৰথম বিভাগত আৰু ২৮ গৰাকীয়ে দ্বিতীয় বিভাগৰ লগতে এজন ছাত্ৰই তৃতীয় বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে বৃহত্তৰ জনীয়া আৰু কাদং, মহম্মদপুৰ, কান্দাপাৰা আৰু ইয়াৰ দাতি কাষৰীয়া অঞ্চল সমূহত শৈক্ষিক বিপ্লৱ গঢ়ি তুলিবলৈ বিদ্যালয়খনৰ জন্ম দিয়া হৈছে বুলি জানিবলৈ দিয়ে। মেধাবী ছাত্ৰ-ছাত্ৰী আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নাম ভৰ্তিৰ ক্ষেত্ৰত বিশেষ ৰেহাইৰ উপৰিও মেট্ৰিকত কম নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা প্ৰদান কৰি মেধাবী ছাত্ৰ-ছাত্ৰী হিচাপে গঢ়ি তোলাত বিগত বৰ্ষসমূহত সফল হৈছে বুলি অধ্যক্ষই জানিবলৈ দিয়ে। প্ৰতি বছৰৰ দৰে এই বেলিও বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে এনে ফলাফল কঢ়িয়াই অনা বাবে বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীক ভূয়সী প্ৰশংসা কৰিছে অভিভাৱক তথা স্থানীয় ৰাইছে।

# ৰূপহীহাটৰ কেইবাখনো ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ চমকপ্ৰদ সাফল্য

## ৰূপহী আদৰ্শ বিদ্যাপীঠ এম্বিশ্বন একাডেমি-জ্ঞান বিকাশ বিদ্যাপীঠৰ এশ শতাংশ ফলাফল

**অসম বাৰ্তা, লাওঁখোৱা, ২৮ এপ্ৰিল ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফলত নগাঁৱৰ উত্তৰাঞ্চলৰ কেইবাখনো শিক্ষানুষ্ঠানে চমকপ্ৰদ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। ঘোষিত ফলাফল অনুযায়ী ৰূপহী আদৰ্শ বিদ্যাপীঠৰ ৩৮ গৰাকী কলা শাখাত ১০০ শতাংশ ফলাফল প্ৰদৰ্শন কৰিছে। জ্ঞান বিকাশ বিদ্যাপীঠৰ কলা শাখাত ১৩২ গৰাকী আৰু বিজ্ঞান শাখাত ২১০জন অৱতীৰ্ণ হৈ এশ শতাংশ ফলাফল প্ৰদৰ্শন কৰিছে। কাই ছাই তিৰ দীপজ্যোতি একাডেমি আদি ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানতো ১০০ শতাংশ ফলাফল প্ৰদৰ্শন কৰিছে। সেইদৰে পি এম শ্ৰী ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত ২১৮ গৰাকী পৰীক্ষাত অৱতীৰ্ণ হৈ ১৮১ গৰাকী উত্তীৰ্ণৰে ৮৩.০৩ শতাংশ আৰু বিজ্ঞান শাখাত ৯১ গৰাকীৰ ভিতৰত ৯ গৰাকী উত্তীৰ্ণ হৈ ৯৮.৯০ শতাংশ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। আনপিনে ৰূপহীহাটত উজ্জ্বলিল ব্যক্তিগত খণ্ডৰ বিদ্যালয় ৰূপহী আদৰ্শ বিদ্যাপীঠ। সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত ১০০ শতাংশ ফলাফলেৰে উজলি উঠিল ব্যক্তিগত খণ্ডৰ বিদ্যালয়খন। বিদ্যালয়খনৰ পৰা মুঠ ৩৮জন ছাত্ৰ-ছাত্ৰীয়ে এই বাৰৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল প্ৰথম বিভাগত ৬জন তাৰে ভিতৰত দুজনে ষ্টাৰ মাৰ্ক দ্বিতীয় বিভাগত ২০জন তৃতীয় ১০জন ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ এনে ফলাফলে গৌৰৱান্বিত কৰিছে ৰূপহীহাটৰ শৈক্ষিক আৰু বৌদ্ধি মহলক। পুৱাৰে পৰা বিদ্যালয়খনে এনে ফলাফল লাভ কৰাত উৎফুল্ল হৈ পৰিছে শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকল। ইপিনে তাৰাবাৰী ই ড্ৰিছ মে'মৰিয়েল ছিনিয়ৰ ছেকণ্ডাৰী স্কুলৰ এশ শতাংশ উত্তীৰ্ণৰ ধাৰা এইবাৰো অব্যাহত ৰাখিছে ২০০২ চনত স্থাপিত অ-প্ৰাদেশিকিত বিদ্যালয়খনৰ এনে সাফল্যত উৎফুল্ল হৈ পৰিছে অঞ্চলাসী।

# পুৰণিগুদাম শংকৰদেৱ বিদ্যানিকেতনৰ এশ শতাংশ উত্তীৰ্ণ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ এপ্ৰিল ঃ** ১৯৯৬ চনতে প্ৰতিষ্ঠা হোৱা পুৰণিগুদামৰ আগশাৰীৰ শিক্ষানুষ্ঠান পুৰণিগুদাম শংকৰদেৱ বিদ্যানিকেতনে সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। ২০০৭ চনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰখাৰ পিছত এই বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ পৰা মুঠ ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল ইয়াৰে প্ৰথম বিভাগত ১৭ গৰাকী আৰু দ্বিতীয় বিভাগত দুগৰাকী উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। বিদ্যালয় খনৰ উচ্চতৰ মাধ্যমিক শাখাত প্ৰথমবাৰৰ বাবে ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল আৰু এশ শতাংশ উত্তীৰ্ণ হোৱাত এতিয়া বিদ্যালয়খনত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন